খণ্ড 2, অংক 3

অক্টোবৰ-মেই, 2018

# গ্ৰামোদয় সংকল্প

পঞ্চায়তীৰাজ, গ্ৰামীণ বিকাশ তথা খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ৰ তিনিমহীয়া সংবাদ পত্ৰিকা



## গ্ৰাম পঞ্চায়ত বিকাশ পৰিকল্পনা (GPDP)

**আমাৰ যোজনা, আমাৰ বিকাশ**
**সামৰ্থ্য নিৰ্মাণত কৰে প্ৰাণ সঞ্চাৰ**

স্বামী বিবেকানন্দ
**যুৱশক্তি হল দেশৰ ভৱিষ্যত**

**গ্ৰাম স্বৰাজ অভিযান (GSA)**
1 জুন – 15 আগষ্ট, 2018

চৰ্দাৰ বল্লভভাই পেটেল
**ৰাষ্ট্ৰৰ কল্পনা**

চলো চম্পাৰণ
**সত্যাগ্ৰহৰপৰা স্বচ্ছাগ্ৰহলৈ**





“ভাৰতত বলা পৰিৱৰ্ত্তনকামী বতাহজাকৰ কাৰণ হ’ল ৰাইজ আৰু তেওঁলোকৰ ইচ্ছাশক্তি, মোৰ মতে ৰাইজিং ইণ্ডিয়াৰ অৰ্থ হ’ল 125 কোটি ভাৰতীয়ৰ উত্থান”



# প্ৰধানমন্ত্ৰীৰ "মন কী বাত" — জিলিঙনি

আজি সামাজিক, আৰ্থিক জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে মহিলাসকলৰ সমান অংশগ্ৰহণ সুনিশ্চিত কৰা, এইটো হ'ল আমাৰ আটাইৰে কৰ্তব্য। আমি হ'লো সেইটো পৰম্পৰাৰ অংশ, য'ত পুৰুষসকলৰ চিনাকি দিয়া হয় নাৰীৰদ্বাৰা। যশোদা-নন্দন, কৌশল্যা-নন্দন, গান্ধাৰী-পুত্ৰ, এইবোৰেই আছিল এজন পুত্ৰৰ পৰিচয়।

গ্ৰামীণ ভাৰতৰ কৃষকসকলে গোবৰ আৰু আন আৱৰ্জনাবোৰ কেৱল অপশিষ্টৰ ৰূপত নহয়, বৰঞ্চ আয়ৰ উৎসৰ ৰূপতো চাব লাগিব। 'গোবৰ ধন যোজনা'ৰপৰা গ্ৰামীণ ক্ষেত্ৰসমূহৰ অনেক উপকাৰ হ'ব। গাওঁখন চাফ-চিকুণ কৰি ৰখাত সহায় পোৱা য'ব। পশুধনৰ স্বাস্থ্য উন্নততৰ হ'ব আৰু উৎপাদনশীলতা বাঢ়িব। বায়'গেছৰদ্বাৰা খাদ্য ৰন্ধাত আৰু পোহৰ ব্যৱস্থাৰ বাবে লগা বিদ্যুতৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা বাঢ়িব। কৃষক তথা পশুপালকসকলৰ উপাৰ্জন বৃদ্ধি বাত সহায় পোৱা যাব, নতুন চাকৰিৰ সুযোগ ওলাব।

ড. বাবাছাহেব আম্বেডকাৰৰ জয়ন্তী উপলক্ষে 14 এপ্ৰিলৰপৰা 5 মেইলৈকে "গ্ৰাম স্বৰাজ অভিযান" আয়োজন কৰিবলৈ লোৱা হৈছে। ইয়াৰ অধীনত সমগ্ৰ ভাৰততে গ্ৰাম-বিকাশ, দৰিদ্ৰ-কল্যাণ আৰু সামাজিক-ন্যায় বিষয়ক বিভিন্ন কাৰ্যসূচী হাতত লোৱা হ'ব। মই আপোনালোক আটাইকে আহ্বান জনাইছোঁ যাতে এই অভিযানত পূৰ্ণ উদ্যমেৰে হাত উজান দিয়ে।

এইবাৰৰ বাজেটত "স্বচ্ছ ভাৰত"ৰ অধীনত গাওঁবোৰৰ বাবে বায়'গেছৰ জৰিয়তে "বেষ্ট টু হেল্থ" আৰু "ৱেষ্ট টু এনাৰ্জী" উৎপাদনত গুৰুত্ব দিয়া হৈছে। ইয়াৰ বাবে এটা পদক্ষেপ দিয়া হৈছে আৰু ইয়াৰ নাম দিয়া হৈছে গোবৰ-ধন গেলভেনাইজিং অৰ্গেনিক বায়' এগ্ৰো ৰিছ'ৰ্চেজ। গোবৰ-ধন যোজনাৰ উদ্দেশ্য হ'ল, গাওঁবোৰ স্বচ্ছ কৰি তোলা আৰু পশুৰ গোবৰ তথা খেতিপথাৰৰ গোটা অপশিষ্ট পদাৰ্থবোৰ মিশ্ৰসাৰ আৰু বায়'-গেছলৈ পৰিৱৰ্তিত কৰি তাৰপৰা ধন উপাৰ্জন কৰা।

কৃষকৰ সবলীকৰণ মানে দেশৰ সবলীকৰণ...যেতিয়া দেশৰ গাওঁবোৰ উদয় হ'ব তেতিয়া ভাৰতো উদয় হ'ব। যেতিয়া দেশৰ কৃষকৰ সবলীকৰণ হ'ব, তেতিয়া নিজে নিজেই দেশৰো সবলীকৰণ হ'ব।



সত্যমেব জয়তে

প্ৰধানমন্ত্ৰী

Prime Minister

# বাৰ্ত্তা

এইটো হৰ্ষৰ বিষয় যে তিনিমহীয়া পত্ৰিকা “গ্ৰামোদয় সংকল্প”ৰ নতুন এটা সংস্কৰণ প্ৰকাশ কৰিবলৈ লোৱা হৈছে। মই আশা কৰিছোঁ যে এই পত্ৰিকা গ্ৰাম পঞ্চায়তৰ সদস্যসকলৰ বাবে অতিশয় উপযোগী প্ৰমাণিত হ'ব। পঞ্চায়তসমূহে নতুন ভাৰত নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু আমি পঞ্চায়তসমূহৰ সবলীকৰণৰ বাবে নিৰন্তৰ প্ৰয়াসত ব্ৰতী হৈ আহিছোঁ।

দৰিদ্ৰসকল আৰু গাওঁবাসীসকলৰ প্ৰতি ভাৰত চৰকাৰ সম্পূৰ্ণৰূপে সমৰ্পিত। গণশক্তি আৰু গণ-অংশগ্ৰহণৰ জৰিয়তে গাওঁবোৰত ৰাইজৰ জীৱনৰ স্তৰ তথা জন সেৱাসমূহৰ গুণাৱলীত উন্নতি সাধন কৰাই হ'ল আমাৰ উদ্দেশ্য। ৰাষ্ট্ৰপিতা মহাত্মা গান্ধীৰ গ্ৰাম স্বৰাজৰ পৰিকল্পনাক সাকাৰ কৰাৰ দিশত ভাৰত চৰকাৰে অহৰহ কাম কৰি আহিছে।

মই এই আশ্বাস প্ৰদান কৰিব খোজো যে আমাৰ গাওঁবোৰৰ বিকাশৰ বাবে, গাৱঁৰ ৰাইজৰ সবলীকৰণৰ বাবে, গাওঁক সমস্যাসমূহৰপৰা মুক্তি দিয়াবলৈ, আজি যিয়েই সংকল্প কৰা হ'ব, সেইবোৰ ৰূপায়িত কৰাৰ পথত ভাৰত চৰকাৰ সম্পূৰ্ণ দায়বদ্ধতাৰে সদায়ে আপোনাৰ লগত থাকিব। আপোনাৰ সপোনৰ সৈতে লগ লাগিব আমাৰ সপোনবোৰো আৰু আমি সবাই মিলি এশ পঁচিশ কোটি দেশবাসীৰ সপোনবোৰ সাকাৰ কৰিম।

এই সুযোগতে সমগ্ৰ দেশৰে পঞ্চায়তীৰাজ সংস্থাসমূহৰ সকলো নিৰ্বাচিত প্ৰতিনিধিক মই মোৰ হিয়াভৰা শুভকামনা যাচিছোঁ।

(নৰেন্দ্ৰ মোডী)

নতুন দিল্লী

15 জুন, 2018

# সূচীপত্ৰ



স্বামী বিবেকানন্দ: যুৱশক্তি হ'ল দেশৰ ভৱিষ্যত 07



10 চৰ্দাৰ বল্লভভাই পেটেল: ৰাষ্ট্ৰৰ কল্পনা



চলো চম্পাৰণ: সত্যাগ্ৰহৰপৰা স্বচ্ছাগ্ৰহলৈ 38

## পঞ্চায়তীৰাজ মন্ত্ৰালয়


সফলতাৰ কাহিনী 13-17
সামৰ্থ্য বিকাশ যোজনাসমূহত প্ৰাণ সঞ্চাৰ
আমাৰ যোজনা, আমাৰ বিকাশ
কৰ দিয়ক, সেৱাসমূহৰ উপকাৰ পাওক
সমাজে গুৰি ধৰা সৰ্বাঙ্গীণ বিকাশ




ৰাস্তা নিৰ্মাণৰ কামত পেলনীয়া প্লাষ্টিকৰ উপযোগ 35

## গ্ৰামীণ বিকাশ মন্ত্ৰালয়

MINISTRY OF RURAL DEVELOPMENT


এখন গাঁৱলৈ অহা পৰিৱৰ্তন 18
ডীডীয়ু-জীকেৱাইৰ সফলতাৰ কাহিনী 20
এখন আদৰ্শ খেতিপথাৰৰ কাহিনী 29
জ'বৰ-জোঁথৰপৰা জৈৱিক সাৰলৈকে 30
বাঁহ উৎপাদনৰ নৰ্ছাৰী 31
সলনি হৈছে হাঁহ-কুকুৰা পালন উদ্যোগ 32
কেনেকৈ বাইদেউ: য'ত সপোন হয় বাস্তৱ 34
ৰাস্তা নিৰ্মাণৰ কামত পেলনীয়া প্লাষ্টিকৰ উপযোগ 35


## খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়


সত্যাগ্ৰহৰপৰা স্বচ্ছাগ্ৰহ 38
ৰাষ্ট্ৰীয় গ্ৰামীণ খোৱাপানী কাৰ্য্যসূচী 40
সফলতাৰ কাহিনী 42-46
বিদ্যাৰ্থী স্বচ্ছতা ন্যায়ালয়
শেহতীয়া ঘটনাৱলীৰ এটা ৰেঙণি 47



## উপদেষ্টা মণ্ডলী

সচিব, পঞ্চায়তীৰাজ মন্ত্ৰালয়
সচিব, গ্ৰামীণ বিকাশ মন্ত্ৰালয়
সচিব, খোৱাপানী তথা স্বচ্ছতা মন্ত্ৰালয়

## মুখ্য সম্পাদক

অমৰজিৎ সিনহা
সচিব, পঞ্চায়তীৰাজ মন্ত্ৰালয়
আৰু গ্ৰামীণ বিকাশ মন্ত্ৰালয়

## সম্পাদক মণ্ডলী

যুটীয়া সচিব, পঞ্চায়তীৰাজ মন্ত্ৰালয়
যুটীয়া সচিব, গ্ৰামীণ বিকাশ মন্ত্ৰালয়
সঞ্চালক প্ৰধান, খোৱাপানী তথা স্বচ্ছতা মন্ত্ৰালয়
সঞ্চালক (আই.ই.চী), গ্ৰামীণ বিকাশ মন্ত্ৰালয়
সঞ্চালক, (আই.ই.চী), খোৱাপানী তথা স্বচ্ছতা মন্ত্ৰালয়
সঞ্চালক (মীডিয়া), পঞ্চায়তীৰাজ মন্ত্ৰালয়

## সংকলন আৰু প্ৰকাশন

জাগৰণ প্ৰকাশন লিমিটেড




ৰাষ্ট্ৰীয় গ্ৰামীণ খোৱাপানী কাৰ্য্যসূচী 40



02 প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' — জিলিঙনি



সত্যমেৱ জয়তে

**নৰেন্দ্ৰ সিং তোমৰ**
**গ্ৰামীণ বিকাশ,**
**পঞ্চায়তীৰাজ আৰু খনি মন্ত্ৰী**
**ভাৰত চৰকাৰ**
**কৃষি ভৱন, নতুন দিল্লী**

# বাৰ্ত্তা

মোৰ দৃঢ় বিশ্বাস পূৰ্বৰ দৰে গ্ৰামোদয় সংকল্পৰ এইটো অংকও প্ৰামাণিক তথ্য লৈ আপোনাৰ বাবে অত্যন্ত উপযোগী হৈ উঠিব।

পঞ্চায়তীৰাজ সংস্থাসমূহ হ'ল গণতন্ত্ৰৰ বুনিয়াদ। আধাৰ যদি শক্তিশালী হয় তেন্তে ভৱনৰ উত্থানক কোনে বাধা দিব পাৰে? আমাৰ গণতন্ত্ৰই হ'ল আমাৰ বৈশিষ্ট্য আৰু নিৰ্বাচিত পঞ্চায়ত হ'ল গণতন্ত্ৰৰ আত্মা। ভাৰতৰ মহান গণতন্ত্ৰ আমাৰ পূৰ্বপুৰুষসকলৰ অভাৱনীয় সংগ্ৰাম আৰু আত্মত্যাগৰ পৰিণাম। ইয়াক কেৱল অক্ষুণ্ণ ৰখাই নহয়, বৰঞ্চ ইয়াক সুবিকশিত আৰু শক্তিশালী কৰি তোলাটোও আমাৰ কৰ্ত্তব্য। এই দিশত বিকেন্দ্ৰীকৃত ক্ষমতালব্ধ স্থানীয় স্বায়ত্বশাসন প্ৰতিষ্ঠানসমূহে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

গাওঁ পঞ্চায়তত বিকাশ প্ৰক্ৰিয়াৰ লগতে সম্পৰ্কিত পূৰ্ব-পৰিকল্পনা, স্বচ্ছ প্ৰণালী, আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ, সামুদায়িক অংশগ্ৰহণ, অভ্যন্তৰীণ আৰু সামাজিক মূল্যাংকন, উদ্ভাৱনৰ প্ৰয়োগ, ৰোজগাৰৰ সুযোগ সৃষ্টি, স্বচ্ছতাক অগ্ৰাধিকাৰ দিয়া, সামাজিক সংসক্তি আৰু আত্মনিৰ্ভৰশীলতাৰ অভিমুখে কৰা যাত্ৰা আদি অনেক উপায়ৰ দিশত নিৰ্বাচিত প্ৰতিনিধিসকলে সাহসিকতাৰে পদক্ষেপ দিব লাগিব। এই কথাত মই অত্যন্ত সুখী যে দেশত অনেক পঞ্চায়তীৰাজ প্ৰতিনিধিয়ে নিজৰ নিজৰ ক্ষেত্ৰত অসাধাৰণ আৰু অভূতপূৰ্ব কাৰ্য্য সম্পাদন কৰি গ্ৰাম বিকাশৰ পথত প্ৰেৰণাৰ উৎস হৈ উঠিছে।

মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই বিশ্বাস কৰে যে দেশ উন্নতিৰ পথত আগবাঢ়িবলৈ হ'লে, গাঁওবোৰত বিকাশ আৰু সমৃদ্ধিৰ নতুন অধ্যায় লিখিব লাগিব। এই কথা মনত ৰাখিয়েই প্ৰধানমন্ত্ৰী মহোদয়ে চতুৰ্দশ বিত্ত আয়োগৰ 200,292.2 কোটি টকাৰ ধনৰাশি পোনে পোনে গ্ৰাম পঞ্চায়তসমূহক দিবলৈ স্বীকৃতি প্ৰদান কৰিছে।

পঞ্চায়তসমূহৰ প্ৰতিনিধি তথা কৰ্মচাৰীসকলৰ বাবে প্ৰশিক্ষণ, কাৰিকৰী সমৰ্থন তথা মানৱ সম্পদ সুলভ কৰি তুলিবলৈ ''ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযান'' যোজনা আৰম্ভ কৰা হৈছে। সামৰ্থ্য সংবৰ্দ্ধনৰ ৰূপত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহে ইয়াৰপৰা লাভ আহৰণ কৰিব। গাঁৱৰ দৰিদ্ৰ লোকসকল, দলিতসকল আৰু জনজাতীয় লোকসকলৰ জীৱনস্তৰলৈ পৰিৱৰ্ত্তন অনাৰ বাবে তথা অসমানতা সমাপ্তিকল্পে মোডী চৰকাৰে দৰিদ্ৰ-হিতৈষী তথা কল্যাণকামী যোজনাসমূহৰ অধীনত প্ৰধানমন্ত্ৰী জনধন যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী জীৱন-জ্যোতি বীমা যোজনা, সৌভাগ্য যোজনা, উজ্জ্বলা যোজনা, প্ৰধানমন্ত্ৰী আবাস যোজনা (গ্ৰামীণ), প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, দীনদয়াল অন্ত্যোদয়, ৰাষ্ট্ৰীয় গ্ৰামীণ আজীৱিকা মিছন আৰু দীনদয়াল উপাধ্যায় গ্ৰামীণ দক্ষতা যোজনাৰ দৰে উচ্চাকাংখ্যী কাৰ্য্যসূচীসমূহ কাৰ্য্যৰূপায়িত কৰি আছে।

পঞ্চায়তীৰাজ প্ৰতিনিধিসকলে কৃতসংকল্প হৈ আগবাঢ়িব পাৰিলে এই যোজনাসমূহে ইবিলাকৰ অধীনত এশ শতাংশ হিতাধিকাৰীক সামৰি ল'ব পাৰিব। যেতিয়া গাওঁবোৰত বুনিয়াদী সা-সুবিধাৰ বিকাশ ঘটিব, সামাজিক সংসক্তিৰ বিস্তাৰ হ'ব আৰু মৌলিক প্ৰয়োজনসমূহ পূৰণ হোৱাটো সম্ভৱ হ'ব, তেতিয়া গাওঁ নিশ্চিত ৰূপত আগ বাঢ়ি যাব আৰু নতুন ভাৰতৰ নিৰ্মাণত ইয়াৰ সাৰ্থক হাত উজান দিব পাৰিব। ইয়াৰ কৃতিত্ব দাবী কৰিব পাৰিব পঞ্চায়ত প্ৰতিনিধিসকলে। এনেকুৱা পৰিস্থিতিত আমি দেশৰ বাঘজৰী ভাবী প্ৰজন্মৰ হাতত গতাই দিয়াৰ সময়ত গৰ্বেৰে ক'ব পাৰিম যে ভাৰত নিৰ্মাণত আমিও অংশগ্ৰহণ কৰিছিলো। 14 এপ্ৰিলৰপৰা 5 মেইলৈকে গ্ৰাম স্বৰাজ অভিযান চলাই দেশৰ বচা বচা গাওঁ সাতখন অগ্ৰণী যোজনাৰ অধীনত এশ শতাংশ সামৰি লোৱাৰ এটা সফল প্ৰয়াস পৰীক্ষামূলক ভিত্তিত আমি চলাইছিলো। স্বাধীনতাৰ পাছত প্ৰথমবাৰলৈ কেন্দ্ৰত থকা এখন চৰকাৰে 16,850 খন গাওঁ সমস্যাৰপৰা মুক্ত কৰাৰ আৰু চৰকাৰী যোজনাসমূহৰ লাভ হিতাধিকাৰীসকলৰ ওচৰলৈ পোনে পোনে লৈ যোৱাৰ কাম নিজৰ হাতত তুলি লৈছে আৰু আমি আমাৰ এই প্ৰচেষ্টাত সফল হৈছো। ''গ্ৰাম স্বৰাজ অভিযান'' এটা অনন্য প্ৰয়োগ আৰু আমি কৃতসংকল্প যে এই যাত্ৰা থমকি ৰ'বলৈ দিয়া নহ'ব, বৰঞ্চ ই নিৰন্তৰ আগবাঢ়ি গৈ থাকিব। গ্ৰাম স্বৰাজ অভিযানৰ দ্বিতীয় পৰ্য্যায়ত দেশৰ 117 খন জিলাৰ 65 হাজাৰ গাঁৱক এইবোৰ আঁচনিৰ অধীনত সামৰি লোৱাৰ লক্ষ্য নিৰ্দ্ধাৰিত কৰা হৈছে। মোৰ সম্পূৰ্ণ বিশ্বাস আছে যে পঞ্চায়তীৰাজ সংস্থাসমূহৰ নিৰ্বাচিত প্ৰতিনিধিবৰ্গ, কৰ্মচাৰীসকল তথা ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহৰ সন্মিলিত প্ৰয়াসে আমাক সফলতাৰ বাট দেখুৱাব।

ৰাষ্ট্ৰপিতা মহাত্মা গান্ধীৰ গ্ৰাম স্বৰাজৰ মহান পৰিকল্পনা সাকাৰ কৰিবলৈ আমাৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া নিজৰ জীৱনৰ প্ৰতিটো ক্ষণ গঠনমূলকভাৱে ব্যৱহাৰ কৰি অভাবনীয় পৰিশ্ৰম ফলদায়ক কৰাৰ বাবে যত্নশীল আৰু কৃতসংকল্প। আহক, আমি সকলোৱে মিলিজুলি এখন নতুন ভাৰত নিৰ্মাণৰ বাবে থকা তেখেতৰ সংকল্পত হাত উজান দিওঁ আৰু প্ৰতিজন লোকৰ জীৱনলৈ সমৃদ্ধি অনাৰ ৰাষ্ট্ৰীয় দায়িত্ব নিৰ্বাহৰ বাবে কৃতসংকল্পতাৰে একগোট হওঁ।

**(নৰেন্দ্ৰ সিং তোমৰ)**



পৰশোত্তম ৰূপালা
ৰাজ্য মন্ত্ৰী
কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়
তথা পঞ্চায়তীৰাজ মন্ত্ৰালয়,
ভাৰত চৰকাৰ

# বাৰ্ত্তা

ভাৰত চৰকাৰৰ তিনিটা মন্ত্ৰালয়ৰ (পঞ্চায়তীৰাজ মন্ত্ৰালয়, গ্ৰামীণ বিকাশ মন্ত্ৰালয় আৰু খোৱাপানী তথা স্বচ্ছতা মন্ত্ৰালয়) যুটীয়া তিনিমহীয়া পত্ৰিকা "গ্ৰামোদয় সংকল্প"ৰ শেহতীয়া অংক, "গ্ৰাম স্বৰাজ অভিযান"ৰ দ্বিতীয় পৰ্য্যায় চলি থকাৰ সময়তে আপোনাৰ হাতত আহি পৰিছেহি। এই পত্ৰিকাত ভাৰত চৰকাৰৰ তিনিটা গুৰুত্বপূৰ্ণ মন্ত্ৰালয়ৰ জনকল্যাণমূলক কাৰ্য্যসূচীসমূহ, যোজনাসমূহ, কাম-কাজসমূহ, পৰিকল্পনা, চিন্তা আৰু দিশৰ লগে লগে ভাৰত চৰকাৰৰ গ্ৰামীণ বিকাশ আৰু সুশাসন সম্পৰ্কীয় বিশদ কাৰ্য্য-পৰিকল্পনাৰ বিষয়ে প্ৰয়োজনীয় তথ্য প্ৰদান কৰা হয়। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ আহ্বানক্ৰমে 14 এপ্ৰিলৰপৰা 5 মেই, 2018 লৈকে গ্ৰাম স্বৰাজ অভিযানৰ আয়োজন কৰা হয় তথা ইয়াৰ অধীনত সমগ্ৰ ভাৰততে গ্ৰাম-বিকাশ, দৰিদ্ৰ-কল্যাণ আৰু সামাজিক ন্যায় সন্দৰ্ভত বিভিন্ন কাৰ্য্যসূচীৰ আয়োজন কৰা হয়। পঞ্চায়ত প্ৰতিনিধিসকলে এই অভিযানত উৎসাহ-উদ্দীপনাৰে ভাগ লয়। এইটো হৰ্ষৰ বিষয় যে এই বছৰ ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱসও (24 এপ্ৰিল, 2018) গ্ৰাম স্বৰাজ অভিযানৰ অধীনত পালন কৰা হয় তথা এই উপলক্ষ্যে প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে মধ্যপ্ৰদেশৰ মণ্ডলাত আয়োজিত এখন ৰাজহুৱা সভাত ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযানৰ শুভাৰম্ভ কৰে। প্ৰধানমন্ত্ৰীয়ে স্থানীয় শাসন ডায়ৰেক্টৰীৰো (লোকেল গৱৰ্নমেণ্ট ডায়ৰেক্টৰী) শুভ উন্মোচন কৰে। প্ৰধানমন্ত্ৰীয়ে গাঁৱৰ সেইসকল চৰপঞ্চক স্বাগতম জনায়, যিসকলে এশ শতাংশ ধোঁৱাৰহিত পাকঘৰ, মিছন ইন্দ্ৰধনুষৰ অধীনত এশ শতাংশ টিকাকৰণ আৰু সৌভাগ্য যোজনাৰ অধীনত এশ শতাংশ বৈদ্যুতিকৰণৰ লক্ষ্যত উপনীত হয়। মধ্যপ্ৰদেশৰ মণ্ডলাত সমগ্ৰ দেশৰপৰা অহা পঞ্চায়তীৰাজ প্ৰতিনিধিসকলক সম্বোধি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে মহাত্মা গান্ধীৰ গ্ৰামোদয়ৰপৰা ৰাষ্ট্ৰোদয় আৰু গ্ৰাম স্বৰাজৰ কথা স্মৰণ কৰে। তেওঁ কয় যে মহাত্মা গান্ধীয়ে সদায়ে গাঁৱৰ গুৰুত্বৰ ওপৰত জোৰ দিছিল আৰু গ্ৰাম স্বৰাজৰ কথা কৈছিল। গাঁৱৰ সেৱা কৰিম বুলি সংকল্প ল'বলৈ তেওঁ সকলো লোকৰ প্ৰতি আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কয় যে যেতিয়াই গ্ৰামীণ বিকাশৰ কথা কোৱা হয়, তেতিয়াই বাজেট গুৰুত্বপূৰ্ণ হৈ পৰে, কিন্তু যোৱা কেইটামান বছৰত এই সম্পৰ্কীয় পৰিস্থিতি সলনি হৈছে। ৰাইজে এতিয়া এইটো সুনিশ্চিত কৰাৰ প্ৰয়োজনৰ বিষয়ে কথা পাতিবলৈ লৈছে যে প্ৰকল্পসমূহৰ বাবে আবণ্টিত ধনৰাশিৰ প্ৰয়োগ হ'ওক আৰু যোজনা সময়মতে স্বচ্ছতাসহিতে সম্পন্ন হওক। প্ৰধানমন্ত্ৰীয়ে কৃষি ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ বাবে চেষ্টা কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। জল সংৰক্ষণৰ ওপৰত মনোযোগ দিবলৈ তেওঁ পঞ্চায়ত জনপ্ৰতিনিধসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ অপশিষ্টক শক্তিলৈ ৰূপান্তৰ কৰাৰ বাহিৰেও বিত্তীয় সমাৱেশৰ বাবে জন-ধন যোজনা, জনজাতীয় সম্প্ৰদায়সমূহৰ সবলীকৰণৰ নিমিত্তে বন-ধন যোজনা আৰু কৃষকসকলক অধিক আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ গোবৰ-ধন যোজনাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। প্ৰধামনন্ত্ৰীয়ে কয় যে গাঁওবোৰৰ পৰিৱৰ্ত্তন হ'লেহে ভাৰতৰ ৰূপান্তৰ সুনিশ্চিত কৰিব পৰা যাব।

গ্ৰাম স্বৰাজ অভিযানৰ প্ৰথম পৰ্য্যায়ৰ অপাৰ সফলতাই এই কথা প্ৰমাণ কৰি দেখুৱালে যে এতিয়া দৰিদ্ৰজন চৰকাৰৰ ওচৰলৈ আহিব নালাগে, বৰঞ্চ চৰকাৰ নিজেই দৰিদ্ৰসকলৰ সমস্যাসমূহ সমাধানৰ পথত আহি উপনীত হৈছেহি। মই গ্ৰাম স্বৰাজ অভিযানৰ দ্বিতীয় পৰ্য্যায়ত আপোনালোক আটাইকে গঠনমূলক আৰু সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ অনুৰোধ কৰিছোঁ তথা ৰাষ্ট্ৰৰ কল্যাণৰ স্বাৰ্থত এই অভিয়ানৰ সফলতা কামনা কৰিছোঁ।

শুভকামনাসহিতে

পৰশোত্তম ৰূপালা

# স্বামী বিবেকানন্দ
# যুৱশক্তি হ'ল দেশৰ ভৱিষ্যত

## স্বামী বিবেকানন্দ জয়ন্তী (12 জানুৱাৰী): ৰাষ্ট্ৰীয় যুৱ দিৱস

"ভৱিষ্যতৰ প্ৰতি মোৰ আশা সেইসকল চৰিত্ৰবান যুৱক-যুৱতীৰ ওপৰত আশ্ৰিত যিসকল বুদ্ধিমান, ত্যাগী, পৰোপকাৰৰ বাবে সমৰ্পিত আৰু আজ্ঞাবহ — যি কেৱল নিজৰ বাবেই কল্যাণকাৰী নহয় বৰঞ্চ সমগ্ৰ ৰাষ্ট্ৰৰ হিতাৰ্থে সক্ৰিয়।"

- স্বামী বিবেকানন্দ



যুৱক-যুৱতী হ'ল এখন ৰাষ্ট্ৰৰ সবাতোকৈ প্ৰভাৱশালী শক্তি। যুগদ্ৰষ্টা স্বামী বিবেকানন্দই বহুবছৰ আগতেই কোৱা এইকেইটা শব্দ সময়ৰ পৰীক্ষাত বাৰে বাৰে উত্তীৰ্ণ হৈ আহিছে। যদি আধুনিক প্ৰজন্মৰ যুৱক-যুৱতীসকলে এই মহান আধ্যাত্মিক পথপ্ৰদৰ্শক জনৰ চিন্তা-ধাৰণা অনুসৰণ কৰে, তেন্তে কেৱল যুৱক-যুৱতীয়েই নহয় বৰঞ্চ সমগ্ৰ ৰাষ্ট্ৰ উপকৃত হ'ব পাৰে, কাৰণ তেওঁৰ চিন্তা-ধাৰণাত আধ্যাত্মিক জ্ঞান আৰু ব্যৱহাৰিক বিবেকৰ সাৰতত্ত্ব বিদ্যমান।

স্বামী বিবেকানন্দ, মহান তপস্বী, আধ্যাত্মিক চিন্তাবিদ আৰু শ্ৰেষ্ঠ বক্তাৰ লগে লগে এগৰাকী প্ৰকৃত দেশভক্তও আছিল। আজিৰ যুৱক-যুৱতীয়ে তেওঁৰ মুক্ত-চিন্তাৰ দৰ্শনৰপৰা বহু কথা শিকিব পাৰে। নিজৰ মহান গুৰু, সিদ্ধ যোগী ৰামকৃষ্ণ পৰমহংসৰপৰা তেওঁ এইখিনি গুণ প্ৰাপ্ত কৰিছিল।

তেওঁৰ জয়ন্তীৰ (ৰাষ্ট্ৰীয় যুৱ দিৱস) দিনা স্বামী বিবেকানন্দক সোঁৱৰণ কৰি প্ৰধামমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তেওঁক কালাতীত যুগদ্ৰষ্টা আখ্যা দিয়ে। প্ৰধানমন্ত্ৰীয়ে কয়, "দৈনন্দিন সমস্যাসমূহৰ সমাধানৰ অন্বেষণ কৰি থকা লোকসকলে সেই সমাধান বিচাৰি পাব পাৰে এইগৰাকী মহাপুৰুষৰ বাণীৰ মাজত। স্বামী বিবেকানন্দৰ চিন্তা-ধাৰণা আজিও প্ৰাসংগিক আৰু তেওঁৰ ব্যক্তিত্বই আজিও আমাক আশ্চৰ্যচকিত কৰে।" প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ এই মহান দেশভক্তগৰাকীক আনুষ্ঠানিকভাৱে সোঁৱৰণ কৰাৰ প্ৰয়োজন নাই, কাৰণ, তেওঁ সদায়ে আমাৰ হৃদয়ত নিবাস কৰে। স্বামী বিবেকানন্দৰদ্বাৰা উদঘোষিত সেই মহান স্বদেশী মন্ত্ৰৰ

কথা প্ৰধানমন্ত্ৰীয়ে স্মৰণ কৰে য'ত পুণ্যাত্মাগৰাকীয়ে এই পৱিত্ৰ ভাৱনাৰ কথা উল্লেখ কৰিছে যে এজন ভাৰতীয়ই কি ধৰণৰ জীৱন যাপন কৰা উচিত। সেই মন্ত্ৰৰ শক্তি, প্ৰেৰণাৰ কথা সাৱোগত কৰি শ্ৰী মোডীয়ে স্বামী বিবেকানন্দৰ এইকেইটা গভীৰ চিন্তাপ্ৰসূত শব্দৰ কথা সোঁৱৰণ কৰে, "হে ভাৰত, পাহৰি নাযাবা যে তোমাৰ জীৱন কেৱল ব্যক্তিগত সন্তুষ্টিৰ বাবেই নহয়। হে বীৰসকল! সগৰ্বে এই কথা ঘোষণা কৰা যে তুমি ভাৰতীয়। পূৰ্ণ সন্মানসহিতে কোৱা যে প্ৰতিগৰাকী ভাৰতীয় তোমাৰ ভ্ৰাতৃ আৰু তোমাৰ জীৱন প্ৰত্যেক ভাৰতীয়ত সমাহিত। ভাৰতৰ মাটিতেই আছে আমাৰ স্বৰ্গ। ভাৰতৰ কল্যাণেই হ'ল মোৰ কল্যাণ।"

স্বামী বিবেকানন্দৰ মহানতাৰ জোৰতেই ভাৰত বিশ্ব দৰবাৰত অধিষ্ঠিত হৈছিল খ্যাতি আৰু গৰিমাৰ এটা নতুন শিখৰত। বিশ্বৰ সমুখত ভাৰতৰ যিখন ছবি তেওঁ উপস্থাপন কৰিছিল সেই ভাৰত আছিল বিদ্বান, অতি শিক্ষিত, দাৰ্শনিক, ব্যৱহাৰিক, সবল নেতৃত্বৰ ক্ষমতাৰে পৰিপূৰ্ণ আৰু বিশ্ববন্ধুত্বৰ ধাৰণাৰ ওপৰত আস্থা ৰখা দেশ। সঁচা অৰ্থত এগৰাকী সন্ত, স্বামী বিবেকানন্দই মত পোষণ কৰিছিল যে ৰাষ্ট্ৰই সমাজৰ নিৰ্ধন আৰু অভাৱগ্ৰস্ত লোকসকলৰ কল্যাণ আৰু উত্থানৰ বাবে কঠোৰ প্ৰয়াস আৰু পৰিশ্ৰম কৰাৰ প্ৰয়োজন আছে। তেওঁ যুৱক-যুৱতীসকলক প্ৰদান কৰিছিল সমৰ্পণৰ মনোভাৱেৰে নিৰ্ধনসকলৰ সেৱা কৰাৰ মানসিকতা। যুৱশক্তিৰ ওপৰত আছিল তেওঁৰ অগাধ বিশ্বাস।

"সদগুণৰ অনুশীলন কৰা! সদগুণ আহৰণৰ বাবে অধ্যৱসায়ী হোৱা! নিজৰ ভিতৰত সদগুণসমূহ সমাহিত কৰা! শ্ৰেষ্ঠতম গুণ তথা সততাৰ প্ৰতি সাহসী আৰু সমৰ্পিত ব্যক্তি হৈ জিলিকি উঠা। এই মহান প্ৰক্ৰিয়াৰ বাবেই যুৱশক্তিৰ সৃষ্টি হৈছে। যুৱক-যুৱতীয়েই হ'ল এই মহান প্ৰক্ৰিয়াৰ সক্ৰিয় বিকাশ আৰু সম্পাদন। যুৱশক্তিয়েই হ'ল ভৱিষ্যত।" বাস্তৱিকতে এইকেইটা শব্দই হ'ল এই মুহূৰ্তৰ প্ৰয়োজনৰ উৎস আৰু যুৱশক্তিৰ বাবে সম্পূৰ্ণ পথ প্ৰদৰ্শক। আজিৰ যুৱশক্তিক আগতকৈ বেছিকৈ লগা হৈছে পথ-নিৰ্দেশনা।



## প্ৰাৰম্ভিক জীৱন আৰু শিক্ষা

স্বামী বিবেকানন্দৰ (শৈশৱৰ নাম নৰেন্দ্ৰ নাথ দত্ত) জন্ম হৈছিল, কলিকতাৰ এটা




আঢ্যৱন্ত পৰিয়ালত, 1863 চনৰ 12 জানুৱাৰীত। তেওঁ আছিল প্ৰখৰ বুদ্ধিৰ মেধাৱী ছাত্ৰ। তেওঁৰ পিতৃ বিশ্বনাথ দত্ত সমাজৰ প্ৰতিপত্তিশালী ব্যক্তি আৰু পেছাত মহাধিবক্তা আছিল। তেওঁৰ মাতৃ ভূৱনেশ্বৰী দেৱী এগৰাকী ধৰ্মপৰায়ণ মহিলা আছিল। মাক-দেউতাকৰ ব্যক্তিত্বই বিবেকানন্দৰ জীৱনত গভীৰ প্ৰভাৱ পেলাইছিল।

যুৱশক্তিৰ বাবে আদৰ্শ, স্বামী বিবেকানন্দৰ জীৱন আছিল সকলোৰে বাবে প্ৰেৰণাদায়ক। তেওঁ কেৱল উচ্চ শিক্ষাৰেই শিক্ষিত নাছিল, বৰঞ্চ পাঠ্যোত্তৰ কাম-কাজ যেনে, শাস্ত্ৰীয় গায়ন-বায়ন, মল্লযুদ্ধ, শৰীৰ চৰ্চা আৰু জিমনাষ্টিকছতো তেওঁৰ প্ৰগাঢ় ৰাপ আছিল। তেওঁ হিন্দু ধৰ্মগ্ৰন্থ, পুৰাণ, ৰামায়ণ, শ্ৰীমদ্ভাগৱতগীতা, মহাভাৰত, উপনিষদ, বেদ, পাশ্চাত্য দৰ্শন, ইতিহাস তথা আধ্যাত্মিকতাৰ অধ্যয়ন কৰিছিল। আজিৰ যুগৰ বিদ্যাৰ্থীসকলে শৈক্ষিক আৰু পাঠ্যোত্তৰ কাম-কাজ একেলগে চলাই নিয়াত এক ধৰণৰ অসুবিধা আৰু জটিলতা অনুভৱ কৰে। কিন্তু স্বামী বিবেকানন্দই মেট্ৰ'পলিটান প্ৰতিষ্ঠান, প্ৰেছিডেন্সী কলেজ, কলিকতাৰ দৰে খ্যাতিসম্পন্ন মহাবিদ্যালয়ত কৰা অধ্যয়নৰ লগে লগে কলাত স্নাতক উপাধিৰ বাবে স্কটিছ চাৰ্চ কলেজ, কলিকতাৰপৰা উৎকৃষ্ট অধ্যয়নবোৰ উদাহৰণ দাঙি ধৰিছিল। লগতে তেওঁ নিজৰ অভিৰুচি অনুসাৰে আন কাম-কাজবোৰো চলাই নিছিল।

### প্ৰাসংগিকতা

**বিবেকানন্দৰ মানসিক, শাৰীৰিক আৰু আধ্যাত্মিক চিন্তাই যুৱশক্তিক লৈ যাব পাৰে সফলতাৰ নতুন শিখৰলৈ। সমগ্ৰ বিশ্বতে দেখা দিয়া ৰাজনৈতিক অশান্তিৰ পৰিপ্ৰেক্ষিতত বিশ্ববন্ধুত্ব আৰু আত্মজাগৃতিৰ সন্দৰ্ভত তেওঁৰ বাণী আজিও প্ৰাসংগিক হৈ আছে। তেওঁ দিয়া শিক্ষা সকলোৰে বাবে প্ৰেৰণাৰ উৎস, আৰু তেওঁৰ বাণী যুৱক-যুৱতীসকলৰ আত্ম-উত্থানৰ আধাৰ হৈ উঠিব পাৰে।**



## ৰাষ্ট্ৰ আৰু যুৱশক্তিৰ সন্দৰ্ভত স্বামী বিবেকানন্দৰ চিন্তা

দৰিদ্ৰতাৰ মাধমাৰত পীড়িত সমাজৰ বেদনাই ব্যথিত কৰা স্বামী বিবেকানন্দই অনুভৱ কৰিছিল যে শিক্ষাই হ'ল সামাজিক পৰিৱৰ্তন তথা সমৃদ্ধিৰ সঁচাৰ কাঠি। তেওঁ বিচাৰিছিল শিক্ষা প্ৰণালীয়ে ব্যক্তিক কেৱল আত্মনিৰ্ভৰ কৰি তুলিলেই নহ'ব, বৰঞ্চ তেওঁক আত্মসন্মান আৰু স্বাৱলম্বনৰ পাঠো প্ৰদান কৰিব পাৰিব লাগিব। তেওঁৰ মতে শিক্ষা কেৱল তথ্যৰ সংকলন নহয়, বৰঞ্চ শিক্ষাই অৱদান যোগোৱা উচিত এটা অৰ্থপূৰ্ণ, সুচৰিত্ৰসম্পন্ন জীৱন কটোৱাত আৰু সমাজ গঢ়াত। তেওঁ শিক্ষাদানৰ মহান কাৰ্য্যত ব্ৰতী হ'বলৈ যুৱকসকলক আহ্বান জনাইছিল। স্বামী যেতিয়া 1893 চনত আন্তঃৰাষ্ট্ৰীয় ধৰ্ম সংসদত ভাগ ল'বলৈ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈছিল তেতিয়া তেওঁ এজন ভাৰতীয় যুৱকলৈ লিখিছিল: "এই ভূমিত ক্ষুধা আৰু শীতত মোৰ মৃত্যু হ'ব পাৰে, কিন্তু হে যুৱক, মই তোমাক নিৰ্ধন, অশিক্ষিত আৰু দলিতসকলৰ বাবে সংঘৰ্ষ কৰা আৰু তেওঁলোকৰ প্ৰতি সহানুভূতি ৰখাৰ দায়িত্ব অৰ্পণ কৰিব খুজিছোঁ। সংকল্প কৰা যে প্ৰতিদিনে দুখ-দুৰ্গতিৰ মুখামুখি হ'বলগীয়া এই 30 কোটি জনতাৰ কল্যাণৰ বাবে তুমি তোমাৰ সমগ্ৰ জীৱন সমৰ্পিত কৰিবা।" তেওঁ বিশ্বাস কৰিছিল যে যুৱাৱস্থাই হ'ল জীৱনৰ সৰ্বাধিক মূল্যৱান আৰু সৰ্বোত্তম সময়। ইয়াৰ এই মূল্য না প্ৰকাশ কৰিব পাৰি না জুখিব পাৰি। প্ৰসন্নতা, সফলতা, সন্মান আৰু প্ৰসিদ্ধি নিৰ্ভৰ কৰে জীৱনৰ এইছোৱা কালত চলোৱা প্ৰয়াসৰ ওপৰত। তেওঁৰ মতে যুৱশক্তি হ'ল একো একোটা বিকাশ-স্তম্ভ। যুৱাৱস্থাৰ সময় যে বিশিষ্ট আৰু সাহসপূৰ্ণ হয় সেই কথা যুৱক-যুৱতীসকলে হৃদয়ঙ্গম কৰাটোৱেই তেওঁ কামনা কৰিছিল। স্বামী বিবেকানন্দৰ এই শক্তিশালী শিক্ষাৰ কাৰণেই ভাৰত চৰকাৰে তেওঁৰ জন্মতিথি 12 জানুৱাৰীৰ দিনটো ৰাষ্ট্ৰীয় যুৱ দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত লয়।

স্বামী বিবেকানন্দ আছিল এজন মহান অনুপ্ৰেৰণাদাতা। যুৱশক্তিক তেওঁ আত্মবিশ্বাসী হ'বলৈ আহ্বান জনাই কৈছিল: "তুমি তেতিয়ালৈকে ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখিব নোৱৰা যেতিয়ালৈকে তোমাৰ নিজৰ ওপৰত বিশ্বাস নহয়।" তেওঁ বিচাৰিছিল যুৱশক্তিয়ে "অনুভৱ" কৰাৰ যোগ্যতা ধাৰণ আৰু পোষণ কৰক। তেওঁ দিছিল তিনিটা P ৰ মন্ত্ৰ — Purity (পবিত্ৰতা), Patience (ধৈৰ্য্য) আৰু Perseverance (দৃঢ়তা)। আজিৰ যুৱক-যুৱতীয়ে সমাজত ইতিবাচক প্ৰভাৱ পেলাবলৈ হ'লে তেওঁলোকে এই তিনিটা গুণ আহৰণ কৰাটো প্ৰয়োজনীয়। তেওঁলোকৰ সফলতাৰ বাবে দিয়া এই তিনিটা পৰামৰ্শ বাস্তৱিকতে আত্মীয়, চকু মেল খোৱাৰ পৰা বিধৰ আৰু অতিশয় প্ৰাসংগিক।

"এটা চিন্তা লওক। সেই চিন্তাকে নিজৰ জীৱন কৰি লওক। তাৰ মনন কৰক, তাৰ সপোন দেখক আৰু সেই চিন্তাকে সাৱটি লৈ জীয়াই থাকক। মস্তিষ্ক, মাংসপেশী, স্নায়ু আৰু শৰীৰ, এই আটাইবোৰ এইটো চিন্তাৰেই ভৰাই পেলাওক, বাকী আটাইবোৰ চিন্তা পৰিত্যাগ কৰক। এইটোৱেই হ'ল সফলতাৰ বাট।" যিজন ব্যক্তিয়ে স্বামী বিবেকানন্দৰ এই কথনৰ ওপৰত বিশ্বাস ৰাখি তাৰ অনুসৰণ কৰে তেওঁৱেই যুগান্তকাৰী ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰে। আজিৰ যুৱশক্তি হ'ল দেশৰ মহানতম পুঁজি আৰু নিধি। তেওঁলোকৰ শক্তি, আশা, ভাৱনা, আদৰ্শ, উৎসাহ আৰু আশাবাদী দৃষ্টিভংগীয়ে দেশক আকৌ এবাৰ লৈ যাব পাৰে প্ৰাচীন গৌৰৱ, শক্তি আৰু সমৃদ্ধিলৈ। তেওঁ কৈছিল যে যুৱশক্তিয়েহে সাধাৰণ জনতাক শিক্ষিত আৰু অনুপ্ৰাণিত কৰিব পাৰে। এইটো শ্ৰেণীয়েই ৰাইজৰ আধ্যাত্মিক চেতনা জাগ্ৰত কৰিব পাৰে আৰু তেওঁলোকক নিজৰ গৌৰৱ, যোগ্যতা তথা ক্ষমতা অনুভৱ কৰিবলৈ উদ্বুদ্ধ কৰিব পাৰে।♦

**ৰাষ্ট্ৰ আৰু যুৱশক্তিৰ সন্দৰ্ভত স্বামী বিবেকানন্দৰ চিন্তা**

দৰিদ্ৰতাৰ মাধমাৰত পীড়িত সমাজৰ বেদনাই ব্যথিত কৰা স্বামী বিবেকানন্দই অনুভৱ কৰিছিল যে শিক্ষাই হ'ল সামাজিক পৰিৱৰ্তন তথা সমৃদ্ধিৰ সঁচাৰ কাঠি। তেওঁ বিচাৰিছিল শিক্ষা প্ৰণালীয়ে ব্যক্তিক কেৱল আত্মনিৰ্ভৰ কৰি তুলিলেই নহ'ব, বৰঞ্চ তেওঁক আত্মসন্মান আৰু স্বাৱলম্বনৰ পাঠো প্ৰদান কৰিব পাৰিব লাগিব। তেওঁৰ মতে শিক্ষা কেৱল তথ্যৰ সংকলন নহয়, বৰঞ্চ শিক্ষাই অৱদান যোগোৱা উচিত এটা অৰ্থপূৰ্ণ, সুচৰিত্ৰসম্পন্ন জীৱন কটোৱাত আৰু সমাজ গঢ়াত।



# চৰ্দাৰ বল্লভভাই পেটেল

# ৰাষ্ট্ৰৰ কল্পনা

**ধৰ্মৰ পথ বাচি লোৱা অৰ্থাৎ সত্য আৰু ন্যায়ৰ পথত চলা, নিজৰ পৰাক্ৰমৰ দুৰ্প্ৰয়োগ নকৰিবা। সংগঠিত হৈ থাকা। সম্পূৰ্ণ বিনম্ৰতাৰ সৈতে আগবাঢ়ি যোৱা, কিন্তু সেইবোৰ পৰিস্থিতিৰ প্ৰতি সজাগ হৈ থাকা, যিবোৰৰ তুমি মুখামুখি হ'ব লাগিব। নিজৰ অধিকাৰ আৰু দৃঢ়তাত অটল হৈ থাকা।**



দেশৰ প্ৰথম উপ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলে স্বতন্ত্ৰ ভাৰত সন্দৰ্ভত কৰা কল্পনাই এই শক্তিশালী নেতাগৰাকীৰ বিষয়ে বহুখিনি কথা ব্যক্ত কৰে। ভাৰতৰ ৰাজনৈতিক ইতিহাসৰ এই অদ্ভুত ব্যক্তিত্ব, স্বাধীনতাৰ পাছত 562 খন দেশীয় ৰাজ্যৰ ভাৰতীয় গণৰাজ্যত চামিল কৰাৰ দৰে দুৰূহ ক'মৰ নায়ক আছিল। তেওঁৰ হস্তক্ষেপ তথা সামৰিক কৌশল অবিহনে এই কাম অসম্ভৱ আছিল। এই অদ্বিতীয় অৱদানৰ বাহিৰেও ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁৰ বহুমুখী অৱদান আছিল। এজন অধিবক্তা আৰু ৰাজনীতিক ৰূপে তেওঁ মহাত্মা গান্ধীৰ মূলনীতি আৰু ভাবাদৰ্শৰদ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হৈছিল। তেওঁ না কেৱল প্ৰশাসনিক যোগ্যতাত, বৰঙ সেইবোৰ গুণতো শ্ৰেষ্ঠ আছিল যিবোৰ আছিল ভাৰতৰ প্ৰাচীন ঐতিহ্যৰ অংশ, যেনে, ত্যাগ আৰু নিস্বাৰ্থ সেৱা। এই কথা তেওঁ সেই সময়ত প্ৰমাণ কৰি দেখুৱাইছিল যেতিয়া তেওঁ জনতাৰ প্ৰথম পছন্দ হোৱা সত্বেও, মহাত্মা গান্ধীৰ অনুৰোধমৰ্মে কংগ্ৰেছৰ অধ্যক্ষ পদৰ প্ৰাৰ্থীত্বৰপৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছিল। ৰাষ্ট্ৰ নিৰ্মাণৰ অটল আৰু অক্লান্ত প্ৰয়াসৰ বাবেই তেওঁক ভাৰতৰ লৌহ পুৰুষ উপাধি প্ৰদান কৰা হৈছিল। নিজৰ যোদ্ধা পিতা ঝাৱেৰভাই পেটেল (যি ঝান্সীৰ ৰাণীৰ সেৱাৰত আছিল) আৰু আধ্যাত্মিক মাক লাডবাইৰপৰা চৰ্দাৰ বল্লভভাই পেটেলে এজন সৈনিক-সন্তৰ গুণবোৰ আহৰণ কৰিছিল উত্তৰাধিকাৰী হোৱাৰ সূত্ৰে।

1917 চনত, চৰ্দাৰ বল্লভভাই পেটেল ভাৰতীয় জাতীয় কংগ্ৰেছৰ গুজৰাট শাখাৰ সচিব নিৰ্বাচিত হৈছিল। 1918 চনত তেওঁ খেড়াত "কৰ নিষেধ আন্দোলন"ৰ (No Tax campaign)





ভাৰতীয় সংসদক সম্বোধি দিয়া ভ'ষণত সৰ্দাৰ পেটেল



পেপচুৰ ৰাজপ্ৰমুখ হিচাপে পাটিয়ালাৰ মহাৰাজক শপত বাক্য পাঠ কৰোৱা অৱস্থাত সৰ্দাৰ পেটেল



1950 চনৰ মেই মাহত কেপ কোমোৰিনৰ কল্যাণপুৰী মন্দিৰত ট্ৰাভাংকোৰ-কোচিন সংযুক্ত ৰাজ্যৰ প্ৰধানমন্ত্ৰী টী কে নাৰায়ণ পিল্লাইৰ সৈতে চৰ্দাৰ বল্লভভাই পেটেল

নেতৃত্ব প্ৰদান কৰিছিল আৰু কৃষকসকলক কৰ নিদিবলৈ আহ্বান জনাইছিল, কাৰণ ইংৰাজ প্ৰশাসনে বানপানী সত্ত্বেও কৰ আদায় কৰাৰ ওপৰত জোৰ দিছিল। এই শান্তিপূৰ্ণ আন্দোলনে কৃষকৰপৰা বলপূৰ্বকভাৱে অধিকাৰ কৰি লোৱা মাটি ঘূৰাই দিবলৈ ব্ৰিটিছ প্ৰশাসনক বাধ্য কৰিছিল। চৰ্দাৰ বল্লভভাই পেটেলে গান্ধীজীৰ সৈতে সমগ্ৰ ৰাষ্ট্ৰ ভ্ৰমণ কৰি তিনি লাখৰো অধিক স্বেচ্ছাসেৱক ভৰ্ত্তি কৰিছিল। ইয়াৰ বাহিৰেও তেওঁ 15 লাখ টকাৰো অধিক ধনৰাশি সংগ্ৰহ কৰাত সহযোগ কৰিছিল।

## এখন শক্তিশালী ৰাষ্ট্ৰৰ কল্পনা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অলপতে চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতি কৃতজ্ঞতা নিবেদন কৰি কৈছিল যে এইটো চৰ্দাৰ বল্লভভাই পেটেলৰ ৰাজনৈতিক চিন্তা আৰু দক্ষতাৰে পৰিণাম যে ভাৰত আজি এখন সংগঠিত দেশ হৈ থাকিব পাৰিছে, কিন্তু ইংৰাজ শাসকে বিচাৰিছিল ভাৰত স্বাধীনতাৰ পাছত সৰু সৰু ৰাজ্যত বিভক্ত হওক। ভাৰতৰ বীৰ যোদ্ধা চৰ্দাৰ পেটেলে ভাৰতক এখন মজবুত ৰাষ্ট্ৰ হিচাপে চাব খুজিছিল যি বাহিৰৰপৰা অহা বিপদ আৰু অন্তৰ্বিৰোধৰ সময়ত সুৰক্ষিত হৈ থাকিব পাৰে। এই ৰাষ্ট্ৰক ব্ৰিটিছৰ দৰে শক্তিশালী শাসক আৰু ৰক্ষ দেশীয় ৰাজ্যৰ ৰজাসকলৰ কবলৰপৰা মুক্ত কৰিবলৈ তেওঁ কৰা অক্লান্ত প্ৰচেষ্টা অত্যন্ত প্ৰশংসনীয় আছিল।

পৰিস্থিতিজনিত সংকটৰ সময়ত ন্যায় প্ৰদানৰ তীক্ষ্ণ ক্ষমতা, এবা-ধৰাৰ মাজেদি ৰাজনৈতিক দ্বন্দ্বৰ মীমাংসা কৰা আৰু লক্ষ্যপ্ৰাপ্তিৰ পথত দুৰন্ত সাহস তেওঁৰ কেইটামান অদ্বিতীয় গুণ আছিল। স্বাধীনতা সংগ্ৰামত আৰু তাৰপাছতো, তেওঁৰ সক্ৰিয় সহযোগ অবিহনে, আজি আমি বাস কৰা ভাৰত এখন সপোনৰ দেশেই হৈ থাকিলহেঁতেন। এইখন ৰাষ্ট্ৰক এখন মহান গণতন্ত্ৰৰূপে গঢ়ি তোলাত তেওঁৰ অৱদানৰ কথা মনত ৰাখিয়েই ভাৰত চৰকাৰে আমেৰিকাৰ Statue of Liberty ৰ আহিত চৰ্দাৰ পেটেলৰ প্ৰতিমা (যাৰ নাম দিয়া হৈছে একতাৰ প্ৰতিমা বা Statue of Unity) স্থাপনকল্পে 200 কোটি টকা মুকলি কৰি দিছে। চৰকাৰৰ এই উচ্চাকাংখী যোজনাৰ উদ্দেশ্য হ'ল চৰ্দাৰ পেটেলৰ "এখন ৰাষ্ট্ৰ, এটা সংস্কৃতি আৰু এটা জাতি" ৰ অৱধাৰণা শক্তিশালী কৰি তোলা। বাস্তৱিকতে চৰ্দাৰ পেটেলে দেখা এই আধুনিক ভাৰতৰ সপোন, দেশভক্তিৰ সৈতে সম্পৰ্কিত তেওঁৰ আটাইবোৰ ক্ষেত্ৰত পৰিলক্ষিত হয়।

প্ৰকৃতাৰ্থত, চৰ্দাৰ পেটেলৰ উল্লেখ অবিহনে আধুনিক ভাৰতীয় ইতিহাসেই হে পৰে অসম্পূৰ্ণ। এখন শক্তিশালী ভাৰতৰ বাবে তেওঁ দেখা সপোনৰ প্ৰধান সূত্ৰসমূহ হ'ল – বাহিৰা শক্তিৰপৰা দেশ সুৰক্ষিত কৰিবলৈ সুদৃঢ় সৈন্য শক্তি, ৰাষ্ট্ৰক আৰ্থিক সমৃদ্ধি প্ৰদানৰ নিমিত্তে ব্যক্তিগত খণ্ডৰ সবলীকৰণ কৰাৰ আঁচনি আৰু সাধাৰণ জনতা উপকৃত হোৱাকৈ



গুজৰাটৰ খেড়া জিলাৰ কাড়ামুড়ত নিজৰ স্কুলীয়া দিনৰে বৰ সময়ত বল্লভভাই পেটেল



"আমি যদি আজি ভাৰতত গৰ্বেৰে বাস কৰিছোঁ আৰু স্বাভিমানত যদি আমি আমাৰ শিৰ ওখ কৰি ৰাখিব পাৰিছো তেন্তে সেইটো সম্ভৱ হৈছে চৰ্দাৰ পেটেলৰ বাবেই"

নৰেন্দ্ৰ মোডী
প্ৰধানমন্ত্ৰী

সক্ৰিয় গণসেৱা তন্ত্ৰৰ জৰিয়তে দক্ষ প্ৰশাসন ব্যৱস্থাৰ লাভ প্ৰতিজন লোকৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়াস। আজি ৰাষ্ট্ৰই স্বাধীন ভাৰতৰ প্ৰথম উপ প্ৰধানমন্ত্ৰী তথা গৃহমন্ত্ৰীৰ এইবোৰ পথ-নিৰ্দেশ অনুসৰণ কৰিয়েই প্ৰগতিৰ পথত বাট বুলিছে। ভাৰতমাতাৰ এই সুযোগ্য সন্তানে 1950 চনত শেষ নিশ্বাস ত্যাগ কৰে। এই অক্লান্ত কৰ্মী তথা অসাধাৰণ ভৱিষ্যদ্ৰষ্টাৰ স্মৃতি অক্ষুণ্ণ ৰাখিবলৈকে ভাৰত চৰকাৰে তেওঁৰ জয়ন্তী ৰাষ্ট্ৰীয় একতা দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত লয়। 142 সংখ্যক জয়ন্তী "Run for Unity" সমাৰোহৰ জৰিয়তে উৎসাহ-উদ্দীপনাৰে পালন কৰা হয়। এই উপলক্ষ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কয়, "চৰ্দাৰ পেটেলৰ গুৰুত্বপূৰ্ণ সেৱা আৰু অবিস্মৰণীয় অৱদানৰ কথা ৰাষ্ট্ৰই কেতিয়াও পাহৰিব নোৱাৰে।"

## বাৰডোলী সত্যাগ্ৰহ

বাৰডোলী সত্যাগ্ৰহৰ সফলতাই চৰ্দাৰ বল্লভভাই পেটেলৰ ৰাজনৈতিক জীৱনক

এটা নতুন দিশ প্ৰদান কৰে। এই সত্যাগ্ৰহ আন্দোলন ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত ঘটা এটা ডাঙৰ ঘটনা আছিল। 1928 চনত ব্ৰিটিছ শাসকসকলে গুজৰাট ৰাজ্যৰ চুৰাট জিলাৰ বাৰডোলী তালুকত মাটিৰ খাজনা বঢ়াই দিছিল। আজি ই গুজৰাটৰ এখন ঐতিহাসিক চহৰ। বাৰডোলীৰ সৈতে চৰ্দাৰ পেটেলৰ আছিল প্ৰাণৰ টান। বাস্তৱিক সংকট: 1925 চনত বাৰডোলী আকাল তথা বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্য্যোগত জুৰুলা হৈছিল। ইয়াৰ ফলত ফচলৰ ব্যাপক ক্ষতি হৈছিল আৰু কৃষকসকলৰ গুৰুতৰ বিত্তীয় সংকটত ভুগিছিল। বম্বে প্ৰেছিডেন্সীৰ চৰকাৰে তেওঁলোকলৈ সহায়ৰ হাত আগ নবঢ়াই, সেই বছৰেই খাজনাৰ দৰ 30% বৃদ্ধি কৰিছিল। চৰকাৰৰ এই পদক্ষেপে কৃষকসকলক বিক্ষুব্ধ কৰিছিল কাৰণ কৰ আদায় দিব পৰাকৈ তেওঁলোকৰ হাতত পৰ্য্যাপ্ত ধন নাছিল। নৰহৰি পাৰীক, ৰবি শংকৰ ব্যাস, মোহন লাল পাণ্ডুয়া আদি কৰ্মকৰ্ত্তাসকলে এই অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ কৃষকসকলক বুজাইছিল যদিও এই কামত তেওঁলোক সফল হ'ব পৰা নাছিল। তেতিয়া তেওঁলোকে সেই সময়ৰ গুজৰাটৰ সবাতোকৈ শক্তিশালী স্বাধীনতা সেনানী চৰ্দাৰ পেটেলক লগ ধৰিছিল।

চৰ্দাৰ পেটেলে কৰ্মকৰ্ত্তাসকলক কৈছিল যে গাওঁবাসীৰ পূৰ্ণ সহযোগ অবিহনে এই বিদ্ৰোহ সফল হ'ব নোৱাৰে। চৰ্দাৰ পেটেলে এই বিষয়ত মহাত্মা গান্ধীৰ পৰামৰ্শ লৈছিল, কিন্তু মহাত্মা গান্ধীয়ে এই আন্দোলনৰ সমগ্ৰ দায়িত্ব চৰ্দাৰ পেটেলৰ হাতত ন্যস্ত কৰিছিল কাৰণ চৰ্দাৰ পেটেলৰ ক্ষমতাৰ ওপৰত গান্ধীজীৰ আছিল অগাধ বিশ্বাস।



প্ৰস্তাৱিত STATUE OF UNITY

এই কথাত গান্ধীজী আৰু পেটেলৰ মাজত ঐকমত্য আছিল যে এই বিদ্ৰোহৰ সম্পূৰ্ণ দায়িত্ব বাৰডোলীৰ ৰাইজৰ হাতত অৰ্পণ কৰা উচিত।

ইংৰাজ চৰকাৰে বাৰডোলীৰ লোকসকলৰ ঘৰ আৰু ভূসম্পত্তি বাজেয়াপ্ত কৰি বিক্ৰী কৰাৰ কাম আৰম্ভ কৰিছিল। অনুমান কৰা মতেই, এই ঘৰ আৰু ভূসম্পত্তি ক্ৰয় কৰিবলৈ গুজৰাট বা আন ৰাজ্যৰ কোনো লোক আগবাঢ়ি অহা নাছিল। চৰ্দাৰ পেটেলে চৰকাৰৰ কাম-কাজৰ ওপৰত চকু ৰাখিবলৈ প্ৰতিখন গাঁৱতেই স্বেচ্ছাসেৱকসকলক সংগঠিত কৰিছিল। ইংৰাজ চৰকাৰৰ এই কৃত কৰ্মৰ কঠোৰ সমালোচনা হৈছিল।



বাৰডোলী সত্যাগ্ৰহৰ পাছত চৰ্দাৰ পেটেল

অৱশেষত, 1928 চনত বম্বে চৰকাৰে বুজাবুজিৰ এখন খচৰা প্ৰস্তুত কৰে আৰু এই কথাত সন্মতি পোৱা যায় যে কেৱল ৰাজহৰ 30% বৃদ্ধি প্ৰত্যাহাৰ কৰাই নহয়, সেই বছৰ আৰু তাৰ পৰৱৰ্ত্তী বছৰ ৰাজহ সংগ্ৰহ কৰা নহ'ব।

কৃষকসকলে এই মহান সফলতাত বিজয় উৎসৱ পালন কৰে। চৰ্দাৰ পেটেলে সুনিশ্চিত কৰে যে প্ৰত্যেক কৃষকৰে ভূমি আৰু সম্পত্তি ঘূৰাই দিয়া হওক আৰু কোনো যাতে এনে ধৰণে সকাহ পোৱাৰপৰা বঞ্চিত হ'বলগীয়া নহয়।

চৰ্দাৰ পেটেলৰ নেতৃত্বত চলা বাৰডোলী সত্যাগ্ৰহ এটা ডাঙৰ সফলতা আছিল। এই আন্দোলনৰ লগে লগে চৰ্দাৰ পেটেলৰ ৰাজনৈতিক মৰ্য্যাদা আৰু বহু ওপৰলৈ উঠে আৰু সমাজৰ একেবাৰে নিম্ন পৰ্য্যায়তো বিদ্যমান তেওঁৰ প্ৰকৃত ছবিখনত তেওঁৰ বোধ আৰু নেতৃত্ব কুশলতা ইমানেই বেছি স্পষ্টৰূপত প্ৰতীয়মান হয় যে তেওঁক "চৰ্দাৰ" উপাধি প্ৰদান কৰা হয়।

বাৰডোলী সত্যাগ্ৰহৰ পাছত চৰ্দাৰ পেটেলে ভাৰতৰ স্বাধীতা সংগ্ৰামত আগশাৰীৰ নেতাসকলৰ সৈতে স্থান লাভ কৰে। তথাপিও তেওঁ এই আন্দোলনৰ কৃতিত্ব প্ৰদান কৰে গান্ধীজীয়ে প্ৰদান কৰা শিক্ষা আৰু নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ কৃষকসকলে প্ৰদৰ্শন কৰা কৃতসংকল্পতাক। সমগ্ৰ ৰাষ্ট্ৰৰ ৰাইজে তেওঁৰ নেতৃত্ব প্ৰদানৰ দক্ষতাক একমুখে স্বীকাৰ কৰিবলৈ ধৰে।

1930 চনত চৰ্দাৰ বল্লভভাই পেটেল সেই অগ্ৰণী স্বাধীনতা সংগ্ৰামীসকলৰ ভিতৰত অন্যতম আছিল যিসকলক গ্ৰেপ্তাৰ কৰা হৈছিল, মহাত্মা গান্ধীয়ে লোণ আইন ভংগ কৰি কৰা আন্দোলনত ভাগ লোৱাৰ বাবে। তেওঁ নিজৰ ভাষণৰদ্বাৰা ৰাইজক এই ধৰণে অনুপ্ৰাণিত কৰিছিল যে বেছিভাগ লোকেই তেওঁলোকৰ দৃষ্টিভংগী সলনি কৰি এই মহাসমৰত জঁপিয়াই পৰিছিল। ♦



1948 চনত আহমেদাবাদ বিমান বন্দৰত গাৰ্ড অৱ অনাৰ নিৰীক্ষণ কৰা অৱস্থাত চৰ্দাৰ পেটেল

# গ্ৰাম পঞ্চায়ত বিকাশ পৰিকল্পনা (GPDP)

## গ্ৰাম পঞ্চায়ত বিকাশ পৰিকল্পনাৰ শুভাৰম্ভ আৰু পঞ্চায়তীৰাজ সংস্থাসমূহৰ সামৰ্থ্য বিকাশ যোজনাসমূহত প্ৰাণসঞ্চাৰ

# সফলতাৰ কাহিনী

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ 243 জী অনুসাৰে, পঞ্চায়তসমূহ হ'ল স্বায়ত্বশাসিত সংস্থা। অৰ্থনৈতিক বিকাশ আৰু সামাজিক ন্যায়ৰ হকে যোজনা তৈয়াৰ কৰৰ পূৰ্ণ অধিকাৰ সিবিলাকৰ আছে। স্থানীয় চৰকাৰ হিচাপে লাভ কৰা ক্ষমতাৰ অধীনত, পঞ্চায়তসমূহে স্থানীয় লোকসকলক মৌলিক সা-সুবিধাসমূহ আৰু নিৰ্ধন তথা নিস্পেষিত লোকসকলক সুৰক্ষা প্ৰদান কৰাৰ দায়িত্ব পালন কৰিব লাগে। চতুৰ্দশ বিত্ত আয়োগে এই কথা প্ৰয়োজনীয় কৰি তুলিছিল যে পঞ্চায়তীৰাজ মন্ত্ৰালয়ে ৰাজ্য চৰকাৰসমূহ তথা পঞ্চায়তসমূহৰ সৈতে লগলাগি কাম কৰাৰ নতুন ৰণনীতি গঢ়ি তোলক। এই কথা সুনিশ্চিত কৰাটো মন্ত্ৰালয়ৰ দায়িত্ব যে গ্ৰাম পঞ্চায়তসমূহে এইখিনি ধনৰ সঠিক প্ৰয়োগ কৰক, অৱশ্যে এই দায়িত্ব ঘাইকৈ ৰাজ্য চৰকাৰসমূহে পালন কৰিব লাগে। এই বিশাল ধনৰাশিৰ ব্যৱস্থাপনাৰ অনেক পূৰ্বচৰ্ত্তৰ ভিতৰত এইটোও এটা যে গ্ৰাম পঞ্চায়ত স্তৰত এক সুদৃঢ় বিকাশ যোজনা গঢ়ি তোলা।

এই যোজনা গঢ়ি তুলিব লাগিব অংশগ্ৰহণমূলক যোজনা হিচাপে য'ত স্থানীয় সম্প্ৰদায়, বিশেষভাৱে গ্ৰাম সভাসমূহ চামিল হ'ব পাৰে, যাতে সংবিধানৰ 243জী অনুচ্ছেদ অনুসাৰে সামাজিক ন্যায় আৰু আৰ্থিক বিকাশ সুনিশ্চিত কৰিব পৰা যায়।

এই তথ্য মনত ৰাখিয়েই পঞ্চায়তীৰাজ মন্ত্ৰালয়ে অংশগ্ৰহণমূলক নিয়োজন আৰু শাসনৰ বাবে বিত্ত আয়োগৰদ্বাৰা দিয়া হোৱা এই পৰামৰ্শ গঠনমূলক হস্তক্ষেপৰ এটা সুযোগৰূপে গ্ৰহণ কৰিছে। আশা কৰা হৈছে যে ইয়াৰদ্বাৰা স্থানীয় অগ্ৰাধিকাৰসমূহ স্বচ্ছত আৰু উত্তৰদায়িত্বসহকাৰে পূৰ্ণ ৰূপত ৰূপায়িত কৰাৰ বাবে প্ৰাপ্ত ধন বেছি ভালকৈ ব্যৱহাৰ কৰিব পৰা যাব আৰু ইয়াৰ ফলত এটা উন্নততৰ পৰিৱেশ সৃষ্টি হ'ব। ইয়াৰদ্বাৰা গ্ৰাম পঞ্চায়ত স্তৰত প্ৰকল্পসমূহৰ বিকাশ তথা কাৰ্য্যৰূপায়ণৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ মাজত উন্নততৰ সমন্বয় সম্ভৱ হ'ব।

এইদৰেই বাৰ্ষিক গ্ৰাম পঞ্চায়ত বিকাশ যোজনাৰ ৰূপৰেখা তৈয়াৰ কৰা হয়। এই কাম সম্পন্ন কৰাৰ সবাতোকৈ সুগম উপায় হ'ল আমি একজোঁট হোৱা, ইজনে আনজনক নিজৰ অভিজ্ঞতাৰ কথা জানিবলৈ দিয়া আৰু সৰ্বসন্মতিক্ৰমে পথ-নিৰ্দেশনা যুগুত কৰা যিটো কোনো ৰাজ্যবিশেষৰ বাবে সবাতোকৈ বেছি সুবিধাজনক হয়।

এইদৰে পাঁচ দিনৰ এটা কৰ্মশালাত পৰামৰ্শ আৰু আলাপ-আলোচনাৰ জৰিয়তে গ্ৰাম পঞ্চায়ত বিকাশ যোজনাৰ এটা ৰূপৰেখা তৈয়াৰ কৰা হয়, আৰু নিজ নিজ প্ৰয়োজন তথা স্থানীয় বাস্তৱিকতা অনুসাৰে এই ৰূপৰেখাত যথাযথ পৰিৱৰ্ত্তন সাধিবলৈ ৰাজ্য চৰকাৰসমূহক অধিকাৰ দিয়া হয়।



**গ্ৰাম পঞ্চায়ত বিকাশ যোজনা চক্ৰৰ এইকেইটা উপাংশৰ ওপৰত আলোকপাত কৰা হয়ঃ**

- জীপীডীপীৰ বাবে বাতাবৰণ গঢ়ি তোলা আৰু সামুদায়িক অংশগ্ৰহণ।
- অংশগ্ৰহণমূলক যোজনা দলসমূহৰ চিনাক্তকৰণ তথা সহযোগী গঠনসমূহ সুব্যৱস্থিত কৰা।
- সম্পা আৱৰণৰ (Resource Envelop) নিৰ্দ্ধাৰণ।
- পৰিস্থিতিৰ বিশ্লেষণ আৰু প্ৰয়োজনসমূহৰ মূল্যাংকন।
- গ্ৰামসভাৰ বাবে সামূহিক দৃষ্টিৰ নিৰ্মাণ
- গ্ৰাম পঞ্চায়ত স্তৰত যোজনা বিকশিত কৰা আৰু তাক অন্তিম ৰূপ দিয়া।
- জীপীডীপীৰ মূল্যাংকন আৰু অনুমোদনৰ বাবে ক্ৰিয়াবিধিৰ নিৰ্দ্ধাৰণ
- বিভাগসমূহৰ মাজত সহায়তা প্ৰণালী (Support System) আৰু অভিসৰণ ক্ৰিয়াবিধি (Convergence mechanism) নিৰ্দ্ধাৰণ।
- জীপীডীপীৰ কাৰ্য্যৰূপায়ণ
- নিৰীক্ষণ আৰু মূল্যাংকন
- দায়িত্ব নিৰ্দ্ধাৰণ নীতি
- বহু পৰ্য্যায়ৰ সম্পদ বৈক্তিক সহায়তা নেটৱৰ্কৰ (Resource Person Support Network) বিকাশ।
- নিৰ্বাচিত প্ৰতিনিধি, বিষয়া আৰু সামাজিক গোটসমূহকে ধৰি সমস্ত হিতধাৰকক (Stake holders)

সন্মিলিত কৰি সামৰ্থ্য বিকাশৰ যোজনাৰ শুভাৰম্ভ।

ৰাজ্য চৰকাৰসমূহে কৰ্মশালাৰ পৰিণতিসমূহ আৰু অধিক পৰিমাৰ্জিত কৰে যাতে “মোৰ গাওঁ, মোৰ যোজনা”ৰ অৱধাৰণাৰ অনুৰূপ হোৱাকৈ ইয়াক কাৰ্য্যৰূপায়িত কৰিব পৰা যায়।

গ্ৰাম পঞ্চায়ত বিকাশ পৰিকল্পনাৰ সামৰ্থ্য বিকাশ প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজন হ'ল সামৰ্থ্য বিকাশ তথা প্ৰশিক্ষণৰ নতুন নতুন উপায় যাতে এই যোজনাৰ প্ৰক্ৰিয়াত পঞ্চায়ত সমিতিসমূহ আৰু সামাজিক সমুদায় এই দুয়োটাৰে উন্নততৰ অংশগ্ৰহণ সুনিশ্চিত কৰিব পৰা যায়। মন্ত্ৰালয়ৰ সামৰ্থ্য বিকাশ যোজনাক, গ্ৰাম পঞ্চায়ত বিকাশ পৰিকল্পনাৰ ওপৰত কেন্দ্ৰীভূত কৰিবৰ বাবে পুনৰ্গঠিত কৰা হৈছে।

সম্প্ৰতি গ্ৰাম পঞ্চায়ত থকা সমূহ ৰাজ্যই গ্ৰাম পঞ্চায়ত বিকাশ যোজনাৰ বাবে নিজ নিজ প্ৰয়োজন অনুসাৰে পথ-নিৰ্দেশনা জাৰি কৰিছে। গ্ৰাম পঞ্চায়ত বিকাশ যোজনাৰ শুভাৰম্ভ কৰা হৈছে আৰু ই অবিৰত গতি লাভ কৰিছে। ইয়াত স্থানীয় লোকৰ অংশগ্ৰহণো ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে।

# আমাৰ যোজনা আমাৰ বিকাশ
# পঞ্চায়তীৰাজ বিভাগ, ঝাৰখণ্ড

গ্ৰাম পঞ্চায়ত বিকাশ যোজনাসমূহৰ উদ্দেশ্য হ'ল মহিলাসকল, দুৰ্বল পৰিয়ালসমূহ, যুৱক-যুৱতীসকল তথা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিসকলৰ সক্ৰিয় সহযোগিতাৰে স্থানীয় প্ৰশাসন ব্যৱস্থাৰ সবলীকৰণ কৰি পঞ্চায়তসমূহক আৰু অধিক প্ৰভাৱশালী কৰি তোলা। গ্ৰাম পঞ্চায়ত বিকাশ যোজনাৰ অক্ষৰ ৰূপত সূক্ষ্ম পৰিকল্পনাসমূহৰ লক্ষ্য প্ৰাপ্ত কৰাৰ বাবে আটাইবোৰ প্ৰয়াস চলোৱা হৈছে।

2015-16 চনত, “যোজনা তৈয়াৰ কৰক অভিযানে” প্ৰথমবাৰৰ বাবে গ্ৰাম পঞ্চায়তসমূহক সিবিলাকৰ বাবে সম্পূৰ্ণ বিকাশ যোজনা তৈয়াৰ কৰাৰ সুযোগ দিছিল। গ্ৰাম পঞ্চায়তসমূহৰ বাবে চতুৰ্দশ বিত্ত আয়োগে দিয়া পৰামৰ্শৱলী, যোজনা তৈয়াৰ কৰাৰ বাবে অনুপ্ৰেৰণা হৈ উঠিছিল। যোৱা বছৰ, অভিসৰণৰ (Convergence) ওপৰত ভিত্তি কৰি গ্ৰাম বিকাশ যোজনা তৈয়াৰ কৰা প্ৰথমখন ৰাজ্য হৈ উঠিছিল ঝাৰখণ্ড। একেলগ হোৱা দুটা প্ৰধান সম্পদ আৰৰণ আছিল বিত্ত আয়োগ আৰু মহাত্মা গান্ধী এনৰেগা। “যোজনা তৈয়াৰ কৰক অভিযান”ৰ প্ৰধান পৰিণামসমূহৰ ভিতৰত দেখা গৈছিল ই পঞ্চায়তসমূহক ইবিলাকৰ প্ৰয়োজনসমূহৰ প্ৰতি দায়বদ্ধ কৰি তুলিছিল আৰু পঞ্চায়তসমূহক বিকাশৰ বাবে প্ৰণালীবদ্ধ যোজনা প্ৰস্তুত কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

এই বছৰ যোজনা প্ৰক্ৰিয়াক আৰু অধিক প্ৰয়োজন-আধাৰিত কৰি তুলিবলৈ, স্থায়ী সমিতিসমূহ আৰু পঞ্চায়ত স্বেচ্ছাসেৱকসকলৰ মাজত সক্ৰিয় সহযোগিতা তথা অংশগ্ৰহণ সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছিল। সহায়তা দল অৰ্থাৎ যোজনা পঞ্চায়ত দলসমূহত পঞ্চায়ত স্বেচ্ছাসেৱক আৰু ৱাৰ্ড সদস্যসকল আছিল। গ্ৰাম সভাসমূহৰ স্থায়ী সমিতি সংশ্লিষ্ট গাওঁসমূহৰ পৰিস্থিতি বিশ্লেষণ কৰাত লাগি গৈছিল।

এই বছৰ গ্ৰাম পঞ্চায়ত বিকাশ যোজনাত এটা তিনিমুখীয়া ৰণনীতি কামত লগোৱা গৈছিল। প্ৰথমটো ৰণনীতিৰ অধীনত গ্ৰাম পঞ্চায়তত মালসূচী অনুসন্ধান ক্ৰিয়াৰ নিৰ্দ্ধাৰণ কৰা হৈছিল, যাৰ লক্ষ্য আছিল 2015-16 চনত লভ্য পুঁজি আৰু যোজনাসমূহৰ সমীক্ষা আৰু পঞ্চায়তসমূহৰ সাম্প্ৰতিক স্থিতিৰ বিশ্লেষণ। দ্বিতীয়টো ৰণনীতি আছিল পঞ্চায়ত ভৱিষ্য নিৰূপণ দৃষ্টি (ভিজন)। ইয়াৰ অধীনত বিকাশৰ আটাইবোৰ প্ৰক্ৰিয়াৰ ওপৰত মনোযোগ কেন্দ্ৰীভূত কৰাৰ লক্ষ্য ৰখা হৈছিল। য'তেই পঞ্চায়তৰ ভূমিকা দেখা গৈছিল তাতেই সংশ্লিষ্ট টিকি থাকিব পৰা বিকাশ লক্ষ্যসমূহ (SDGs) সন্নিৱিষ্ট কৰা হৈছিল। ৰাজ্যত গ্ৰাম পঞ্চায়ত বিকাশ যোজনা সফল কৰি তুলিবলৈ ৰাজ্যিক স্তৰত ব্যাপক মীডিয়া অভিযান চলোৱা হৈছিল। ইয়াৰপাছত জিলা, ব্লক তথা পঞ্চায়ত পৰ্য্যায়ত মিড-মীডিয়া কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল। হিতধাৰকসকলৰ বিভিন্ন গোটসমূহৰ প্ৰশিক্ষণো এটা গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী আৰু পঞ্চায়ত বিকাশ যোজনাৰ মেৰুদণ্ড জ্ঞান কৰা হৈছিল।

গ্ৰাম পঞ্চায়ত বিকাশ প্ৰক্ৰিয়াৰ অন্তিম আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছিল নিৰীক্ষণমূলক কাম-কাজসমূহ। এই বছৰ গ্ৰাম পঞ্চায়ত বিকাশ যোজনাত আটাইবোৰ বিভাগক সন্নিলিত কৰা হয়। মুখ্যমন্ত্ৰীৰ কাৰ্য্যালয়ৰপৰা সকলো মুখ্যসচিব/সচিব আৰু অন্যান্য বিষয়াসকলক নিৰ্দেশ দিয়া হয় যে তেওঁলোকে যাতে পঞ্চায়তসমূহত গ্ৰাম সভা গঢ়ি তোলে। গ্ৰাম সভাসমূহৰ নিৰীক্ষণ তথা সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ দায়িত্ব অৰ্পণ কৰা হয় সমূহ সাংসদ আৰু বিধায়কসকলক।

**যোজনাসমূহ**

ভৱিষ্য নিৰূপণ ব্যাপক ভিজনৰদ্বাৰা নিম্নলিখিত তিনিপ্ৰকাৰৰ যোজনা সামৰি লোৱা হৈছিল:

- চতুৰ্দশ বিত্ত আয়োগৰ অধীনস্থ যোজনাসমূহ;
- কম ব্যয়সাপেক্ষ বা ব্যয়ৰহিত যোজনাসমূহ; আৰু
- বিভিন্ন বিভাগৰ অধীনস্থ যোজনাসমূহ

# মুকুন্দপুৰ পাটনা গ্ৰাম পঞ্চায়ত উড়িছাৰ সফল প্ৰয়াস

উৎকৃষ্ট প্ৰচেষ্টাৰ এই উদাহৰণ ঘটাগাঁৱৰ মুকুন্দপুৰ গাওঁ পঞ্চায়তৰ। এই গাওঁখন আছে জনজাতীয় জিলা কেয়োঞ্জৰত য'ত মা তাৰিণীৰ পীঠো আছে। এই গ্ৰাম পঞ্চায়তৰ অধীনত আছে সাতখন ৰাজস্ব জিলা। গাওঁখনৰ মহিলাসকলে ইন্ধনৰ বাবে খৰি আৰু সৰু-সুৰা জংঘলী উৎপাদ একগোট কৰাৰ কাম কৰে আৰু বিকাশ প্ৰক্ৰিয়াৰ মুখ্যধাৰাৰপৰা তেওঁলোক আছে বহুত দূৰত। বাহিৰৰ পৃথিবীৰ সৈতে তেওঁলোকৰ আছে তেনেই নগণ্য সম্পৰ্ক। এই আটাইবোৰ অসুবিধা সত্বেও, কেইগৰাকীমান নিৰ্বাচিত মহিলা প্ৰতিনিধিয়ে গাওঁবাসীৰ সহযোগত গ্ৰাম পঞ্চায়তৰ আৰ্থিক স্বায়ত্ততাৰ বাবে উল্লেখযোগ্য প্ৰচেষ্টা চলাইছে। এই প্ৰক্ৰিয়াত মহিলা চৰপঞ্চৰ নেতৃত্বত আৰু এজন স্থানীয় সাংবাদিক, এজন অৱসৰপ্ৰাপ্ত শিক্ষক, এজন বয়োজ্যেষ্ঠ নাগৰিক আৰু নাগৰিক সমাজৰ এজন সদস্যৰ সহযোগিতাত পাঁচ গৰাকী সদস্যক লৈ সমিতি গঠন কৰা হয় যাতে পঞ্চায়তৰ বাবে অভ্যন্তৰীণ ৰাজস্ব বৃদ্ধিৰ যোজনা তৈয়াৰ কৰিব পৰা যায়। নৱনিৰ্বাচিত সমিতিৰ পৰামৰ্শ অনুযায়ী নিম্নলিখিত গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হয়:

- **নতুন বাহন ৰখাৰ স্থান:** মন্দিৰৰ চাৰিওফালে ক'তো বাহনৰ পাৰ্কিঙৰ বাবে থলী নিৰ্মাণ কৰা হোৱা নাছিল। ইয়াৰ ফলত যাতায়ত বাধাগ্ৰস্ত হৈছিল আৰু ভক্তসকলৰ বহুত অসুবিধা হৈছিল। স্থানীয় প্ৰশাসনৰ সহযোগত পঞ্চায়তে বন বিভাগৰপৰা কিছু ভূমি প্ৰাপ্ত কৰিছিল। পঞ্চায়তে এইখিনি ভূমি নিজৰ উপাৰ্জনৰ উৎসৰূপে ব্যৱহাৰ কৰি এটা পাৰ্কিং থলী ৰূপে বিকশিত কৰিছিল।
- **বজাৰ চৌহদৰ বিস্তাৰ:** 2014-15 চনত তেতিয়াৰ বজাৰ চৌহদৰ বিস্তাৰ কৰা হয় যাতে দোকানৰ সংখ্যা বঢ়াব পৰা যায় আৰু গ্ৰাম পঞ্চায়তে সেইবোৰৰপৰা ভাড়া আহৰণ কৰিব পাৰে।
- **নতুন বিক্ৰয় ক্ষেত্ৰ:** 2015-16 চনত গ্ৰাম পঞ্চায়তে 60 খন দোকানৰ এটা বিক্ৰয় ক্ষেত্ৰ বিকশিত কৰে।
- **পথ কৰ:** পঞ্চায়তে সমীপৱৰ্ত্তী জলপ্ৰপাতলৈ অহা যাত্ৰীৰপৰা পথকৰ সংগ্ৰহ কৰাৰ কাম আৰম্ভ কৰে। এই কৰৰ হাৰ নিৰ্দ্ধাৰণ কৰা হয় বিধিবদ্ধ গ্ৰামসভাৰ অনুমোদনৰ জৰিয়তে।
- নিৰ্বাচিত প্ৰতিনিধিসকলে আৰু পৰামৰ্শদাতা সমিতিয়ে সেইসকল লোকৰ ওচৰলৈ যোৱাৰ প্ৰচেষ্টা চলালে যিসকল লোক তেওঁলোকৰ নিয়মিত যোজনাবোৰৰ গণ্ডীৰ ভিতৰলৈ নাহে। ইয়াৰ বাহিৰেও বিভিন্ন সেৱা অন্তিম স্থানলৈকে লৈ যোৱাটো সুনিশ্চিত কৰা হয়।
- লগতে "মো শিক্ষা" নামৰ এটা কাৰ্য্যসূচী আৰম্ভ কৰা হয়। এই কাৰ্য্যসূচীয়ে বিদ্যাৰ্থীসকলক বিদ্যালয় অভিমুখে আকৃষ্ট কৰে। এই কাৰ্য্যসূচীৰ অধীনত স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলক বিনামূল্যে স্কুল বেগ, ছাতি আৰু পানীৰ বটল দিয়া হয়।
- আৰম্ভ কৰা আৰু এটা কাৰ্য্যসূচীৰ জৰিয়তে দৰিদ্ৰ লোকসকলক তেওঁলোকৰ স্বাস্থ্য পৰীক্ষাৰ বাবে 2000 কৈ টকা দিয়া হয়।
- 3000 টকাৰ ধনৰাশি এনেকুৱা পৰিয়ালক দিয়া হয় যিসকলৰ ঘৰ বনৰীয়া হাতী বা প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণত নষ্ট হৈছে।
- গ্ৰাম পঞ্চায়তে দৰিদ্ৰ পৰিয়ালসমূহক সামাজিক অনুষ্ঠান আয়োজন কৰিবলৈ 5000 টকাৰ সহায়তা প্ৰদান কৰে। ইয়াৰ দুগুণ ধনৰাশি আৰ্থিক সহায়তাৰ ৰূপত বিধৱাসকলক আৰু এইডছ বা কুষ্ঠৰোগত পীড়িত লোকসকলক দিয়া হয়।
- গ্ৰাম পঞ্চায়তৰ লগত আছে 55টা আত্মসহায়ক গোট (SHG), যিবোৰে মা তাৰিণীৰ মন্দিৰত অৰ্পণ কৰা নাৰিকলেৰে মিঠাই, তেল আদি তৈয়াৰ কৰে। গ্ৰাম পঞ্চায়তে সাপ্তাহিক বজাৰৰ ওচৰত এটা চাইকেল ষ্টেণ্ডৰো ব্যৱস্থা কৰিছে। গ্ৰাম পঞ্চায়তে মা তাৰিণীৰ মন্দিৰৰ ওচৰত থকা বজাৰত নাৰিকলৰ তেল আৰু মিঠাই বিক্ৰী কৰে।
- গ্ৰাম পঞ্চায়তে ঘটগড়িয়া পুখুৰীৰ ওচৰত স্নানৰ বাবে ঘাট নিৰ্মাণ কৰি দিছে আৰু মহিলাসকলে কাপোৰ সলোৱাৰ সুবিধা কৰি এটা কোঠাও নিৰ্মাণ কৰি দিছে। ই লগতে এটা কল্যাণ মণ্ডপ, এটা বিশ্ৰাম গৃহ আৰু এটা সামুদায়িক ভৱনো নিৰ্মাণ কৰিছে।
- গ্ৰাম পঞ্চায়তে নিৰ্মাণ কৰিছে এটা গ্ৰাম পুথিভঁৰাল। গ্ৰাম পঞ্চায়তৰ কাৰ্য্যালয়ত চীচীটীভী আৰু বায়'মেট্ৰিক প্ৰণালী লগোৱা হৈছে আৰু সকলো কৰ্মচাৰীক ইউনিফৰ্মো প্ৰদান কৰা হৈছে।

### মুকুন্দপুৰ গাঁৱৰ ৱেবছাইট

**গ্ৰাম পঞ্চায়তে এটা ৱেবছাইট www.mukundapurpatnagp.com ও আৰম্ভ কৰিছে, যি স্থানীয় লোকসকলে চলাই থকা বিভিন্ন কাৰ্য্যসূচীৰ সম্পৰ্কে তথ্যৰ যোগান ধৰে। এই ৱেবছাইটত সেইসকল লোকৰ সূচীও আছে, যিসকলে গ্ৰাম পঞ্চায়তৰ বিভিন্ন যোজনাৰপৰা লাভ আহৰণ কৰিছে।**

# কৰ দিয়ক, সেৱাসমূহৰ উপকাৰ পাওক
# পৰোইদা গ্ৰাম পঞ্চায়ত মহাৰাষ্ট্ৰ

পৰোইদা গ্ৰাম পঞ্চায়তৰ গ্ৰামীণ লোকসকলে যোৱা 15 বছৰত এটা ডাঙৰ পৰিৱৰ্ত্তনৰ অভিজ্ঞতা লাভ কৰিছে। এতিয়া তেওঁলোকৰ গাওঁ পঞ্চায়তৰ অৱস্থা আগতকৈ বহুত ভাল হৈছে। ৰাইজৰ মৌলিক প্ৰয়োজনসমূহ – স্বাস্থ্য সুৰক্ষা, খোৱাপানী, সাধাৰণ স্বচ্ছতা, বাট-পথ, জলসিঞ্চনৰ বাবে পানী আৰু ৰাস্তাত পোহৰৰ ব্যৱস্থা আদিৰ খবৰ প্ৰভাৱশালী উপায়েৰে ৰাখে গ্ৰাম পঞ্চায়তে। এই পৰিৱৰ্ত্তন চৰকাৰ বা কোনো বাহিৰা অভিকৰণে দিয়া বিত্তীয় সাহায্যৰ পৰিণতি নহয়। এই ক্ষেত্ৰৰ আনবোৰ পঞ্চায়তে এতিয়াও বিত্তীয় প্ৰত্যাহ্বানৰ সৈতে যুঁজ দি থাকিবলগীয়া হৈছে।

2010 চন পৰ্যন্ত, গ্ৰাম পঞ্চায়তৰ ওচৰত নিজৰ কোনো সাধন নাছিল আৰু ই নিজৰ বুনিয়াদী প্ৰয়োজন পূৰণ কৰিবৰ বাবে ধন ধাৰলৈ ল'বলগীয়া হৈছিল। নিজাববীয়াকৈয়ো যে কোনো বিকাশ কাৰ্য্যসূচী হাতত ল'ব পৰা যায় সেই কথা এই গ্ৰাম পঞ্চায়তে কেতিয়াও চিন্তাও কৰা নাছিল। ৰাইজে বিকাশ কাৰ্য্যত হাত উজান দিয়া নাছিল আৰু তেওঁলোকে কৰ বা উপযোগ শুল্কও দিব খোজা নাছিল। প্ৰাৰম্ভতে গ্ৰাম পঞ্চায়তে বিভিন্ন কৰ যেনে, সম্পত্তি কৰ, বিক্ৰ ভূমি কৰ, স্বচ্ছতা আৰু খোৱাপানী কৰ আদিৰ সাম্প্ৰতিক হাৰ সংশোধিত কৰে। গ্ৰাম পঞ্চায়তে কোনো নতুন কৰ আৰোপ কৰা নাছিল। ৰাইজক কৰ আদায়ৰ বাবে অনুপ্ৰাণিত কৰিবলৈ গ্ৰাম পঞ্চায়তে সময়মতে কৰ আদায় দিয়া প্ৰতিটো পৰিয়ালক আটা-মিলৰ সেৱা বিনামূল্যে প্ৰদান কৰাৰ ব্যৱস্থা কৰিছিল। একেদৰে সময়মতে কৰ আদায় দিয়া পৰিয়ালবোৰক নামমাত্ৰ মূল্যৰ বিনিময়ত আৰ. অ'. জল লভ্য কৰোৱা হৈছিল। প্ৰথমতে আটা-মিল আৰু আৰ. অ'. জলৰ প্ৰকল্পৰ ভিত্তি আছিল – "তৈয়াৰ কৰক, চলাওক আৰু স্থানান্তৰিত কৰক" এই সিদ্ধান্ত। এটা বিশিষ্ট ৰণনীতিও হাতত লোৱা হৈছিল যাৰ অধীনত প্ৰতিটো পৰিয়ালৰ ওচৰলৈ গৈ মহিলাসকলক বুজোৱা হৈছিল যে তেওঁলোকে যাতে পৰিয়ালে দিবলগীয়া কৰ আদায় দিয়ে। নিৰ্বাচিত প্ৰতিনিধিসকল আৰু শিক্ষকসকলৰ সৈতে আন আন কৰ্মকৰ্ত্তা ঘৰে ঘৰে গৈ এই দিশত বিশেষ প্ৰয়াস চল'ইছিল।

অৱশেষত সঞ্চয়, যিটো অংক 2010 চনত মাত্ৰ 1.5 লাখ টকা আছিল, 2015 চনত বাঢ়ি 20 লাখ টকা হৈছিলগৈ। ৰাইজক কৰ আদায়ৰ বাবে অনুপ্ৰাণিত কৰিবলৈ, প্ৰথমতে 10 জন কৰদাতাক ৰাজহুৱা সভাত পুৰস্কৃত কৰা হৈছিল। পৰোইদা গ্ৰাম পঞ্চায়তে নিজৰ সম্পদেৰে তলত দিয়া যোজনাসমূহ চলাই আছে –

- আৰ. অ'. জল আৰু আটা-মিলৰ সেৱা লভ্য কৰাটো সুনিশ্চিত কৰা।
- স্কুলীয়া শিশুৰ মাজত বিনামূল্যে দুগ্ধ বিতৰণ কৰা।
- অংগনৱাড়ীৰ বাবে আচবাব-পত্ৰ আৰু মৌলিক সামগ্ৰীসমূহ লভ্য কৰোৱা।
- বৃক্ষৰোপণ কৰা।
- স্বাস্থ্য সুৰক্ষা সেৱাসমূহ-শৌচালয় নিৰ্মাণ আৰু সাধাৰণ স্বচ্ছতা সেৱা প্ৰদান কৰা।
- গোটা আৰু তৰল অপশিষ্টৰ ব্যৱস্থাপনা কৰা।
- গ'লিবোৰত পোহৰৰ বাবে সৌৰশক্তিৰ পেনেল লগোৱা, সেইবোৰৰ তত্ত্বাৱধান আৰু মেৰামতিৰ ব্যৱস্থা কৰা।
- অপৰম্পৰাগত শক্তি সম্পদৰ বিকাশ ঘটোৱা।

# সমাজে গুৰি ধৰা সৰ্বাঙ্গীণ বিকাশ
# পশ্চিমবংগৰ উত্তৰ ৰায়পুৰ গ্ৰাম পঞ্চায়তৰ এটি প্ৰচেষ্টা

পশ্চিমবংগৰ দক্ষিণ 24 পৰগণা জিলাৰ বাজ বাজ-1 ব্লকৰ উত্তৰ ৰায়পুৰ গ্ৰাম পঞ্চায়ত, 1978 চনৰেপৰা কাৰ্য্যৰত। ই এটা অতি ডাঙৰ গ্ৰাম পঞ্চায়ত যাৰ ক্ষেত্ৰফল হ'ল 10 বৰ্গকিলোমিটাৰ আৰু জনসংখ্যা হ'ল 27,155। জনসংখ্যাৰ 50% ৰো অধিক লোক হ'ল সংখ্যালঘু মুছলিম সম্প্ৰদায়ৰ। এই গ্ৰাম পঞ্চায়তত 21 গৰাকী সদস্য আছে আৰু তাৰে 10 গৰাকী হ'ল মহিলা। সামাজিক-আৰ্থিক বিকাশৰ লক্ষ্যত উপনীত হ'বলৈ গ্ৰাম পঞ্চায়তে নিয়মিত ৰূপত নিজৰ আটাইবোৰ সহভাগিতা মঞ্চৰ সুব্যৱহাৰ কৰে। তাত উচ্চতম স্তৰ সাধাৰণ সভাৰপৰা আৰম্ভ কৰি পাঁচটা উপসমিতি আৰু গ্ৰাম পঞ্চায়ত ক্ষেত্ৰ স্তৰৰ গ্ৰাম সংসদ সভা আয়োজন কৰা হয়। গ্ৰাম পঞ্চায়তে প্ৰতি বছৰে বিভিন্ন উৎসৰপৰা (ইয়াৰ ভিতৰত সংশ্লিষ্ট লাইন বিভাগৰ স্থানীয় কাৰ্যালয়ো অন্তৰ্ভুক্ত) দ্বিতীয়ক তথ্য আৰু ৱাৰ্ড স্তৰত প্ৰাপ্ত বিভিন্ন সহভাগী প্ৰাৰ্থনাপত্ৰৰ জৰিয়তে প্ৰাথমিক তথ্য একগোট কৰে। এই কাম যোৱা বছৰৰ মেই মাহৰপৰা চলাই থকা হৈছে। এই তথ্য আৰু সম্পদসমূহৰ (চীএইচী গ্ৰাণ্ট, এছএফচী গ্ৰাণ্ট, অ'এছআৰ, বিভিন্ন কাৰ্য্যসূচীৰ অধীনত লাইন বিভাগৰদ্বাৰা একত্ৰিত কৰা হোৱা ধনৰাশি আৰু নগদ ধনৰাশি, বস্তু আৰু শ্ৰমৰ জৰিয়তে ৰাইজৰ যোগদান) ভিত্তিত পঞ্চায়তে নিয়মানুসাৰে উপসমিতিয়ে দিয়া পৰামৰ্শ মতে যোজনা আৰু বাজেটৰ খচৰা প্ৰস্তুত কৰে আৰু ইয়াক পূৰ্ব বৰ্ষৰ বিত্তত বাৰ্ষিক যোজনা আৰু বাজেটত সমাহিত কৰে। ইয়াক নৱেম্বৰত হ'বলগীয়া গ্ৰাম সংসদৰ সভাত আৰু ডিচেম্বৰত হ'বলগীয়া গ্ৰাম সভাৰ বৈঠকত উত্থাপন কৰা হয় আৰু পুনৰ জানুৱাৰীত হ'বলগীয়া (অৰ্থাৎ কাৰ্য্যৰূপায়ণ বৰ্ষৰ 2 মাহ পূৰ্বে) বৈঠকত অন্তিম ৰূপ দিয়া হয়। প্ৰক্ৰিয়া আৰু যোজনা, বাজেটিঙৰ প্ৰস্তুতি আৰু ইয়াক অন্তিম ৰূপ দিয়াৰ সময়বদ্ধ কাৰ্য্য এটা শ্ৰেষ্ঠ সংস্থাগত প্ৰণালীৰ উদাহৰণ। সংশ্লিষ্ট যোজনাসমূহ উপসমিতিবোৰে নিয়মানুসাৰে, গ্ৰাম পঞ্চায়তৰ সাধাৰণ সভাৰ হস্তক্ষেপৰপৰা মুক্ত হৈ, প্ৰতি

যোজনা 25000/- টকা খৰচ কৰি ৰূপায়িত কৰে। ইয়াৰ বাহিৰেও যোজনাসমূহৰ কাৰ্য্যৰূপায়ণত ৰাইজে সক্ৰিয় সহযোগিতা আগবঢ়ায়। যে'জনা আৰু বাজেটিঙৰ প্ৰধান ক্ষেত্ৰ, যাৰ উদ্দেশ্য উন্নততৰ সেৱা লভ্য কৰোৱা আৰু যিবোৰত উত্তৰ ৰায়পুৰৰ গাওঁ পঞ্চায়তে উৎকৃষ্টতা প্ৰদৰ্শন কৰিছে, সেইবোৰৰ ভিতৰত আছে – গ্ৰামীণ আবাস, বিশুদ্ধ খোৱাপানী, গ্ৰামীণ স্বাস্থ্য সুৰক্ষা, গোটা আৰু তৰল অপশিষ্ট ব্যৱস্থাপনা, বুনিয়াদী সা-সুবিধাৰ নিৰ্মাণ, গ্ৰামীণ পথ যোগাযোগ তথা দৰিদ্ৰ, সুবিধাবিহীন আৰু বৃদ্ধ লোকসকলক সামাজিক সকাহ দিয়া। গ্ৰাম পঞ্চায়তৰ কেইটামান প্ৰধান অভিজ্ঞতা যিকেইটা অনুকৰণীয়, সেইকেইটা তলত দিয়া হৈছে:

1. গ্ৰাম পঞ্চায়তে প্ৰতি বছৰে নিজৰ প্ৰায় 1600000/- টকাৰ অ'এছআৰৰ এটা বৃজন অংশ সামাজিক বিকাশমূলক কাম-কাজত খৰচ কৰে। এই কাম-কাজবোৰ হ'ল তলত দিয়া ধৰণৰ: বাজহুৱা স্বাস্থ্য, প্ৰাপ্তবয়স্ক শিক্ষা, সুবিধাবিহীন মহিলা তথা শিশুৰ পুষ্টি, খোৱাপানী যোগানৰ স্থানৰ নিৰ্মাণ আৰু তত্ত্বাৱধান, ৰাস্তাৰ পোহৰ, পথৰ কাষত বৃক্ষৰোপণ, সবলীকৰণৰ বাবে ৰাইজৰ মাজত সচেতনতা গঢ়ি তোলা ইত্যাদি।

2. গ্ৰাম পঞ্চায়তে এটা অদ্বিতীয় মডেল বিকশিত কৰিছে যাক বিকাশৰ হিতাধিকাৰী গ্ৰাম পঞ্চায়ত সহভাগিতা মডেল বুলি ক'ব পৰা যায়। উদাহৰণ স্বৰূপে, গ্ৰাম পঞ্চায়তৰ বেছিভাগ কাম-কাজ হিতাধিকাৰীসকলৰ সহায়-সহযোগিতাৰে কাৰ্য্যৰূপায়িত কৰা হয়। ঠিকাদাৰৰ জৰিয়তে কোনো যোজনা কাৰ্য্যৰূপায়িত কৰাৰ পৰিৱৰ্তে, গ্ৰাম পঞ্চায়তে কেৱল মূল বস্তুখিনি এটা নিয়মীয়া সংগ্ৰহ প্ৰক্ৰিয়াৰে ক্ৰয় কৰে আৰু হিতাধিকাৰীসকলে যোজনা সম্পূৰ্ণ কৰিবলৈ স্বেচ্ছাই শ্ৰমদান কৰে। এইদৰে গ্ৰাম পঞ্চায়তে অধিক মাত্ৰাত আৰু ভাল গুণসম্পন্ন কাৰ্য্য কৰোৱাত সফল হয় যিটো কোনো ঠিকাদাৰক কামত লগালে সম্ভৱ নহয়।

3. স্বচ্ছতা সম্পৰ্কে আৰু অধিক সচেতনতা গঢ়ি তুলিবলৈ গ্ৰাম পঞ্চায়ত বদ্ধপৰিকৰ। আটাইবোৰ ক্ষেত্ৰত বিদ্যালয়ৰ বিদ্যাৰ্থীসকল, শিক্ষক-শিক্ষয়িত্ৰীসকল, আইচীডীএছ কৰ্মকৰ্তা, স্বাস্থ্য কৰ্মকৰ্তা ইত্যাদিৰ জৰিয়তে গ্ৰাম পঞ্চায়তে হাত-মুখ ধোৱা কৰি ৰখাৰ কাৰ্য্যসূচী চলায়।

4. গ্ৰাম পঞ্চায়তে বছেৰেকত দুবাৰকৈ, যেতিয়া ফচল তৈয়াৰ হয়, কৰ সঞ্চয় শিবিৰৰ আয়োজন কৰে।

5. গ্ৰাম সংসদ বা গ্ৰাম সভাৰ বৈঠকত ৰাইজৰ সহভাগিতা বঢ়াবলৈ, গ্ৰাম পঞ্চায়তে প্ৰতিটো পৰিয়াললৈ আমন্ত্ৰণ পত্ৰ প্ৰেৰণ কৰে। ইয়াৰ পৰিণতিত প্ৰায় 50 শতাংশ নিৰ্বাচিত সদস্য সভাসমূহত উপস্থিত থ'কে।

6. গ্ৰাম পঞ্চায়তৰদ্বাৰা তৈয়াৰ কৰা হোৱা ব্যৱস্থাৰ অধীনত গ্ৰামস্তৰীয় দলে নলীনাদ আৰু কুঁৱাৰ ওচৰে-পাজৰে প্ৰতিদিনে চাফ-চিকুণতাৰ কাম কৰে আৰু খোৱাপানীৰ উৎসসমূহৰ সুৰক্ষা আৰু স্বচ্ছতা সুনিশ্চিত কৰে।

7. গ্ৰাম পঞ্চায়তে জনস্বাস্থ্য ক'ৰিকৰী বিভাগৰ সহযোগিতাত ঘৰে ঘৰে পানীৰ কানেকচন দি আছে, আৰু এই কাম এবছৰৰ ভিতৰতে সম্পন্ন কৰাৰ সংকল্প লোৱা হৈছে।

8. গ্ৰাম পঞ্চায়ত ক্ষেত্ৰত মুঠ 21 টা অংগনৱাড়ী কেন্দ্ৰ আছে, যাৰ ভিতৰত 7 টাৰ নিজাকৈ কোনো ভৱন নাছিল। গ্ৰাম পঞ্চায়তে এই সাতোটা কেন্দ্ৰৰ বাবে ভৱন নিৰ্মাণ কৰোৱায়। ইয়াৰ বাহিৰেও গ্ৰাম সভাই এই 21 টা কেন্দ্ৰৰ আটাইকেইটাতে পানীৰ কানেকচন আৰু শৌচালয়ো নিৰ্মাণ কৰি দিছে।

9. গ্ৰাম পঞ্চায়তে মিড-ডে মীল আৰু অংগনৱাড়ী কেন্দ্ৰসমূহৰ ভোজনৰ গুণগত মান উন্নত কৰিছে। ইয়াৰ বাবে নিজৰ অ'এছআৰৰপৰা শাক-পাচলি, কণী আৰু মাছৰ ব্যৱস্থা কৰিছে। মিড-ডে মীলৰ পৌষ্টিক গুণাৱলী বৃদ্ধি কৰাৰ বাবে গ্ৰাম পঞ্চায়তে আটাইবোৰ বিদ্যালয়ৰ সন্মুখত ৰান্ধনিশালৰ বাগিচা গঢ়ি তোলাত উৎসাহ প্ৰদান কৰি আহিছে।

10. গ্ৰাম পঞ্চায়তে অতি দৰিদ্ৰ পৰিয়ালৰ উচ্চ শ্ৰেণীৰ বিদ্যাৰ্থীসকলক বিনামূলীয়া কিতাপ আৰু লেখন সামগ্ৰী প্ৰদান কৰি আহিছে।

উত্তৰ ৰায়পুৰ গ্ৰাম পঞ্চায়তে বৰ্ত্তি থাকিব পৰা বিকাশৰ 17টা লক্ষ্যৰ ভিতৰত 10টা লক্ষ্য বাচি লৈছে যাতে গ্ৰামীণ নাগৰিকৰ সেৱাৰ স্তৰত উন্নতি ঘটোৱাৰ লগতে সেই অঞ্চলৰ লোকসকলৰ মৌলিক জীৱনৰ গুণগত দিশটোৰো উন্নতি সাধন কৰিব পৰা যায়। ♦

## সত্যাগ্ৰহৰপৰা স্বচ্ছাগ্ৰহলৈ

ভাৰতীয় স্বাধীনতা সংগ্ৰামত চম্পাৰণ সত্যাগ্ৰহৰ বিশেষ গুৰুত্ব আছে। 2017-18 চম্পাৰণ সত্যাগ্ৰহৰ শতাব্দী বৰ্ষ। এতিয়া এই সত্যাগ্ৰহৰ 100 বছৰ পূৰ্ত্তি উপলক্ষ্যে চম্পাৰণ এটা নতুন অভিযান স্বচ্ছাগ্ৰহ — মুকলিত শৌচ কৰাৰপৰা স্বাধীনতাৰ বাবে সাজু হৈছে।

অক্ষয় কুমাৰ
চলো চম্পাৰণ

অমিতাভ বচ্চন
চলো চম্পাৰণ

অনুস্কা শৰ্মা
চলো চম্পাৰণ

স্বচ্ছাগ্ৰহী
স্বচ্ছতাই সেৱা

মহিলা
স্বচ্ছাগ্ৰহী

স্বচ্ছ ভাৰত মিছন
স্বচ্ছতাই সেৱা

5.6 কোটি বিদ্যাৰ্থীয়ে দিয়া শ্ৰদ্ধাঞ্জলি
স্বচ্ছতাই সেৱা

সুশাসন
গ্ৰামীণ বিকাশ

মাধুৰী দীক্ষিত
চলো চম্পাৰণ

পণ্ডিত দীনদয়াল উপাধ্যায়
শ্ৰী নৰেন্দ্ৰ সিং তোমৰ



## গ্ৰামীণ বিকাশ মন্ত্ৰালয়



**নৰেন্দ্ৰ সিং তোমৰ**
কেবিনেট মন্ত্ৰী, গ্ৰামীণ বিকাশ, পঞ্চায়তীৰাজ আৰু খনি, ভাৰত চৰকাৰ

পূজ্য জয়প্ৰকাশ নাৰায়ণৰ জয়ন্তী উপলক্ষ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰদ্বাৰা শুভাৰম্ভ কৰা হোৱা আদৰ্শ গ্ৰাম যোজনাৰদ্বাৰা দেশত উল্লেখযোগ্য প্ৰগতি পৰিলক্ষিত হৈছে। স্থানীয় ক্ষেত্ৰ বিকাশ যোজনাৰ অধীনত সংসদীয় সদস্যৰদ্বাৰা বিত্তযোগানপ্ৰাপ্ত যোজনাই শক্তিশালী আৰু স্বস্থ গ্ৰাম পঞ্চায়তৰ জৰিয়তে স্থানীয় গণতন্ত্ৰক শক্তি প্ৰদান কৰিছে। ইয়াৰ ফলত সুশাসন সুগম হৈছে, সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলাৰ অংশগ্ৰহণ বাঢ়িছে আৰু এছএজীৰাইৰ অনেক লক্ষ্যাই উৎসাহ লাভ কৰিছে।

**পঞ্জাব**

# সাংসদৰ পথপ্ৰদৰ্শনৰ জোৰত এখন গাঁৱলৈ অহা পৰিৱৰ্ত্তন




জিলা সদৰ ঠাই ছণ্ডৰুৰপৰা প্ৰায় 70 কি.মি. দূৰৈত অৱস্থিত গলাহী গ্ৰাম পঞ্চায়তৰ সীমা হাৰিয়ানা ৰাজ্যৰ সৈতে লগলাগি আছে। শ্ৰী সুখদেৱ সিং টীণ্ডছাই এই গ্ৰাম পঞ্চায়ত আদৰ্শ গ্ৰাম যোজনাৰ অন্তৰ্ভুক্ত কৰিছিল।

### প্ৰসংগ

গলাহী গ্ৰাম পঞ্চায়তত 3415 লোক আৰু 595টা পৰিয়ালৰ এখন গাওঁ আছে। যিহেতু গ্ৰাম পঞ্চায়তৰ সীমা হাৰিয়ানা ৰাজ্যৰ সৈতে সংলগ্ন হৈ আছে, সেয়েহে ইয়াত পঞ্জাৱতকৈ বেছিকৈ হাৰিয়ানা সংস্কৃতিৰ জিলিঙনি দেখিবলৈ পোৱা যায়। গলাহী গ্ৰাম পঞ্চায়ত হুঙৰুৰ জিলাৰ গ্ৰাম পঞ্চায়তসমূহৰ ভিতৰত সবাতোকৈ দূৰণিবটীয়া আৰু সবাতোকৈ অবিকশিত গ্ৰাম পঞ্চায়ত আছিল।

### সাংসদ আদৰ্শ গ্ৰাম যোজনাৰ আগতে গ্ৰাম পঞ্চায়ত

জিলাৰ বিষয়াসকলে কোৱামতে, দূৰণিবটীয়া এলেকাৰ হোৱাৰ বাবে প্ৰশাসনিক ব্যৱস্থাই এইখন গাওঁ ঢুকি পাবগৈ পৰা নাছিল। অনগ্ৰসৰতাৰ বাবে দৰিদ্ৰ গ্ৰামীণ লোকসকলে ৰাজহুৱা সংস্থাসমূহৰ সুবিধাৰ লাভ আহৰণ কৰিব পৰা নাছিল। বিকাশ প্ৰক্ৰিয়াত যথেষ্ট বিলম্ব ঘটিছিল। এই গ্ৰাম পঞ্চায়তৰ আজীৱিকাৰ মুখ্য উৎস আছিল পশুপালন আৰু দুগ্ধপাম। গ্ৰাম পঞ্চায়তত কোনো জল নিষ্কাষণৰ ব্যৱস্থা নথকাৰ বাবে গৰু-ম'হজনিত অপশিষ্ট আৰু লেতেৰা পানী গ'লিবোৰত ভৰি পৰিছিল। ইয়াৰ ফলত গ'লিবোৰ আৰু ৰাস্তাবোৰ সদায়ে গাঁত আৰু আৱৰ্জনাৰে ভৰি পৰিছিল। গাওঁবাসীৰ স্বাস্থ্যৰ ওপৰত এই লেতেৰা পৰিৱেশৰ পৰ্য্যাপ্ত কুপ্ৰভাৱ পৰিছিল। বেয়া পৰিৱেশৰ প্ৰভাৱ বয়স্কসকলৰ তুলনাত শিশুসকলৰ ওপৰত বেছিকৈ পৰিছিল, এই কাৰণতে শিশুসকল সদায়ে মহজনিত আৰু জলজনিত ৰোগৰ বিশেষ আশংকাত ভুগিবলগীয়া হৈছিল। এইবোৰ অসুস্থতা লেতেৰা পৰিৱেশৰ বাবেই বিয়পিব পাৰিছিল।

### সাংসদ আদৰ্শ গ্ৰাম যোজনাৰ অধীনত হোৱা পৰিৱৰ্ত্তন : যোজনাৰ অধীনত হোৱা হস্তক্ষেপ

অলপতে মাননীয় সাংসদ শ্ৰী সুখদেৱ সিং টীণ্ডছাই এমাহৰ ভিতৰতে অনেকবাৰ তালৈ গৈ বিকাশ কাৰ্য্যৰ প্ৰগতি নিৰীক্ষণ কৰিছিল আৰু ফ'ল'আপৰ জৰিয়তে সংশোধনীৰ উপায় সুনিশ্চিত কৰিছে।

**প্ৰভাৱ**

গ্ৰাম পঞ্চায়তৰ গ্ৰাম বিকাশ যোজনাৰ অধীনত প্ৰস্তাৱিত 16টা মুখ্য কাম-কাজ গ্ৰাম পঞ্চায়তে ইতিমধ্যে সম্পূৰ্ণ কৰিছে। সেইবোৰৰ অসীম গুৰুত্ব আছে আৰু সেইবোৰে গাওঁবাসীৰ দৈনন্দিন জীৱনলৈ আনিছে অনেক গুৰুত্বপূৰ্ণ বিকাশ।


গাওঁবাসীসকলে মিলি-জুলি গৰু-ম'হৰ এটা ডাঙৰ জলাশয়ৰ নিৰ্মাণ

গ্ৰাম পঞ্চায়তখন কোলাত তুলি লোৱাৰ পাছত প্ৰতিটো বিকাশমূলক কাম-কাজৰ উদ্যম সাংসদগৰাকীয়ে নিজে আগ-ভাগ লৈ গ্ৰহণ কৰি আহিছে।

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ কৰ্মসংস্থান অধিনিয়মৰ (মনৰেগা) অধীনত বিচাইক্লিং ষ্ট্ৰাক্চাৰৰ অনন্য পদক্ষেপ লোৱা হয়, যাৰ ফলত পৰিৱেশ আৰু জন-জীৱন, দুয়োটাৰে পৰ্য্যাপ্ত লাভ হয়। বিকাশৰ এই উদ্যমত গাওঁবাসী আৰু চৰকাৰী সংস্থাসমূহে একেলগ হৈ কাম কৰিবলগীয়া হয়। ইয়াৰ প্ৰধান দায়িত্ব কান্ধ পাতি লৈছিল মাননীয় সাংসদগৰাকীয়ে নিজেই।

গৰু-ম'হৰ এটা ডাঙৰ জলাশয় চাফ-চিকুণ কৰে পঞ্চায়ত আৰু গাওঁবাসীসকলে মিলি-জুলি। গ্ৰাম পঞ্চায়তে দেৱাল নিৰ্মাণ কৰিবলৈ ৪০০০ টকা খৰচ কৰে, য'ত অধিকাংশ কাম সম্পূৰ্ণ কৰা হয় ৰাইজৰ শ্ৰমদানৰদ্বাৰা। সমগ্ৰ পৰিদৃশ্য অধ্যয়ন কৰি উঠি গ্ৰামীণ বিকাশ যোজনা তৈয়াৰ কৰা হয়। গ্ৰাম পঞ্চায়তৰ সমগ্ৰ বিকাশৰ বাবে দায়িত্বশীল বিভাগসমূহৰ সৈতে আলাপ-আলোচনা কৰি ভৱিষ্যতৰ কাৰ্য্যপন্থা ঠিক কৰা হয়। মাননীয় সাংসদৰ নেতৃত্বত গ্ৰাম পঞ্চায়তে ভালেকেইটি সচেতনতা শিবিৰৰ আয়োজন কৰে যাৰ ফলত গাওঁবাসীৰ আচৰণলৈ গঠনমূলক পৰিৱৰ্তন অহা পৰিলক্ষিত হয়। সাংসদ আদৰ্শ গ্ৰাম যোজনাৰ অধীনত গ্ৰাম পঞ্চায়তে বাচ সেৱা আৰম্ভ কৰে, দুটা বাচ আস্থান নিৰ্মাণ কৰে, সকলোৰে বাবে আধাৰ কাৰ্ড, কবৰস্থানৰ নিৰ্মাণ, ভূমিৰ বিকাশ, শ্মশান ঘাট, স্কুলৰ উন্নয়ন, পঞ্চায়ত ভৱনৰ নিৰ্মাণ, বৃক্ষৰোপণ আৰু স্বাস্থ্য কাৰ্ড তৈয়াৰৰ দৰে বিকাশমূলক কাম-কাজসমূহ সম্পন্ন কৰা হয়।

### সাংসদ আদৰ্শ গ্ৰাম যোজনাৰ হস্তক্ষেপৰ ধনাদায়ঃ প্ৰভাৱ

মাননীয় সাংসদগৰাকীয়ে এখন অস্বচ্ছ গ্ৰাম পঞ্চায়ত এখন স্বচ্ছ গ্ৰাম পঞ্চায়তলৈ সলনি কৰা অভিযানৰ নেতৃত্ব দিলে। সাংসদগৰাকীৰ প্ৰতি গাওঁবাসী কৃতজ্ঞ, বিশেষকৈ ৰাটাৰ ৰিচাইক্লিঙৰ সংৰচনাৰ বাবে। গ্ৰাম বিকাশ কাৰ্য্যসূচীৰ অধীনত যিবোৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বা চলি আছে, সেইবোৰৰ অসীম গুৰুত্ব আছে আৰু সেইবোৰে গাওঁবাসীৰ দৈনন্দিন জীৱনলৈ আনিছে অনেক গুৰুত্বপূৰ্ণ বিকাশ। বিকাশমূলক কাম-কাজৰ যোজনাসমূহ আৰু সিবিলাকৰ কাৰ্য্যৰূপায়ণ প্ৰক্ৰিয়াত কাৰ্য্যকৰী সহযোগিতা আগবঢ়াই সকলোৱে মিলিজুলি লিখিছে গ্ৰামীণ বিকাশৰ কাহিনী। তেওঁলোকে আগবঢ়াইছে নিজৰ সেৱাসমূহ।

# সামাজিক সুৰক্ষা যোজনাসমূহ

**এই কাহিনী এটা বিশেষ অভিযানৰ যাৰ অধীনত গাওঁবাসীক সামাজিক সুৰক্ষা প্ৰদান কৰাৰ অভিযান চলোৱা হৈছে।**

কৰুলাই গ্ৰাম পঞ্চায়ত আছে কেৰালাৰ নীলাম্বৰ তালুকত। এই গ্ৰাম পঞ্চায়ত আছে জিলা সদৰ ঠাই মল্লাপুৰমৰপৰা 48 কি.মি. দূৰৈত। ইয়াৰ সবাতোকৈ ওচৰত থকা চহৰখন আছে 35 কি.মি. দূৰৈত। ৰাজ্যসভাৰ সাংসদ শ্ৰী পী. ভী. আব্দুল ৱহাবে কৰুলাই গাওঁখন সাংসদ আদৰ্শ গ্ৰাম যোজনাৰ অধীনত কোলাত তুলি লৈছে। ৰাইজক সচেতন কৰি তুলিবলৈ দুখন বাহন, (য'ত লাউডস্পীকাৰ লগাই থোৱা আছিল আৰু কাৰ্য্যসূচীৰ বিষয়ে লিখি থোৱা বৰ্ড আছিল) সমগ্ৰ গ্ৰাম পঞ্চায়তত অহৰ্নিশে দৌৰি আছিল। জন প্ৰতিনিধিসকলৰ নেতৃত্বত স্বেচ্ছাসেৱকসকল প্ৰতিটো ৱাৰ্ডলৈ গৈছিল। সচেতনতা অভিযানৰ পৰিণামত গোটেই গাওঁখনৰ লোকে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী জন-ধন যোজনাত নাম অন্তৰ্ভুক্ত কৰিছে। প্ৰতিজন স্বেচ্ছাসেৱকে নিজৰ লগত ৰাখিছিল এটা মোনা য'ত সাংসদ আদৰ্শ গ্ৰাম যোজনাৰ বাৰ্তা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী জন-ধন যোজনাৰ বাবে আবেদন পত্ৰ, কলম, ষ্টিকাৰ্ছ আৰু ছীল পেড আদি ৰখা হৈছিল।


সাংসদ মহোদয়ৰ সৈতে স্বেচ্ছাসেৱক

**প্ৰভাৱ**

**স্বেচ্ছাসেৱকসকলৰ এই পৰিশ্ৰম আৰু প্ৰস্তুতিৰ পৰিণামত মাত্ৰ এদিনতে 7455 সদস্য প্ৰধানমন্ত্ৰী জন-ধন যোজনা আৰু 16741 সদস্য প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ সৈতে সংলগ্ন হৈছিল। এই অভিযানত অসহায়, নিৰ্ধন আৰু জনজাতীয় পৰিয়ালসমূহৰ প্ৰিমিয়ামৰ ধন আদায় দিছিল গাওঁবাসীয়ে।**



# ডীডীয়ু-জীকেৱাইৰ সফলতাৰ কেইটামান কাহিনী তলত দিয়া হৈছে

**“ডীডীয়ু-জীকেৱাই-এ মোক এটা সন্মানজনক চাকৰি দিছে যিটো লৈ মই গৌৰৱ কৰো”**



উড়িছাৰ কন্ধমাল জিলাৰ বাসিন্দা ৰুকছানাৰ পৰিয়ালত তিনিগৰাকী সদস্য, তেওঁৰ পিতাকৰ ইতিমধ্যে মৃত্যু হৈছে। ঘৰৰ ভিতৰত সবাতোকৈ ডাঙৰ সন্তান হোৱাৰ বাবে পৰিয়ালটো চোৱা-চিতা কৰাৰ সমগ্ৰ দায়িত্ব তেওঁ কান্ধ পাতি ল'বলগীয়া হৈছিল। আজি তেওঁ হায়দৰাবাদৰ লাইফ চৰ্কল হেল্থ ছাৰ্ভিচেজ প্ৰাইভেট লিমিটেডত আগৰাকী পেছাদাৰী কেয়াৰ গিভাৰ হিচাপে কাম কৰি আছে। তেওঁ প্ৰতিমাহে 11,000 টকাৰ দৰমহা পায় আৰু সোনকালেই ৰুকচানাৰ পদোন্নতিও হ'ব। ৰুকচানাৰ লগত কথা পাতিব পাৰি 91-7093043-562 এই নম্বৰত ফোন কৰি।

**“মই মোৰ দেউতাক তেখেতৰ চিকিৎসাৰ পাছত সম্পূৰ্ণৰূপে জিৰণি ল'বলৈ কৈছিলো। এতিয়া মই মোৰ পৰিয়ালৰ চোৱা-চিতা কৰো”**



সংগীতা কুমাৰী ঝাৰখণ্ডৰ ছতৰা জিলাৰ বাসিন্দা। পাঁচজনীয়া সদস্যৰ এটা কৃষক পৰিয়ালৰ সবাতোকৈ ডাঙৰ সন্তান সংগীতাই বাঁচীত মাইনেক্সত (আদিত্য বিৰলা গ্ৰুপ বীপীঅ') কাম কৰাৰ পাছত নিজৰ পিতাকৰ যক্ষ্মা ৰোগৰ চিকিৎসাত আৰ্থিক সহযোগিতা আগবঢ়াইছিল। তেওঁ প্ৰতিমাহে 10,500 টকা উপাৰ্জন কৰে। সংগীতাৰ লগত কথা পাতিব পাৰি 91-9546383158 এই নম্বৰত ফোন কৰি।

**“মোৰ জীৱনে ল'লে এটা নতুন পাক। ভালৰ কাৰণেই হ'ল সেই পৰিৱৰ্তন”**



বিহাৰৰ জমুই জিলাৰ বাসিন্দা ৰমাকান্ত পাছোৱানে নিজৰ পঢ়া-শুনাৰ বাবে মাক-দেউতাকৰপৰা সম্পূৰ্ণ সহযোগিতা পাইছিল, কিন্তু তেওঁ এটা সঠিক চাকৰিৰ যোগাৰ কৰিব পৰা নাছিল। আজি তেওঁ প্ৰতি মাহে 12,000 টকা বেতন লৈ লেয়ান গ্ল'বেলত ছেলছ এছোচিয়েটৰ কাম কৰি আছে। ৰমাকান্তৰ লগত কথা পাতিব পাৰি 91-8960914912 এই নম্বৰত ফোন কৰি।



**আৰএছইটীআইৰ সফলতাৰ কেইটামান কাহিনী হ'ল:**

ৰোহটকৰ বীৰমতি কুমাৰীয়ে স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰিলে কিন্তু তেওঁ সঠিক চাকৰি পোৱা নাছিল। ৰোহটকৰ পীএনবী আৰএছটীআইত নাম লগোৱাৰ পাছত তেওঁ সফলতাৰে নিজৰ বিউটী পাৰ্লাৰ খুলিলে, য'ৰপৰা তেওঁ মাহিলী 35,000-40,000 টকা উপাৰ্জন কৰে। তেওঁ নিজৰ গ্ৰাহকক তেওঁৰ সফলতাৰ কাহিনী শুনায় আৰু আৰএছটীআইত নাম লগাবলৈ তথা তেওঁৰ দৰে আত্মনিৰ্ভৰশীল হ'বলৈ চহৰীয়া আৰু গ্ৰামীণ মহিলাসকলক অনুপ্ৰাণিত কৰে। বীৰমতিৰ লগত কথা পাতিব পাৰি 91-9896901776 এই নম্বৰত ফোন কৰি।

**“যিদিনা মই মোৰ প্ৰথম দৰমহা মোৰ মা-দেউতাৰ হাতত তুলি দিছিলো সেইটোৱেই আছিল মোৰ জীৱনৰ সবাতোকৈ গৌৰৱশালী মুহূৰ্ত্ত”**



উড়িছাৰ কন্ধমাল জিলাৰ ছুৰাজা মুথামাঝীয়ে তেওঁৰ দেউতাকৰ লগত খেতি পথাৰৰ কাম কৰিছিল। আজি তেওঁ ভুৱনেশ্বৰৰ এমেজন ৱেয়ৰহাউছত ছেণ্টাৰ এছোচিয়েট হৈ কাম কৰি আছে আৰু মাহিলী 11,439 টকা উপাৰ্জন কৰি আছে। ছুৰাজাৰ লগত কথা পাতিব পাৰি 91-7790004408 এই নম্বৰত ফোন কৰি।

**শ্বাহাবাদৰ মঞ্জীত সিং**

মঞ্জীত সিঙে 3 বছৰ বয়সতে তেওঁৰ দুয়োটা ভৰি হেৰুৱাবলগীয়া হৈছিল। মঞ্জীতৰ দৰিদ্ৰ পিতাক, এজন ৰাজমিস্ত্ৰীয়ে পুতেকৰ পঢ়া-শুনাৰ ব্যৱস্থা কৰিছিল যদিও মঞ্জীতে কোনো চাকৰি পোৱাৰ পৰা নাছিল। তেওঁ “বিজুলীত চলা ঘৰুৱা আহিলা ছিক কৰাৰ” প্ৰশিক্ষণ লৈছিল। আজি তেওঁ “মঞ্জীত ইলেক্ট্ৰনিক্স” নামৰ এখন দোকান চলাই আছে আৰু প্ৰতি মাহে 48 হাজাৰ টকা উপাৰ্জন কৰি আছে। মঞ্জীত এতিয়া তেওঁৰ পৰিয়ালৰ বাবে বোজা নহয় আৰু তেওঁ শ্বাহাবাদৰ নিবনুৱা যুৱকসকলৰ বাবে প্ৰেৰণাৰ উৎস হৈ উঠিছে। মঞ্জীতৰ লগত কথা পাতিব পাৰি 91-9416192839 এই নম্বৰত ফোন কৰি।



## পঞ্চায়তীৰাজ মন্ত্ৰালয়

# সম্প্ৰসাৰিত গ্ৰাম স্বৰাজ অভিযান

সম্প্ৰসাৰিত গ্ৰাম স্বৰাজ অভিযানৰ শুভাৰম্ভ

ভাৰত চৰকাৰে 2018 চনৰ 14 এপ্ৰিলৰপৰা 5 মেইলৈকে গ্ৰাম স্বৰাজ অভিযানব (জীএছএ) শুভাৰম্ভ কৰে। এই অভিযান দেশৰ 29 খন ৰাজ্যৰ 484 খন জিলাত অৱস্থিত 16850 খন গাঁৱত আৰম্ভ কৰা হৈছিল। ভাৰত চৰকাৰৰ 7টা প্ৰধান কাৰ্য্যসূচী গাঁৱবোৰত ৰূপায়ণৰ মাত্ৰা পৰিপূৰ্ণ কৰি তোলাৰ মানসেৰে এই অভিয়ান চলোৱা হৈছিল। এইকেইটা কাৰ্য্যসূচী হ'ল:

- প্ৰধানমন্ত্ৰী জন ধন যোজনা
- প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা
- প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা
- প্ৰধানমন্ত্ৰী সহজ বিজুলী হৰ ঘৰ যোজনা (সৌভাগ্য)
- সকলোৰে বাবে কমখৰচী এল ই ডীৰদ্বাৰা উন্নত জ্যোতি (উজালা)
- প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা (পীএমইউবাই)
- মিছন ইন্দ্ৰধনুষ

এই অভিযানৰ সফলতা দেখি, ভাৰত চৰকাৰে 115 খন আকাংখ্যাসম্পন্ন জিলাত 1000 তকৈ অধিক জনসংখ্যা থকা প্ৰতিখন গাঁৱকে সামৰি ল'বলৈ 1.6.2018 ৰপৰা 15.08.2018 লৈকে জীএছএ-ৰ দ্বিতীয় পৰ্য্যায়ৰ শুভাৰম্ভ কৰে। এনেকুৱা গাঁৱৰ সংখ্যাটো হ'ল 45137 খন। ইয়াৰ বাহিৰেও কৰ্ণাটক আৰু পশ্চিমবংগৰ 4208 খন গাঁৱকো এই অভিযানত সামৰি লোৱা হ'ব যিবোৰ গাঁও নিৰ্বাচনৰ বাবে জীএছএ-ৰ প্ৰথম পৰ্য্যায়ত সামৰি ল'ব পৰা হোৱা নাছিল।

প্ৰধানমন্ত্ৰী জন ধন যোজনা ............................................2
প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা ............................................3
প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা ............................................4
মিছন ইন্দ্ৰধনুষ ............................................5
উজালা ............................................6
প্ৰধানমন্ত্ৰী সহজ বিজুলী হৰ ঘৰ যোজনা ............................................6
প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা ............................................7

# প্ৰধানমন্ত্ৰী জন ধন যোজনা

এটা কমখৰচী উপায়েৰে বেংকিং/সঞ্চয় আৰু জমা একাউণ্ট, প্ৰেৰণ, ক্ৰেডিট, বীমা আৰু পেন্সন আদি বিত্তীয় সেৱাসমূহ সুগম কৰি বিত্তীয় সমাৱেশৰ মানসেৰে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় মিছন, বিত্তীয় সেৱাসমূহৰ বাবে বিত্তীয় মিছন, পীএমজেডীৱাইৰ কেন্দ্ৰীয় গুৰুত্ব হ'ল পৰিয়ালসমূহক ইয়াৰ অধীনত সামৰি লোৱা।

যিকোনো এটা বেংক শাখা বা বিজনেছ কৰেছপণ্ডেণ্ট (বেংক মিত্ৰ) আউটলেটত এটা একাউণ্ট খুলিব পৰা যায়। 10 বছৰতকৈ অধিক বয়সৰ যিকোনো ব্যক্তিয়ে একাউণ্ট খুলিব পাৰে। পীএমজেডীৱাইৰ অধীনত একাউণ্ট খোলাৰ বাবে কোনো ধৰণৰ ভৰণি/মাচুল দিয়াৰ প্ৰয়োজন দিব নালাগে।

- একাউণ্ট খোলাৰ বাবে ন্যূনতম অৱশেষ ধনৰাশিৰ কোনো প্ৰয়োজন নাই।
- লভ্য সেৱাসমূহৰ ভিতৰত আছে বেংক শাখাত আৰু লগতে ATMসমূহত নগদ জমা আৰু ধন উলিওৱা; ইলেকট্ৰনিক ধনাদায় চেনেলৰ মাধ্যমেদি বা চেকবোৰৰ সংগ্ৰহ/জমাৰদ্বাৰা ধনৰ প্ৰাপ্তি/ক্ৰেডিট।
- ATM ৰ'প'ৰা উলিওৱাকে ধৰি এমাহত সৰ্বাধিক 4 বাৰ ধন উলিওৱাৰ সুবিধা।
- ATM-সহ-ডেবিট কাৰ্ডৰ সুবিধা। (ৰুপে ডেবিট কাৰ্ড)। ৰুপে ডেবিট কাৰ্ড এখন ঘৰুৱা ডেবিট কাৰ্ড, যিখন আটাইবোৰ ATM (নগদ ধন উলিয়াবৰ বাবে) আৰু দেশত অধিকাংশ পীঅএছ মেচিনতে (ক্ৰয়ৰ সময়ত নগদ ধনৰহিত ধনাদায়ৰ বাবে) স্বীকাৰ কৰা হয়। এই কাৰ্ডে কোনো শুল্ক নোহোৱাকৈ 1 লাখ টকাৰ আকস্মিক বীমা প্ৰদান কৰে।
- পীএমজেডীৱাইৰ অধীনত ব্যক্তিগত দুৰ্ঘটনাৰ বাবে কৰা দাবী দেয় হ'ব যদি ৰুপে কাৰ্ডৰ ধাৰকে দুৰ্ঘটনাৰ তাৰিখৰ 90 দিন আগতে অন্ততঃ এটা সফল বিত্তীয় বা অনা-বিত্তীয় উপভোক্তা প্ৰেৰিত লেনদেন সম্পূৰ্ণ কৰিছে।
- 6 মাহ সন্তোষজনকভাৱে একাউণ্টটো লোৱাৰ পাছত পীএমজেডীৱাইৰ অধীনত প্ৰতিটো পৰিয়ালৰ এজন একাউণ্ট ধাৰকে 5000/- টকালৈকে অ'ভাৰড্ৰাফ্ট সুবিধা পাব।
- এই সুবিধাসমূহ কোনো ধৰণৰ অতিৰিক্ত ব্যয় নোহোৱাকৈ দিয়া হ'ব।

কেন্দ্ৰীয়/ৰাজ্য চৰকাৰৰ বিভাগসমূহ, বিধিগত/বিনিয়ামক প্ৰাধিকৰণসমূহ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহ, অনুসূচীত বাণিজ্যিক বেংকসমূহ আৰু ৰাজহুৱা বিত্তীয় প্ৰতিষ্ঠানসমূহে জাৰি কৰা আবেদকৰ ছবিসহিতে আনুষ্ঠানিকভাৱে বৈধ দস্তাবেজ/পৰিচয় পত্ৰ বা ব্যক্তিৰ এখন যথাযথ ছবিসহিতে, ৰাজপত্ৰিত বিষয়াই জাৰি কৰা এখন পত্ৰ জমা দি একাউণ্ট খুলিব পৰা যায়।

**প্ৰধানমন্ত্ৰী জন ধন যোজনা:**

আৰ্থিকভাৱে দৰিদ্ৰ জনতাৰ সবলীকৰণৰ উদ্দেশ্য এই যোজনা চলাই থকা হৈছে।

- মুঠ হিতাধিকাৰী 31.67 কোটি
- হিতাধিকাৰীৰ একাউণ্টত 81,108.57 কোটি টকাৰ অৱশেষ ধনৰাশি



# প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা

**জন সুৰক্ষা আঁচনি ৰাষ্ট্ৰীয় শুল্কবিহীন নম্বৰ**

**1800-180-1111**

**1800-110-001**

| | |
|---|---|
| লাক্ষাদ্বীপ | 1800-4259-7777 |
| মধ্যপ্ৰদেশ | 1800-233-4035 |
| মহাৰাষ্ট্ৰ | 1800-102-2636 |
| মণিপুৰ | 1800-345-3858 |
| মেঘালয় | 1800-345-3658 |
| মিজোৰাম | 1800-345-3660 |
| নগালেণ্ড | 1800-345-3708 |
| উড়িছা | 1800-345-6551 |
| পুডুচেৰী | 1800-4250-0000 |
| পঞ্জাব | 1800-180-1111 |
| ৰাজস্থান | 1800-180-6546 |
| চিক্কিম | 1800-345-3256 |
| তেলেংগানা | 1800-425-8933 |
| তামিলনাডু | 1800-425-4415 |
| উত্তৰাখণ্ড | 1800-180-4167 |
| পশ্চিমবংগ আৰু ত্ৰিপুৰা | 1800-345-3343 |

## প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা

পীএমএছবীৱাই এটা চৰকাৰ সমৰ্থিত দুৰ্ঘটনা বীমা যোজনা যি দুৰ্ঘটনাৰ কাৰণে হোৱা মৃত্যু বা বিকলাংগতাৰ বাবে আকস্মিক মৃত্যু আৰু অক্ষমতা সুৰক্ষাকবচ প্ৰদান কৰে। এই যোজনা বেংক একাউণ্টৰ সৈতে 18 ৰপৰা 70 বছৰ বয়সৰ লোকসকলৰ বাবে লভ্য।

এই যোজনাই এক বছৰৰ বাবে সুৰক্ষাকবচ প্ৰদান কৰে, যিটোৰ নৱীকৰণ কৰা হয় প্ৰতি বছৰে। ইয়াৰ বাৰ্ষিক প্ৰিমিয়াম হ'ল 12 টকা। নিৰ্দ্ধাৰিত বেংক একাউণ্টৰপৰা অটো-ডেবিটৰদ্বাৰা চামিল/ধনাদায় কৰাৰ এটা বিকল্প আছে যাৰ বাবে প্ৰতি বছৰে 31 মেইৰ ভিতৰত নিৰ্দ্ধাৰিত ৰূপত বিকল্প প্ৰদান কৰাৰ প্ৰয়োজন হয়। প্ৰতি বছৰে বাৰ্ষিক সুৰক্ষাকবচ – আয়ুস কালদৈৰ্ঘ্যৰ পহিলা জুন বা তাৰ আগতে এক্টো কিস্তিত অটো-ডেবিট সুবিধাৰ জৰিয়তে একাউণ্ট ধাৰকৰ সঞ্চয় একাউণ্টৰপৰা প্ৰিমিয়াম কাটি লোৱা হয়।

আকস্মিক মৃত্যু বা পূৰ্ণ বিকলাংগতাৰ ক্ষেত্ৰত, মনোনীত ব্যক্তিক 2 লাখ টকা আৰু আংশিক স্থায়ী বিকলাংগতাৰ ক্ষেত্ৰত 1 লাখ টকাৰ ধনাদায় কৰা হয়। এই যোজনা নিবেদন/প্ৰশাসিত কৰা হয় ৰাজহুৱা খণ্ড আৰু অন্য সাধাৰণ বীমা কোম্পানীসমূহৰ জৰিয়তে। বেংক একাউণ্টৰ বাবে প্ৰাথমিক KYC হ'ব আধাৰ।

সদস্যৰ বাবে দুৰ্ঘটনা সুৰক্ষাকবচ 70 বছৰ বয়স হোৱাৰ পাছত বা বেংক একাউণ্ট বন্ধ হোৱাৰ পাছত বা বীমা প্ৰযোজ্য হৈ থকাৰ বাবে লগা অৱশেষ ধনৰাশি কমি গ'লে সমাপ্ত হৈ যাব। যদি দেয় তিথিত পৰ্য্যাপ্ত অৱশেষ ধনৰাশি বেংক একাউণ্টত নথকাৰ দৰে কোনো কাৰিকৰী কাৰণত বীমা বন্ধ হৈ যায় তেন্তে ইয়াক পূৰ্ণ বাৰ্ষিক প্ৰিমিয়াম প্ৰাপ্ত কৰাৰ পাছত বহাল কৰিব পৰা যায়। ই নিৰ্দ্ধাৰিত কৰি দিয়া নিয়ম আৰু চৰ্ত্তাৱলীৰ অধীনস্থ।



# প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা

প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা হ'ল এটা চৰকাৰ-সমৰ্থিত বীমা যোজনা যি এবছৰৰ বাবে সুৰক্ষাকবচ প্ৰদান কৰে, প্ৰতি বছৰে নৱীকৰণীয়, এই বীমা যোজনাই যিকোনো কাৰণত হোৱা মৃত্যুৰ বাবে জীৱন বীমাৰ সুৰক্ষাকবচৰ নিশ্চয়তা দিয়ে।

ভাগ লোৱা বেংকসমূহৰ 18 ৰপৰা 50 বছৰৰ ভিতৰত বয়স হোৱা সকলো একাউণ্ট ধাৰকে এই যোজনাত চামিল হোৱাৰ অধিকাৰ ভোগ কৰে। এই সুৰক্ষাকবচ 1 জুনৰপৰা 31 মেইলৈকে এবছৰীয়া এটা কালৰ বাবে প্ৰযোজ্য হৈ থাকিব, যাৰ বাবে নিৰ্দ্দিষ্ট প্ৰপত্ৰত নিৰ্দ্ধাৰিত সঞ্চয় বেংক একাউণ্টৰপৰা অটো-ডেবিটৰদ্বাৰা চামিল/ধনাদায় কৰাৰ বিকল্প প্ৰতি বছৰে 31 মেইৰ ভিতৰত দিয়াটো প্ৰয়োজনীয়।

**প্ৰিমিয়াম:** ইয়াৰ বাবে প্ৰতি সদস্যই দিবলগীয়া বাৰ্ষিক প্ৰিমিয়াম হ'ল 330 টকা। প্ৰতি বছৰে বাৰ্ষিক সুৰক্ষাকবচ কালদৈৰ্ঘ্যৰ 31 মেই বা তাৰ আগতে একেটা কিস্তিত অটো-ডেবিট সুবিধাৰ জৰিয়তে একাউণ্ট ধাৰকৰ সঞ্চয় একাউণ্টৰপৰা প্ৰিমিয়াম কাটি লোৱা হ'ব।

**লাভ:** যিকোনো কাৰণত সদস্যৰ মৃত্যু হ'লে 2 লাখ টকা দেয় হ'ব।

সদস্যৰ জীৱনৰ ওপৰত দিয়া সুৰক্ষাকবচ তলত দিয়া যিকোনো এটা ঘটনাত সমাপ্ত হ'ব আৰু ইয়াৰ অধীনত কোনো লাভ দেয় নহ'ব:

1) সেই তাৰিখ পৰ্যন্ত বাৰ্ষিক নৱীকৰণৰ অধীনত 55 বছৰ (জন্মদিনৰ সমীপৱৰ্ত্তী বয়স) বয়সত ভৰি দিলে (অৱশ্যে, 50 বছৰতকৈ অধিক বয়সত প্ৰৱেশ সম্ভৱ নহয়)।

2) বীমা অব্যাহত ৰাখিবৰ বাবে বেংকত থকা একাউণ্ট বন্ধ হৈ যোৱা বা অৱশেষ ধনৰাশি প্ৰয়োজনীয় অংকটোতকৈ কমি যোৱা।

3) যদি কোনো সদস্যক পীএমজেজেবীৱাইৰ অধীনত জীৱন বীমাৰ সৈতে একাধিক একাউণ্টৰ জৰিয়তে সুৰক্ষাকবচ দিয়া হয় আৰু প্ৰিমিয়াম জীৱন বীমা/অন্য কোম্পানীয়ে অজানিতে প্ৰাপ্ত কৰে, তেন্তে বীমা সুৰক্ষাকবচ 2 লাখ টকা হ'ব আৰু প্ৰিমিয়াম জব্দ কৰাৰ বাবে উত্তৰদায়ী হ'ব।

4) যিকোনো কাৰিকৰী কাৰণত, যেনে দেয় তিথিত অপৰ্য্যাপ্ত অৱশেষ ধনৰাশি থকা বা আন যিকোনো প্ৰশাসনিক কাৰণত যদি বীমা সুৰক্ষাকবচ সমাপ্ত হৈ যায়, তেন্তে পূৰ্ণ বাৰ্ষিক প্ৰিমিয়াম প্ৰাপ্ত কৰাৰ পাছত আৰু সদস্যৰ স্বাস্থ্য ভালে থকাৰ সন্তোষজনক প্ৰমাণ পালে ইয়াক বাহাল কৰিব পৰা যায়।

## জন সুৰক্ষা আঁচনি
## ৰাষ্ট্ৰীয় শুল্কবিহীন নম্বৰ

**1800-180-1111**

**1800-110-001**

| | |
|---|---|
| অন্ধ্ৰপ্ৰদেশ | 1800-425-8525 |
| আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ | 1800-345-4545 |
| অৰুণাচল প্ৰদেশ | 1800-345-3616 |
| অসম | 1800-345-3756 |
| বিহাৰ | 1800-345-6195 |
| চণ্ডীগড় | 1800-180-1111 |
| ছত্ৰীচগড় | 1800-233-4358 |
| দাদৰা এণ্ড নগৰ হাভেলী | 1800-225-885 |
| দমন এণ্ড দীউ | 1800-225-885 |
| দিল্লী | 1800-1800-124 |
| গোৱা | 1800-2333-202 |
| গুজৰাট | 1800-225-885 |
| হাৰিয়ানা | 1800-180-1111 |
| হিমাচল প্ৰদেশ | 1800-180-8053 |
| ঝাৰখণ্ড | 1800-345-6576 |
| কৰ্ণাটক | 1800-4259-7777 |
| কেৰালা | 1800-425-11222 |

# প্ৰধানমন্ত্ৰী
# জীৱন জ্যোতি বীমা যোজনা

# মিছন ইন্দ্ৰধনুষ (এমআই)

টিকাকৰণ কাৰ্য্যসূচী সুদৃঢ়, সবল কৰি তুলিবলৈ আৰু ক্ষিপ্ৰ গতিত সকলো শিশুৰ বাবে পূৰ্ণ টিকাকৰণ কভাৰেজ প্ৰাপ্ত কৰিবলৈ, ভাৰত চৰকাৰে 2014 চনৰ ডিচেম্বৰ মাহত মিছন ইন্দ্ৰধনুষৰ শুভাৰম্ভ কৰে যাতে এই কথা সুনিশ্চিত কৰিব পৰা যায় যে দুবছৰতকৈ কম বয়সৰ সকলো শিশু আৰু গৰ্ভৱতী মহিলাসকলক আটাইবোৰ লভ্য টিকাসহিতে সম্পূৰ্ণৰূপে টিকাকৰণ কৰিব পৰা যায়।

এই কাৰ্য্যসূচীৰ বাবে চৰকাৰে দেশৰ সেইবোৰ ৰাজ্যৰ জিলাসমূহক চিনাক্ত কৰে য'ত আংশিক ৰূপত প্ৰতিৰক্ষিত আৰু অপ্ৰতিৰক্ষিত শিশুৰ সংখ্যা অধিক হোৱাৰ কাৰণত মনোযোগ বেছিকৈ কেন্দ্ৰীভূত কৰ'ব প্ৰয়োজন আছে। মিছন ইন্দ্ৰধনুষৰ চাৰিটা পৰ্য্যায়ৰ সময়ছোৱাত মুঠ 528 খন জিলাক সামৰি লোৱা হয়।

প্ৰধানমন্ত্ৰীয়ে 90% তকৈ অধিক কভাৰেজৰ লক্ষ্যত উপনীত হোৱাৰ বাবে 2017 চনৰ 8 অক্টোবৰত দেশৰ বচা বচা জিলা আৰু চহৰীয়া ক্ষেত্ৰসমূহত তীব্ৰ মিছন ইন্দ্ৰধনুষৰ (আইএমআই) শুভাৰম্ভ কৰে।

আইএমআইয়ে 2 বছৰলৈকে বয়স হোৱা শিশু আৰু নিয়মিত টিকাকৰণৰপৰা বঞ্চিত গৰ্ভৱতী মহিলাসকলৰ ওপৰত মনোযোগ কেন্দ্ৰীভূত কৰিব। অৱশ্যে আইএমআই ৰাউণ্ডৰ সময়ছোৱাত 5 বছৰলৈকে বয়স হোৱা শিশুসকলক প্ৰয়োজন অনুসাৰে টিকাকৰণ কৰা হ'ব। আইএমআই শুভাৰম্ভ কৰাৰ লগে লগে, লক্ষ্যপ্ৰাপ্তিৰ সময়সীমা এতিয়া 2020 চনৰপৰা আগবাঢ়ি 2018 চনৰ ডিচেম্বৰ মাহ হৈছেগৈ। শৈশৱত হ'ব পৰা ৰোগসমূহৰ বিৰুদ্ধে নিবাৰণমূলক টিকাকৰণৰ সম্পূৰ্ণ অধিকাৰ শিশুসকলৰ আছে।




| বয়স | টিকা |
|---|---|
| জন্ম | Bacillus Calmette Guerin (BCG), Oral Polio Vaccine (OPV)-0 |
| 6 সপ্তাহ | OPV-1, Pentavalent-1, Rotavirus Vaccine (RVV)-1***, Fractional dose of Inactivated Polio Vaccine (fIPV)-1, Pneumococc |
| 10 সপ্তাহ | OPV-2, Pentavalent-2, RVV-2*** |
| 14 সপ্তাহ | OPV-3, Pentavalent-3, fIPV-2, RVV-3***, PCV-2*** |
| 9-12 মাহ | Measles-1 or Measles & Rubella (MR)-1***, JE-1* , PCVBooster*** |
| 16-24 মাহ | Measles-2 or MR-2***, JE-2*, Diphtheria, Pertussis & Tetanus (DPT)-Booster-1, OPV –Booster |
| 5-6 বছৰ | DPT-Booster-2 |
| 10 বছৰ | Tetanus Toxoid (TT) |
| 16 বছৰ | TT |
| গৰ্ভৱতী মাতৃ | TT1, 2 or TT Booster** |

**শৈশৱত হ'ব পৰা ৰোগসমূহৰ বিৰুদ্ধে নিবাৰণমূলক টিকাকৰণৰ সম্পূৰ্ণ অধিকাৰ শিশুসকলৰ আছে।**

- 30,08,15,385 এলইডী বাল্ব বিতৰণ কৰা হৈছে
- প্ৰতি বছৰে 39066 এমএন কিলোৱাট শক্তি ৰাহি কৰা হৈছে
- প্ৰতি বছৰে 3,16,43,453

# সকলোৰে বাবে কমখৰচী এলইডীৰদ্বাৰা উন্নত জ্যোতি যোজনা

উজালা যোজনাৰ উদ্দেশ্য হ'ল আবাসিক স্তৰত শক্তিৰ দক্ষ উপযোগত উৎসাহ প্ৰদান কৰা; উপভোক্তাসকলৰ সচেতনতা বৃদ্ধি কৰাৰ বাবে শক্তি ৰাহি কৰাৰ বাবে দক্ষ উপকৰণ ব্যৱহাৰ কৰাৰ কাৰ্য্যকাৰিতা আৰু উচ্চ প্ৰাথমিক ব্যয় কম কৰাৰ দাবী একগোট কৰাৰ ফলত আবাসিক উপযোগকৰ্ত্তা সকলৰদ্বাৰা এলইডী পোহৰৰ সৰ্বাধিক প্ৰয়োগৰ পথ সুগম কৰিব পৰা যায়। উজালা উপকৰণসমূহ প্ৰতিটো এলইডী বাল্ব 70 টকাৰ হিচাপত, প্ৰতিটো এলইডী টিউবলাইট 220 টাকাৰ হিচাপত আৰু প্ৰতিখন ফেন 1,110 টকাৰ হিচাপত ক্ৰয় কৰিব পৰা যায়। এই উদ্যম দেশত শক্তি দক্ষতাৰ বাৰ্তা বিয়পাবৰ বাবে ভাৰত চৰকাৰে চলোৱা প্ৰচেষ্টাৰ এটা অংশ।

প্ৰতিটো পৰিয়ালে নিজৰ সংশ্লিষ্ট বিদ্যুৎ বিতৰণ কোম্পানীৰপৰা মিটাৰ কানেকছন থাকিলে উজালা যোজনাৰ অধীনত এলইডী বাল্ব প্ৰাপ্ত কৰাৰ অধিকাৰী হৈ উঠে। উপভোক্তাই ইএমআই ধনাদায় (বিজুলীৰ বিলত মাহেকীয়া/দ্বিপাক্ষিক কিস্তি) বা সম্পূৰ্ণ ধনৰাশিৰ আদায় কৰি অগ্ৰিম ধনাদায় কৰি এলইডী ক্ৰয় কৰিব পাৰে। উজালা এলইডী প্ৰাপ্ত কৰিবলৈ উপভোক্তাই তলত দিয়া দস্তাবেজসমূহ দিব লাগিব:

1) **ইএমআই ক্ৰয়ৰ বাবে –** একেবাৰে শেহতীয়া বিজুলী বিলৰ প্ৰতিলিপি আৰু চৰকাৰৰদ্বাৰা অধিকৃত আইডী প্ৰমাণৰ প্ৰতিলিপি।

2) **অগ্ৰিম ক্ৰয়ৰ বাবে –** চৰকাৰ অধিকৃত আইডী প্ৰমাণৰ প্ৰতিলিপি।

উজালা এলইডী বাল্ববোৰ চহৰত নিৰ্দ্দিষ্ট স্থানসমূহত স্থাপিত বিশেষ কাউণ্টাৰৰ (কিয়োস্ক) জৰিয়তে বিতৰণ কৰি থকা হৈছে। ই খুচুৰা বিক্ৰীৰ দোকানবোৰত লভ্য নহয়। বিতৰণ কাউণ্টাৰসমূহৰ স্থান বিৱৰণ www.ujala.gov.in ত লভ্য, যিটো স্থান উপভোক্তাসকলৰ সুবিধাৰ বাবে ভু-টেগ কৰা হৈছে।

যদি এলইডী বাল্ব কাৰিকৰী দোষৰ বাবে কাম নকৰা হয়, তেন্তে ইইএছএলে তিনি বছৰৰ বাবে বিনামূল্যে প্ৰতিস্থাপন প্ৰদান কৰে। নিৰ্দ্ধাৰিত প্ৰতিস্থাপন/বিতৰণ কিয়োস্কৰপৰা আটাইবোৰ প্ৰতিস্থাপনৰ কাম কৰা হয়।




- প্ৰতিটো ঘৰত বিজুলী প্ৰদান কৰা
- 2017 চনৰ 25 ছেপ্টেম্বৰত শুভাৰম্ভ কৰা হয়
- 2017 চনৰ 11 অক্টোবৰৰপৰা 63,74,234 টা পৰিয়াল উপকৃত

# প্ৰধানমন্ত্ৰী সহজ বিজুলী হৰ ঘৰ যোজনা - সৌভাগ্য

গ্ৰামীণ ক্ষেত্ৰসমূহত বৈদ্যুতিকৰণ কৰা আটাইবোৰ ঘৰক অন্তিম মাইলৰ কানেক্টিভিটি আৰু বিজুলী সংযোগ প্ৰদান কৰিবলৈ 2017 চনৰ 25 ছেপ্টেম্বৰ তাৰিখে প্ৰধানমন্ত্ৰী সহজ বিজুলী হৰ ঘৰ যোজনা – সৌভাগ্যৰ শুভাৰম্ভ কৰা হয়।

গ্ৰামীণ ক্ষেত্ৰসমূহত দৰিদ্ৰ আৰু অনা-দৰিদ্ৰ আটাইবোৰ পৰিয়ালক আৰু চহৰীয় ক্ষেত্ৰৰ দৰিদ্ৰ পৰিয়ালসমূহক ইয়াৰ অধীনত বিনামূলীয়া বিজুলী সংযোগ প্ৰদান কৰা হ'ব। চহৰীয় এলেকাৰ অনা-দৰিদ্ৰ পৰিয়ালসমূহক এই যোজনাৰ পৰিধিৰপৰা বাহিৰত ৰখা হৈছে

সময়মতে বিজুলীৰ বিলৰ ধন পৰিশোধ কৰিব নোৱাৰাৰ বাবে যিসকলৰ বিজুলী সংযোগ বিচ্ছিন্ন কৰি হোৱা হৈছে তেওঁলোকক এই যোজনাৰ লাভ দিয়া নহ'ব। অৱশ্যে, উপযোগিতা মানদণ্ড অনুসাৰে পুৰণি বকেয়া আৰু পুনৰ বিজুলী সংযোগ স্থাপন সম্পৰ্কে এটা সিদ্ধান্তলৈ অহাৰ কথাটো বিবেচনা কৰিব পৰা যায়। বিজুলী-সংযোগ নহকা পৰিয়ালসমূহক দিয়া বিজুলী-সংযোগত কাৰিকৰী বিনিৰ্দ্দেশ তথা নিৰ্মাণ মানকসমূহৰ লগত খাপ খুৱাকৈ

সন্নিবিষ্ট থাকে হাৰ্ভিচ লাইন কেবলৰ ব্যৱস্থা, প্ৰি পেইড/স্মাৰ্ট মিটাৰকে ধৰি এনাৰ্জি মিটাৰ, ছিংগল পইণ্ট ৱায়'ৰিঙ, এলইডী লাম্প আৰু আনুষঙ্গিক সা-সৰঞ্জামসমূহ।

দূৰণিবটীয়া আৰু দুৰ্গম গাওঁ/বসতিক্ষেত্ৰসমূহত, যিবোৰ এলেকাত গ্ৰীড বিস্তাৰ কৰাটো ব্যৱহাৰিক বা ব্যয় প্ৰভাৱী নহয়, সেইবোৰত বিজুলী সংযোগ নথকা পৰিয়ালসমূহৰ বাবে সৌৰ ফটোভল্টেইক (এছপীভী) আধাৰিত বিশিষ্ট প্ৰণালী বিজুলী যোগানৰ কামত লগোৱা হ'ব। ইয়াত সৰ্বাধিক 5টা এলইডী লাইট, 1 খন ডীচী ফেন, 1টা ডীচী প'ৱাৰ প্লাগ আদিৰ সৈতে 200 ৰপৰা 300 ৱাট পীক (বেটেৰী বেংকসহিতে) পাৱাৰ পেক প্ৰদান কৰা হ'ব, 5 বছৰৰ বাবে মেৰামতি আৰু তত্বাৱধানৰ ব্যৱস্থাসহিতে।

এই যোজনাৰ অধীনত বিনামূলীয়া বিজুলী যোগানৰ বাবে সম্ভাব্য হিতাধিকাৰী পৰিয়ালসমূহক চিনাক্ত কৰা হ'ব আৰ্থ-সামাজিক জাতি লোকপিয়ল (SECC) 2011ৰ ডেটা ব্যৱহাৰ কৰি। অৱশ্যে SECC ডেটাত সন্নিৱিষ্ট নোহোৱা বিজুলী সংযোগবিহীন পৰিয়ালসমূহে 500 টকাৰ ধনাদায় কৰিলেই বিজুলী সংযোগ প্ৰদান কৰা হ'ব আৰু বিজুলী বিলৰ জৰিয়তে মুঠ 10 টা কিস্তিত এই ধনৰাশি কাটি লোৱা হ'ব।

সৌভাগ্য যোজনাৰ অধীনত ডিস্কম বা বিজুলী বিতৰণ কোম্পানীসমূহে গাওঁবোৰত/গাওঁৰ গোটসমূহত শিবিৰৰ আয়োজন কৰিব যাতে ঘৰবোৰত বিজুলী সংযোগ স্থাপন কৰাৰ লগতে আবেদন পত্ৰ পূৰণ কৰাৰ সুবিধা দিব পৰা যায়  লভ্য হোৱা উপভোক্তা বিষয়ক বিৱৰণ যেনে নাম আৰু আধাৰ সংখ্যা/ম'বাইল নম্বৰ/বেংক একাউণ্ট/ড্ৰাইভিং লাইচেঞ্চ/ভোটাৰ পৰিচয় পত্ৰ ইত্যাদি ডিস্কমসমূহে সংগ্ৰহ কৰিব।




# প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা

দাৰিদ্ৰ্য সীমাৰেখাৰ (বীপীএল) তলত বাস কৰা পৰিয়ালবোৰৰ মহিলাসকলক এলপীজী কানেকচন প্ৰদান কৰাৰ বাবে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেচ মন্ত্ৰালয়ে আৰম্ভ কৰা এখন যোজনা হ'ল প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা। এই যোজনাৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল:

- হিতাধিকাৰী বাছনি কৰা হ'ব বীপীএল পৰিয়ালবোৰৰপৰা
- অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকক অগ্ৰাধিকাৰ দিয়া হ'ব
- এলপীজী ব্যৱহাৰ কৰিবলৈ নোপোৱা এটা বীপীএল পৰিয়ালৰ এগৰাকী মহিলাই নিৰ্দ্ধাৰিত প্ৰপত্ৰত তেওঁৰ সমীপৱৰ্ত্তী এলপীজী বিতৰকৰ ওচৰত এটা নতুন সংযোগৰ বাবে আবেদন কৰিব পাৰিব।
- আৱেদন পত্ৰৰ সৈতে তেওঁ ঠিকনা, বেংক একাউণ্ট আৰু নিজৰ বা পৰিয়ালৰ সদস্যসকলৰ আধাৰ সংখ্যা আদি বিৱৰণ জমা কৰিব লাগিব।




- অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে ৰেছন কাৰ্ড/পীএমএ হিতাধিকাৰীৰ বাবে পীএমএ প্ৰমাণপত্ৰ/অন্ত্যোদয় অন্ন যোজনা (এএৱাই)- এএৱাই ৰেছন কাৰ্ডত উল্লেখ থকা জাতিৰ প্ৰমাণপত্ৰ
- এছইচীচী 2011 ৰ সূচীৰ বাহিৰেও হিতাধিকাৰীৰ বাবে, পূৰক কেৱাইচী অনুসাৰে 14 টা বিন্দুৰ ঘোষণা সম্পূৰ্ণৰূপে ভৰাওক
- হিতাধিকাৰীয়ে প্ৰয়োজন অনুসাৰে এটা পেকেজ বাছনি কৰিব পাৰে
- হিতাধিকাৰীয়ে হট প্লেট আৰু প্ৰথম এলপীজী ৰিফিলৰ (1230 টকা প্ৰায় 1650 টকা 2টা বাৰ্নাৰৰ হটপ্লেট আৰু 5 বা 14.2 কিলোগ্ৰাম ৰিফিলৰ বাবে) বাবে ধনাদায় কৰিব পাৰে বা তেল কোম্পানীৰপৰা ঋণ ল'ব পাৰে আৰু সপ্তম ৰিফিলৰপৰা কিস্তিত ঋণ পৰিশোধ কৰিব পাৰে

| বিৱৰণ | 5 কিলোগ্ৰাম | 14.2 কিলোগ্ৰাম চিলিণ্ডাৰ পেকেজ |
|---|---|---|
| সুৰক্ষা জমা চিলিণ্ডাৰ | 800 | 1250 |
| সুৰক্ষা ৰেগুলেটৰ | 150 | 150 |
| সুৰক্ষা নলী 1.2 মিটাৰ | 100 | 100 |
| ডীজীচীচী পুস্তিকা | 25 | 25 |
| নিৰীক্ষণ/স্থাপন প্ৰদৰ্শন/প্ৰলেখন ব্যয় | 75 | 75 |
| মুঠ ব্যয়/নগদ ধনৰ সহায়তা | 1150 | 1600 |

**দৰিদ্ৰ পৰিয়ালসমূহক খাদ্য ৰন্ধাৰ বাবে স্বচ্ছ ইন্ধন প্ৰদান কৰিব পাৰিলে তেওঁলোকৰ স্বাস্থ্য, অৰ্থনৈতিক অৱস্থা আৰু পৰিৱেশৰ ওপৰত সুপ্ৰভাৱ পৰে।**

- 715 খন জিলা সামৰি লোৱা হৈছে
- 3,98,77,723 বীপীএল এলপীজী কানেকচন প্ৰদান কৰা হৈছে
- 1906: এলপীজী উৎখনিৰ অভিযোগৰ বাবে 24x7 হেল্পলাইন নম্বৰ

## সম্প্ৰসাৰিত গ্ৰাম স্বৰাজ অভিযান - দ্বিতীয় পৰ্য্যায়ৰ অধীনত সামৰি লোৱা গাওঁ




পঞ্চায়তীৰাজ মন্ত্ৰালয়
ভাৰত চৰকাৰ

www.panchayat.gov.in
http://gsa.nic.in

पंचायती राज
PANCHAYATI RAJ



# এখন আদৰ্শ খেতিপথাৰৰ কাহিনী



**জিলাকলপল্লী জংগা ৰেড্ডীৰ দৰে কৃষকৰ বাবে কৃষি-পুখুৰী সফলতাৰ কাহিনী হৈ উঠিছে আৰু সেইটো সম্ভৱ হৈছে মনৰেগাৰ সৈতে মিলিত হোৱাৰ বাবেই।**

জিলাকলপল্লী জংগা ৰেড্ডী তেলেংগানাৰ ৰংগাৰেড্ডী জিলাৰ ৰায়পোল গাঁৱৰ বাসিন্দা। পূৰ্বতে দাক্ষিণাত্য মালভূমিৰ অন্তৰ্গত এই অঞ্চলত গড় বৃষ্টিপাত আছিল প্ৰায় 450-500 চে.মি.। যোৱা কেইবছৰমানৰপৰা বৰষুণৰ স্থিতিত কিছু অনিশ্চয়তা আহিবলৈ লৈছে আৰু গড় বৃষ্টিপাতো কমিবলৈ ধৰিছে। পৰিণতিত কেৱল খেতিৰ বাবেই লগা পানীতেই নহয় খোৱাপানীৰ ক্ষেত্ৰতে নাটনিয়ে দেখা দিবলৈ ধৰিছে। এইখন জিলাৰ কৃষক ঘাইকৈ বৰষুণৰ ওপৰত নিৰ্ভৰশীল আৰু তেওঁলোকৰ ওচৰত জলসিঞ্চনৰ আন কোনো সাধন নাই। এনে পৰিস্থিতিত কৃষকসকলে ঘাইকৈ বজ্ৰা আৰু বুটমাহৰ খেতি কৰে। বজ্ৰা আৰু বুটমাহে তেওঁলোকৰ আহাৰ সম্পৰ্কীয় প্ৰয়োজন পূৰণ কৰে ঠিকেই কিন্তু তেওঁলোকৰ কোনো অতিৰিক্ত উপাৰ্জন হোৱা নাছিল, যিটো কাৰণত তেওঁলোকে পৰিয়ালৰ ভৰণ-পোষণ ঠিকমতে কৰিব পৰা নাছিল। 2015 চনৰ ভীষণ জল সংকটৰ সময়ছোৱাত গাঁৱৰ সমূহ কুঁৱা আৰু নলীনাদ শুকাই গৈছিল। পানীৰ অভাৱত গোটেই গাওঁখনতে হাহাকাৰ লাহিছিল। গাওঁবাসীয়ে জংগা ৰেড্ডীৰ সন্মতিসহকাৰে সিদ্ধান্ত ল'লে যে তেওঁৰ মাটিত এটা পুখুৰী খন্দা যাওক য'ত অনাহকতে বৈ যোৱা পানীখিনি ধৰি ৰাখিব পৰা যায়। সোনকালেই মনৰেগাৰ অধীনত এটা পুখুৰী খন্দা হ'ল।

ঘটনাক্ৰমে সেই বছৰ ৰায়পোলত বৰষুণো ভাল হৈছিল আৰু ৰেড্ডীৰ পুখুৰী পানীৰে ভৰি গৈছিল। পানীৰে ভৰি থকা পুখুৰীটো দেখি ৰেড্ডী বহুত উৎসাহিত হৈছিল আৰু তেওঁ সেই বছৰ বিলাহীৰ খেতি কৰিবলৈ সিদ্ধান্ত কৰে। শ্ৰী ৰেড্ডীয়ে জলসিঞ্চনৰ বাবে এটা মটৰ আৰু পানী স্প্ৰে কৰাৰ বাবে মেচিনৰ ব্যৱস্থা কৰিলে। বিলাহীৰ ভাল ফচল হ'বলৈ হ'লে কৃষকে সম্পূৰ্ণ মনোযোগ দিয়াৰ লগতে নিয়মিত ৰূপত জলসিঞ্চনৰো ব্যৱস্থা কৰাৰ প্ৰয়োজন হয়। ৰেড্ডীয়েও ঠিক তাকেই কৰিলে আৰু বিলাহীৰ ভাল ফচল তৈয়াৰ হৈ উঠিল। সেই সময়লৈকে বিলাহীৰ দাম প্ৰতি কিলোগ্ৰামত 20 টকা আছিল। ভাল ফচল হোৱাৰ বাবে ৰেড্ডীৰ প্ৰায় 20000/- টকা লাভ হয়। ৰেড্ডীয়ে পোৱা আন এটা লাভ আছিল এইটো যে পুখুৰীৰ পানী গৰু-ম'হৰ পান কৰাৰ কামতো আহিছিল। পুখুৰীত জমা হোৱা পানীৰপৰা ভূগৰ্ভস্থ জলবো ৰিচাৰ্জ হৈছিল যাৰ ফলত শুকাই যোৱা কুঁৱাবোৰত আকৌ পানী আহিবলৈ লৈছিল। ♦

### প্ৰভাৱ

**মনৰেগাৰ সহযোগত পুখুৰী খন্দাৰ কাম আছিল এটা ডাঙৰ অভিজ্ঞতা। ইয়াৰ ফলত ৰেড্ডীৰ কেৱল উপাৰ্জনেই বঢ়া নাছিল লগতে তেওঁৰ আত্মবিশ্বাসো বাঢ়িছিল। এতিয়া তেওঁ নিজৰ ক্ষেত্ৰৰ এজন সফল খেতিয়ক হিচাপে পৰিচিত হৈছিল আৰু চুবুৰীয়া গাঁৱৰ লোকসকল ৰেড্ডীৰ পথাৰলৈ আহি তেওঁৰ অভিজ্ঞতাৰপৰা লাভ আহৰণ কৰিবলৈ লৈছিল। এতিয়া ৰেড্ডীৰ সফলতা দেখি কৃষকসকল হৈ উঠিছে আশাবাদী আৰু উৎসাহিত।**





# জাবৰ-জোঁথৰৰপৰা জৈৱিক সাৰলৈকে

**মনৰেগাৰ সহযোগত ভাৰ্মি-কম্প'ষ্টৰ উৎপাদনৰদ্বাৰা মাটিৰ উৎপাদকতা বাঢ়ি গৈছে আৰু ইয়াৰ ফলত কৃষকসকলৰ উপাৰ্জনো বাঢ়িবলৈ লৈছে।**

তামিলনাডুৰ বেল্লোৰ জিলাৰ ৱালাজাহ খণ্ডৰ থিৰুপৰকডল গ্ৰাম পঞ্চায়তে ইয়াৰ থুইমাই কৰ'লৰসকলৰ (পৰিৱেশ কৰ্মচাৰী) প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে যিসকলৰ বাবেই গাওঁখন চাফ-চিকুণ হৈ থাকে। তাত জাবৰ-জোঁথৰ নিষ্কাসনৰ সুন্দৰ ব্যৱস্থা আছে। এই অঞ্চলত এফালেদি চৰকাৰী ছাবচিডি সত্ত্বেও সাৰৰ দাম অতি বেছি আছিল আৰু সাৰ পৰ্য্যাপ্ত মাত্ৰাত পোৱা নগৈছিল, আনফালে পচন সাৰ সম্পূৰ্ণ মাত্ৰাত ব্যৱহাৰ কৰিব পৰা নগৈছিল। অঞ্চলটোত প্ৰায় 400 খেতিয়কে 2500 একৰ মাটিত খেতি কৰিছিল। এনে পৰিপ্ৰেক্ষিতত ইয়'ত ব্যৱসায়িক স্তৰত পচন সাৰ উৎপাদন আৰু বিক্ৰীৰ প্ৰচুৰ সম্ভাৱনা আছিল। গ্ৰাম পঞ্চায়তে এই অঞ্চলত ভাৰ্মি-কম্প'ষ্টিঙত উৎসাহ প্ৰদান কৰিবলৈ সিদ্ধান্ত লৈছিল। গ্ৰাম পঞ্চায়তৰ ৰাইজে দেখিলে ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ ফলত মাটিৰ কেৱল উৰ্বৰতা কম হোৱাই নহয় বৰঞ্চ শস্যৰ উৎপাদনো কমি আহিছিল। ভাৰ্মি কম্প'ষ্টে কেৱল মাটিৰ উৰ্বৰতা বৃদ্ধি কৰাই নহয়, সেই কামত কেঁচুৱেও সহায় কৰে। কেঁচু আৰু আন জৈৱিক পদাৰ্থসমূহে মাটিৰ তত্ত্বসমূহ উন্নত কৰে আৰু ই পানী ধৰি ৰখাতো সহায় কৰে। ই সূক্ষ্ম জীৱসমূহৰ উপস্থিতি বৃদ্ধি কৰি মাটিৰ উৰ্বৰতা বৰ্তাই ৰাখে।

মনৰেগাৰ অধীনত এই প্ৰকল্পৰ কাম আৰম্ভ কৰা হয়। ভাৰ্মি কম্প'ষ্ট উৎপাদন সুবিধাৰ মুঠ খৰচ আছিল 90000/- টকা। ইয়াৰে 64,647/- টকা বস্তু ক্ৰয় কৰাত খৰচ কৰা হয়। এক লাখ 3 হাজাৰ, 537 টকাৰ মানৱ-দিৱসৰ সৃষ্টি কৰা হয়। 7.00 মি x 3.50 মি. ক্ষেত্ৰফলৰ এটা ভাৰ্মি কম্প'ষ্ট উৎপাদন গোট স্থাপন কৰা হয়।

**প্ৰভাৱ**

**এই গোটটোৱে 1.2 টন ভাৰ্মি কম্প'ষ্ট উৎপাদন কৰে। ইয়াক 5 কিলোগ্ৰাম আৰু 1 কিলোগ্ৰামৰ পেকেটত বেচা হয়। কৃষকসকলে কৰা ক্ৰয়ৰ বাহিৰেও, গ্ৰাম পঞ্চায়তে ভাৰ্মি-কম্প'ষ্টৰ এখন বজাৰো বিকাশাই তুলিছে। এই সাৰ যোগান ধৰা হয় খণ্ডটোৰ চৰকাৰী নাৰ্ছাৰীসমূহত, ৰাস্তাৰ কাষত ৰোপণ কৰা গছবোৰত আৰু মনৰেগাৰ অধীনত চলাই থকা বৃক্ষৰোপণ অভিযানসমূহত। এইদৰে পঞ্চায়তে চৰকাৰী নাৰ্ছাৰী আদিত যোগানৰদ্বাৰা কৃষকসকল আৰু আত্মসহায়ক গোটসমূহৰ আয় বঢ়োৱাত সহায় কৰিছে।**

ভাৰ্মি-কম্প'ষ্টৰ উৎপাদনৰ বাবে 9টা গাঁত খন্দা হয়। এইবোৰৰ জোখ আছিল 1.50 মি. x 0.90 মি. x 0.75 মি.। এইবোৰক খাঁহ-বনেৰে ঢাকি 2টা গাঁতত ভাৰ্মি কালচাৰৰ কামত লগোৱা হয় আৰু অৱশিষ্ট 7টা গাঁত ভাৰ্মি কম্প'ষ্ট তৈয়াৰ কৰাৰ কামত লগোৱা হয়। এই গাঁতবোৰ এঢলীয়া কৰা হয় যাতে তলত পানী জমা হ'ব নোৱাৰে। ঢাকি থোৱা গাঁতবোৰৰ চাৰিওফালে এখন সেউজীয়া জালো লগোৱা হয় যাতে তাত ছাঁ পৰি থাকে আৰু গাঁতত থকা কম্প'ষ্ট চৰাইবোৰৰপৰা ৰক্ষা কৰিব পৰা যায়। ভাৰ্মি কম্প'ষ্ট তৈয়াৰ কৰাৰ সময়ত বহুত কথালৈ মনোযোগ দিবলগীয়া হয়। প্ৰথম কথা গাঁতবোৰৰ তলিত শিলগুটি আৰু বালিৰ 15 চে.মি. ডাঠ তৰপ মেলি দিয়া হয় যাতে পানী ওলাই যাব নোৱাৰে। তাৰপাছত প্ৰী-ডাইজেষ্টেড কম্প'ষ্টৰ 60 ৰপৰা 90 চে.মি. উচ্চতাসম্পন্ন এটা তৰপ মেলি দিয়া হয়। পিছত গাঁতবোৰত কেঁচু মেলি দিয়া হয় আৰু তাৰ পাছদিনা পানী স্প্ৰে কৰি দিয়া হয়। চাৰিজন থুইমাই কবালৰ (পৰিৱেশ কৰ্মচাৰী) ভাৰ্মি কম্প'ষ্ট তৈয়াৰ কৰাৰ কামত লগোৱা হয়। স্থানীয় আত্ম সহায়ক গোটৰ 6 জন সদস্যক এই গোটটো চোৱা-চিতা কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে।♦




**ত্ৰিপুৰাৰ মোনাৰচক চেণ্ট্ৰেল নাৰ্ছাৰী নিজা বৈশিষ্ট্যৰে এক অনন্য নাৰ্ছাৰী, কিয়নো এইখনেই হ'ল বাঁহৰ একমাত্ৰ নাৰ্ছাৰী আৰু ই হ'ল বন বিভাগ আৰু মনৰেগাৰ সহযোগিতাৰ এক উৎকৃষ্ট চানেকি।**

# বাঁহ উৎপাদনৰ নাৰ্ছাৰী

বাঁহ অনেক প্ৰকাৰৰ কামত লগাব পৰা যায়। দেশৰ উত্তৰ-পূৰ্বাঞ্চলত বিশেষভাৱে ইয়াৰ ব্যৱহাৰ কৰা হয় আৰু বাঁহৰ আছে এটা বিশিষ্ট অৰ্থনীতি। উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক অৰ্থনীতিত বাঁহৰ আছে এটা বিশিষ্ট ভূমিকা। সেয়েহে বাঁহৰ বীজ প্ৰাপ্ত কৰিবলৈ বাঁহৰ এক নাৰ্ছাৰী খোলাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হয়। বাঁহৰ নাৰ্ছাৰীক Bambustem (এনেকুৱা বাগিচা যি ভৰি থাকে বাঁহৰ গছেৰে) নামেৰেও জনা যায়। বাঁহৰ নাৰ্ছাৰী স্থাপনৰ সময়ত বেছি ভাল ফল পোৱা যায় তেতিয়া, যেতিয়া সৰু সৰু নাৰ্ছাৰীৰ ঠাইত এখন ডাঙৰ নাৰ্ছাৰী স্থাপন কৰা হয়। ডাঙৰ নাৰ্ছাৰী স্থাপন কৰাৰ সবাতোকৈ ডাঙৰ লাভটো হ'ল বাঁহৰ খেতি কৰিবলৈ একে ঠাইতে সকলোৱে পৰ্য্যাপ্ত মাত্ৰাত বীজ পাব পাৰে। বাঁহৰ বীজ বৈজ্ঞানিক উপায়েৰে গজোৱা হয় আৰু এইবোৰ লগাব পাৰিলে বাঁহৰ খেতি ভাল হয়। এই কথা মনত ৰাখিয়েই মনৰেগ'ৰ সহযোগত ত্ৰিপুৰাৰ ছিপাহীজালা জিলাৰ কঠালিয়া খণ্ডৰ মাৰচুকত বাঁহৰ এখন নাৰ্ছাৰী স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। মোনাৰচক চেণ্ট্ৰেল নাৰ্ছাৰীৰ বিকাশ প্ৰক্ৰিয়াত প্ৰাৰম্ভিক অৱস্থাত বন বিভাগে কাৰিকৰী সহযোগিতাৰ প্ৰয়োজনসমূহ পূৰণ কৰিছিল আৰু ইয়াৰ ব্যাপক লাভ আহৰণ কৰিব পৰা গৈছিল। চেণ্ট্ৰেল নাৰ্ছাৰীয়ে বৃক্ষৰোপণ কাৰ্য্যসূচীত আটাইবোৰ প্ৰয়োজনীয় সামগ্ৰী লভ্য কৰোৱাত সহযোগিতা আগবঢ়াইছিল। যিসকল ব্যক্তিৰ ওচৰত মনৰেগাৰ জব কাৰ্ড নাছিল, তেওঁলোকৰ বাবে জব কাৰ্ডৰ ব্যৱস্থা কৰা হৈছিল যাতে তেওঁলোকে নাৰ্ছাৰীৰ বিকাশৰ কামত সহায় কৰিব পাৰে। বুনিয়াদী সা-সুবিধাৰ বিকাশৰ কামত প্ৰায় 98 লাখ টকা খৰচ হৈছিল আৰু মনৰেগাৰ পুঁজিবপৰা এইখিনি ধন প্ৰাপ্ত হৈছিল। এইদৰে বাঁহ গজোৱাৰ বাবে বাইজে সহজেই পৰ্য্যাপ্ত ধনৰাশি লাভ কৰিছিল। নাৰ্ছাৰীত 300 স্থায়ী ট্ৰান্সপ্লাণ্ট বেড নিৰ্মাণ কৰা হৈছিল। এখন বেডৰ দৈৰ্ঘ্য আৰু প্ৰস্থ আছিল যথাক্ৰমে 15 ফুট আৰু 4 ফুট। এই বেডবোৰত বহু বছৰলৈকে বিভিন্ন প্ৰজাতিৰ 500-750 পলি বেগ ছিডলিং বিকশিত কৰিব পৰা যায়। চেণ্ট্ৰেল নাৰ্ছাৰীত কেইবাটাও ভাৰ্মি কম্পষ্ট গোট আছে যিবোৰে ভাল গুণৰ জৈৱিক সাৰ প্ৰস্তুত কৰে। বাঁহৰ নাৰ্ছাৰীত এই সাৰৰ উন্নততৰ উপযোগিতা সম্ভৱ হয়। এই বুনিয়াদী সুবিধাৰ পৰিণতিত বাঁহ উৎপাদনত যথেষ্ট বৃদ্ধি সম্ভৱ হৈছে। বাঁহৰ বিভিন্ন উপযোগিতাৰ ভিতৰত আছে মাছ ধৰা যতন, ঝাড়ুৰ হেণ্ডুল, পৰ্দা, বাস্কেট, মেট, জুপুৰী, ধূপ, বাদ্য যন্ত্ৰ, খেলাৰ সামগ্ৰী আৰু পুতলা আদিৰ নিৰ্মাণ। বাঁহ উৎপাদনৰ ব্যৱস্থা থকা এই নাৰ্ছাৰীয়ে এই অঞ্চলৰ লোকসকলৰ উপাৰ্জনলৈ চকুত লগা বৃদ্ধি আনি দিছে। বাঁহৰ খেতিৰপৰা হোৱা উপাৰ্জনৰ কথাতো বেলেগেই।

## প্ৰভাৱ

**এই প্ৰকল্প, তৃণমূল পৰ্য্যায়ৰ লোকসকলক আৰু বৃক্ষৰোপণৰ কাম কৰিবলৈ ইচ্ছুক দুৰ্বল শ্ৰেণীৰ লোকসকলক, মনৰেগাৰ অধীনত ৰোজগাৰ প্ৰদান কৰিবলৈ সক্ষম। কৃষকসকলৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাত বাঁহ উৎপাদনে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।**

# পালক্কড় জিলাত প’ল্ট্ৰী গোটসমূহ

**কেৰালা ৰাজ্যৰ ব্ৰয়লাৰ চিকেন উদ্যোগত ক্ষিপ্ৰতাৰে পৰিৱৰ্ত্তন আহিবলৈ ধৰিছে। কেৰালা ৰাজ্য প’ল্ট্ৰী বিকাশ নিগমে, অন্য বিভাগৰ লগত কুডুম্বশ্ৰী মিছন ৰাজ্যৰ ইতিহাসৰ পুনৰাবৃত্তি ঘটোৱাত সহায় কৰি আহিছে।**



যোৱা কেইদিনমানৰ ভিতৰত ভাৰতীয় মুৰ্গী পালন উদ্যোগ ইয়াৰ অনগ্ৰসৰতাৰপৰা মুক্ত হৈ এটা সুব্যৱস্থিত বৈজ্ঞানিক টেকনো কমাচিয়েল উদ্যোগৰ ৰূপলৈ পৰিৱৰ্ত্তন হৈছে।

## ব্ৰয়লাৰ চিকেন

মাংস উৎপাদনত ব্ৰয়লাৰ চিকেনৰ (গেল্লছ গেল্লছ ডোমেষ্টিকছ) মুখ্য অৱদান আছে। ব্ৰয়লাৰ সাধাৰণতে ডাঙৰ শ্বেডৰ ভিতৰত সঘন স্থিতিত মিশ্ৰিত মতা-মাইকীৰ গোট হিচাপে বিকশিত হয়। বিশ্বজনীন মাংস উৎপাদনত মুৰ্গী মাংসৰ অনুপাত ক্ষিপ্ৰতাৰে বাঢ়িবলৈ লৈছে। পৃথিৱীৰ ভিতৰতে দ্বিতীয় বৃহৎ উন্নয়নশীল অৰ্থনীতিৰ দেশ ভাৰতত প’ল্ট্ৰী ক্ষেত্ৰৰ ক্ষিপ্ৰতাৰে বিকাশ হ’বলৈ ধৰিছে।

## কেৰালা চিকেননো কি?

মহিলা আত্ম সহায়ক গোটসমূহৰ সামূহিক প্ৰচেষ্টাত অগ্ৰণী, কুডুম্বশ্ৰীয়ে, ব্ৰয়লাৰ উৎপাদনৰ অনিশ্চয়তা দূৰ কৰাৰ বাবে পদক্ষেপ লৈ আহিছে। কেৰালা ৰাজ্য প’ল্ট্ৰী বিকাশ নিগম, পশুপালন বিভাগ, কেৰালা পশু চিকিৎসা তথা পশু বিজ্ঞান বিশ্ববিদ্যালয় আৰু স্থানীয় নিকায় তথা অন্য বিভাগৰ সৈতে লগলাগি, কুডুম্বশ্ৰী মিছনে বজাৰত কুডুম্বশ্ৰী ব্ৰয়লাৰ চিকেন উৎপাদন যোজনা তৈয়াৰ কৰিছে।

## এই কাৰ্য্যসূচীৰ উদ্দেশ্য

এই কাৰ্য্যসূচীৰ মুখ্য উদ্দেশ্য হ’ল ব্ৰয়লাৰ চিকেনৰ উৎপাদনৰদ্বাৰা উপভোক্তা সকলক উচিত মূল্যত স্বচ্ছ আৰু সুৰক্ষিত চিকেন প্ৰদান কৰা। কুডুম্বশ্ৰীৰ সদস্যসকলৰ নিয়মিত আয় সুনিশ্চিত কৰাটোও ইয়াৰ অন্যতম উদ্দেশ্য।

## উৎপাদিত মাংস বিক্ৰী কৰাৰ বাবে কুডুম্বশ্ৰীৰ মীট ষ্টল

এই কাৰ্য্য আৰম্ভ কৰিবলৈ ছীডীএছক 2 লাখ টকা দিব খোজা হৈছে। ইয়াক আৰম্ভ কৰিবলৈ অতি কমেও 3 জন সদস্যৰ প্ৰয়োজন হয়। তেওঁলোকে অস্থায়ী দোকান বা স্থায়ী সংৰচনা নিৰ্মাণ কৰিব পাৰে।

## লাভজনক প্ৰস্তাৱ

কেৰালা ৰাজ্য প’ল্ট্ৰী বিকাশ নিগম, পশুপালন বিভাগ, কেৰালা পশু চিকিৎসা তথা পশু বিজ্ঞান বিশ্ববিদ্যালয় আৰু স্থানীয় নিকায় তথা অন্য বিভাগৰ সৈতে লগলাগি, কুডুম্বশ্ৰী মিছনৰ সৈতে সংলগ্ন লোকসকলে প্ৰতিটো চক্ৰত প্ৰায় 45000 টকা উপাৰ্জন কৰে। (এটা চক্ৰত থাকে 45 দিন)। ♦

## ই কেনেকৈ কাম কৰে?

প্ৰথম পৰ্য্যায়ত 1000টা গোট বাছনি কৰা হ’ব। প্ৰথম পৰ্য্যায়ৰ অধীনত প্ৰত্যেক জিলাত গড় হিচাপে 100 টাকৈ উদ্যোগ স্থাপন কৰা হ’ব। এইবোৰ চোৱা-চিতা কৰা বিভাগে গোট একোটাক এদিনৰ বাবে ব্ৰয়লাৰ চিকেন দিব আৰু হিতাধিকাৰী সকলক প্ৰশিক্ষণ দিব। এই প্ৰকল্পই 5000 কুডুম্বশ্ৰী সদস্যক পৰ্য্যায়ক্ৰমিকভাৱে ৰোজগাৰ প্ৰদান কৰিব। 15 পক্ষীৰ বাবে অতি কমেও 1 ছেণ্ট ক্ষেত্ৰৰ প্ৰয়োজন হয় আৰু এইদৰে 1000 পক্ষীৰ বাবে 66 ছেণ্ট ভূমিৰ প্ৰয়োজন হয়। হিতাধিকাৰীসকলক দুটা শ্ৰেণীত বিভক্ত কৰি এই কাৰ্য্যসূচী ৰূপায়িত কৰা হ’ব। ব্যক্তিগত উদ্যমীয়ে 1000 মুৰ্গী পোৱালি পুহিব পাৰে আৰু চাৰিজনীয়া উদ্যমীৰ গোটত থকা প্ৰতিজন সদস্যই 250 টাকৈ মুৰ্গী পোৱালি পুহিব পাৰে। পঞ্চায়তীৰাজৰ নিৰ্দেশনা অনুযায়ী ব্যক্তিগত উদ্যমীৰ (শ্ৰেণী 1) বাবে 1000 মুৰ্গী পোৱালি পোহাটো হৈছে বুনিয়াদী প্ৰয়োজন। ইয়াত সেইসকল মহিলাক অগ্ৰাধিকাৰ দিয়া হয়, যিসকলৰ আগৰেপৰা মুৰ্গীপালন ক্ষেত্ৰৰ সৈতে সম্পৰ্ক আছে। হিতাধিকাৰীসকলে কমিউনিটি ডেভেলপমেণ্ট ছ’ছাইটীত (চীডীএছ) তেওঁলোকৰ উদ্যমৰ পঞ্জীয়ন কৰিব পাৰে। এইবোৰ উদ্যমৰ বাবে যুটীয়া বেংক একাউণ্ট আৰু বিত্তীয় ৰেজিষ্টাৰ প্ৰয়োজনীয়। কমিউনিটি ইনভেষ্টমেণ্ট ফাণ্ডৰ (চীআইএফ) ধনৰাশি চীডীএছৰ চীআইএফ একাউণ্টত জমা ৰখা উচিত।

# কন্ধমালত দৰিদ্ৰতা নিৰ্মূলকৰণ

**উড়িছাত মনৰেগা আৰু উদ্যান বিভাগৰ সন্মিলিত প্ৰয়াসৰ ফলত মাঝীয়ে তেওঁৰ মাটিত (ঝাড়ু তৈয়াৰ কৰাৰ কামত অহা) ঝাড়ুৰ খেতি কৰিবলৈ সহায়তা লাভ কৰিছিল যাৰ ফলত তেওঁ দৰিদ্ৰতাৰপৰা মুক্তি পাইছিল।**



ছাবুনাথ মাঝি হ'ল উড়িছাৰ কন্ধমাল জিলাৰ খজুৰীপদ খণ্ডৰ গুদৰী গ্ৰাম পঞ্চায়তৰ দাদপাজু গাঁৱৰ বাসিন্দা। তেওঁ দুই হেক্টৰ মাটিৰ মালিক যদিও তেওঁৰ উদ্বিগ্নতা কম হোৱা নাছিল। তেওঁ বৰ কষ্টেৰে নিজৰ পৰিয়ালটোৰ ভৰণ-পোষণ কৰিছিল। এই কাৰণতে তেওঁৰ পত্নীয়ে সন্তানকেইটি লগত লৈ নিজৰ মাক-দেউতাকৰ ওচৰলৈ গুচি গৈছিল। মাঝীয়ে এই দুৰ্ভাগ্যৰ বাবে নিজকেই দুখ দিছিল।

এনেকুৱাও নাছিল যে মাঝীৰ ওচৰত মাটি নাছিল, কিন্তু তেওঁ তাত খেতি কৰিব পৰা নাছিল। তেওঁৰ মাটিখিনি পতিত মাটি হৈ পৰি আছিল। তাতোকৈ বেয়া স্থিতি আছিল এইটো যে মাটিত কোনো ধৰণৰ বনস্পতিৰ আৱৰণ নথকাৰ বাবে ক্ষিপ্ৰতাৰে মাটিখিনিৰ উৰ্বৰতা কমি গৈছিল আৰু ক্ষৰণ হ'বলৈ ধৰিছিল। এনে সময়তে মাঝীয়ে মনৰেগাৰ সহায় লাভ কৰিছিল।

উদ্যান বিভাগে মনৰেগাৰ অধীনত মাঝীৰ মাটিখিনিত হিল ব্ৰুম প্লানটেছন আৰম্ভ কৰে। "ভূমি বিকাশ"ৰ এই কাৰ্য্যসূচী মনৰেগাৰ সহযোগত খণ্ড উন্নয়ন বিষয়াৰদ্বাৰা মনৰেগাৰ সহযোগত আৰম্ভ কৰা হয়। উদ্যান বিভাগে কৃষকসকলক ব্ৰুম প্লানটেছনৰ চোৱা-চিতাৰ প্ৰশিক্ষণো দিয়ে আৰু মাঝীয়েও ইয়াৰপৰা লাভ আহৰণ কৰে।

হিল ব্ৰুম গ্ৰাছ এবিধ উচ্চ থোপযুক্ত ঘাঁহ আৰু ই নিজৰ ফুলৰ বাবে বিখ্যাত। ইয়াৰ উচ্চতা প্ৰায় 60-90 চে.মি. হয়। খেতিৰ পাছত শুকালে এই থোপবোৰ কঠোৰ আৰু টিকি থাকিব পৰা হৈ পৰে আৰু ঝাড়ু তৈয়াৰ কৰাৰ কামত ইয়াক ব্যৱহাৰ কৰা হয়।

দ্বিতীয় বছৰৰপৰা ইয়াৰ উৎপাদন 1000 কি.গ্ৰা. হয়গৈ যিখিনিৰ মূল্য হয় প্ৰায় 50,000/- টকা। পিছত উৎপাদন বাঢ়ি 2000 কি.গ্ৰা. হয়গৈ যিখিনিৰ মূল্য 1 লাখ টকামান হয়গৈ। পঞ্চম বছৰৰ পাছৰপৰা উৎপাদন কমি আহিবলৈ আৰম্ভ কৰে। তথাপি বীজ ব্যৱহাৰ কৰি সহজেই গছ গজাব পৰা যায় আৰু সুস্থ গছপুলিৰ যোগান সুনিশ্চিত কৰিব পৰা যায়।

মাঝীয়ে এতিয়া সুস্থ গছপুলি গজোৱাৰ লগে লগে ঝাড়ু তৈয়াৰ কৰাৰ কামো কৰে। উড়িছাৰ অনেক চহৰ আৰু গাঁৱত কন্ধমালৰ ঝাড়ুৰ চাহিদা আছে। মাঝীয়ে তৈয়াৰ কৰা ঝাড়ু এতিয়া চৰকাৰী অভিকৰণসমূহেও ক্ৰয় কৰে আৰু এইবোৰ দেশৰ বিভিন্ন চহৰত বিক্ৰী কৰা হয়।♦

## প্ৰভাৱ

**মনৰেগাৰপৰা পোৱা সহায়ৰ বাবে অহা আৰ্থিক স্বচ্ছলতা লৈ মাঝী অত্যন্ত সুখী। তেওঁৰ পৰিয়াল এতিয়া ঘৰলৈ ঘূৰি আহিছে। তেওঁ কয় "মই এতিয়া মোৰ দুয়োটি সন্তানৰ শিক্ষাৰ খৰচ বহন কৰিব পৰা হৈছো। সিহঁতে এতিয়া টিউছন কৰিবলৈয়ো যোৱা হৈছে।"**



**এনেয়েতো গ্ৰামীণ ভাৰতত এতিয়া বহুত মহিলা ব্যৱসায়ী আছে, কিন্তু তেওঁলোকৰ মাজত এনেকুৱা মহিলা কমেইহে আছে যিসকলে অনেক উৎপীড়ন আৰু বাধাৰ বিৰুদ্ধে সংগ্ৰাম কৰি সফল হ'ব পাৰে, এনে ধৰণৰ মহিলাৰ উদাহৰণ হ'ল আজীৱিকা সখি মণ্ডলৰ সদস্যাসকল।**

# কেফে বাইদেউ য'ত সপোন হয় বাস্তৱ

গ্ৰামীণ ভাৰত ইয়াৰ সৌন্দৰ্য্য আৰু সাংস্কৃতিক বিবিধতাৰ বাবে বিখ্যাত। ইয়াত কেৱল ভাৰতেই নহয় বৰঞ্চ সমগ্ৰ বিশ্ব অভিভূত হয়। অৱশ্যে প্ৰতিটো মুদ্ৰাৰ দুটা পিঠি থকাৰ দৰে, গ্ৰামীণ ভাৰতৰ সৌন্দৰ্য্যৰ আঁৰত লুকাই আছে এটা অপ্ৰিয় সত্য, সেইটো হ'ল মহিলাসকলৰ উৎপীড়ন আৰু উপেক্ষিত জীৱন। কিন্তু গাঁৱৰ এইসকল মহিলাই কিছুমান এনেকুৱা কামো কৰিছে যাৰদ্বাৰা কেৱল তেওঁলোকৰে নহয়, বৰঞ্চ তেওঁলোক থকা সমাজখনৰো সবলীকৰণ সম্ভৱ হৈছে। এইটো কেৱল এটা সাধাৰণ তথ্যই নহয়, বৰঞ্চ আনন্দ কৰাৰো এটা উপলক্ষ্য, যিটো এটা উৎসৱৰ দৰে পালন কৰা উচিত।

ঝাৰখণ্ডৰ আজীৱিকা সখি মণ্ডলৰ সদস্যসকলে কেৰালাৰ গ্ৰামীণ মহিলাসকলৰ "কুডুম্বশ্ৰী কেফে" দ্বাৰা অনুপ্ৰাণিত হৈ কেফেৰ এটা শৃংখল আৰম্ভ কৰিছিল। ভাৰত চৰকাৰৰ গ্ৰামীণ বিকাশ মন্ত্ৰালয়ৰ দীনদয়াল উপাধ্যায় ৰাষ্ট্ৰীয় গ্ৰামীণ আজীৱিকা মিছনৰ অধীনত ঝাৰখণ্ড ৰাজ্য গ্ৰামীণ আজীৱিকা সংবৰ্দ্ধন ছছাইটীৰ সহযোগত দীপ মহিলা গোট আৰু সৰস্বতী কৃষক মহিলা গোটৰ 5 গৰাকী সদস্যাই লগলাগি আজীৱিকা কেফে দীদীৰ শুভাৰম্ভ কৰে।

জীৱনৰ এই নতুন যাত্ৰা আৰম্ভ কৰাৰ আগতে এই পাঁচগৰাকী সদস্যাক ৰাতু ৰোডত থকা পায়ল হোটেলৰ প্ৰশিক্ষণ দিয়া হৈছিল। ইয়াত তেওঁলোকে কেবাপ্ৰকাৰৰ ব্যঞ্জন শিকাৰ লগতে এই কথা জনাৰো সুযোগ পাইছিল যে যিকোনো হোটেলত উপভোক্তাক সেৱা কৰাৰ সময়ত স্বচ্ছতা কেনেকৈ বজাই ৰাখিব লাগে। কেফে টীমৰ এগৰাকী সদস্যা নীতু দেৱীয়ে কৈছিল, "প্ৰশিক্ষণৰ কালছোৱাত আমাক শিকোৱা হৈছিল খাদ্য ৰন্ধাৰ সময়ত এপ্ৰন আৰু কেপ আৰু খাদ্য পৰিৱেশন কৰাৰ সময়ত হাতত গ্লাভছ পিন্ধা উচিত।" আন এগৰাকী সদস্যা পদ্মা দেৱীয়ে এই প্ৰশিক্ষণৰ বিষয়ে কৈছিলঃ "উচিত স্বচ্ছতা সুনিশ্চিত কৰাৰ বাবে আমাক চাবোনেৰে হাত ধোৱা, চুলি ফণিয়াই থকা আৰু নিয়মিতভাৱে নখ কাটি থকাৰ কথা শিকোৱা হৈছিল।" কেফে আৰম্ভ কৰিবলৈ এই মহিলাসকলে 50000 টকা বিনিয়োগ কৰিছিল। ইয়াৰ বাবে প্ৰতিগৰাকী দীদীয়ে নিজৰ সখী মণ্ডলৰপৰা 10,000 টকাকৈ ঋণ লৈছিল আৰু এই মণ্ডল আজীৱিকা মিছনৰ অধীনত ঝাৰখণ্ড ৰাজ্য গ্ৰামীণ আজীৱিকা সংবৰ্দ্ধন ছছাইটীৰদ্বাৰা সমৰ্থনপ্ৰাপ্ত হৈছিল। দীপ মহিলা সমিতিৰ সীমা দেৱীয়ে জনাইছিল, "এতিয়া আমি ঘৰৰ চাৰিবেৰৰ ভিতৰত আৱদ্ধ হৈ থাকিব নালাগে। সখি মণ্ডলৰ সহায়ত আমাৰ দৰে মহিলাই সপোন দেখি সেই সপোনক বাস্তৱত ৰূপায়িত কৰাৰ সুযোগ পাইছে। আগতে চাকৰিৰ সন্ধানত মই নিজৰ গাঁৱৰ ওচৰত থকা চহৰখনলৈ যাব লগিছিল। মই দিনহাজিৰাৰ হিচাপত কাম কৰিছিলো আৰু নিজৰ সকলো প্ৰয়োজন পূৰণ কৰিব পৰা নাছিলো। কিন্তু এতিয়া সকলো কথা সলনি হৈছে। আজি মোৰ নিজা ষ্টাৰ্টআপ আছে আৰু মোৰ দৃঢ় বিশ্বাস ভৱিষ্যতে মই এগৰাকী সফল উদ্যমী হ'ব পাৰিম।" কেফে দীদী গোটে "লাজিজ কেটাৰিং গ্ৰুপ" নামেৰে এটা কেটাৰিং গোটো আৰম্ভ কৰিছে। সুস্বাদু, পুষ্টিকৰ, স্বাস্থ্যবৰ্দ্ধক আৰু কমদামী ব্যঞ্জনৰ সৈতে তেওঁলোকে বেছিকৈ উপভোক্তাক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰি আছে। কেফেৰ অৱস্থান অনুসাৰে বেলেগ বেলেগ আজীৱিকা দীদী কেফেত প্ৰায় 100 ৰপৰা 500 উপভোক্তা আহে, এওঁলোকৰ কেইখনমান কেফে আছে ব্লকৰ মুখ্য কাৰ্য্যালয়ত, কেইখনমান আছে জিলা সদৰ ঠাইসমূহত আৰু ৰাজ্যৰ ৰাজধানীতো। এই কেফেৰ সদস্যই প্ৰতি মাহে প্ৰায় 5,000 ৰপৰা 10,000 টকালৈকে উপাৰ্জন কৰে। আজীৱিকা দীদী কেফে মডেলৰদ্বাৰা অনুপ্ৰাণিত হৈ এতিয়া 80 ৰপৰা 100 খন আৰু কেফে ইতিমধ্যে আৰম্ভ কৰা হৈছে, য'ত 150 টা আত্ম সহায়ক গোট জড়িত হৈ আছে। প্ৰতিখন কেফেত থাকে আত্ম সহায়ক গোটৰ 3 ৰপৰা 5 জন সদস্য।♦



# প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনাৰ অধীনত মধ্যপ্ৰদেশত পথ নিৰ্মাণত অনুপযোগী প্লাষ্টিকৰ ব্যৱহাৰ- সফলতাৰ কীৰ্ত্তিমান

**সকলো প্ৰকাৰৰ প্লাষ্টিক পথ নিৰ্মাণৰ কামত ব্যৱহাৰ কৰিব নোৱাৰি। কেৱল পাতল ফিল্মোৰে তৈয়াৰী কেৰী বেগ, যুজ এণ্ড থ্ৰ' কাপ আৰু পীইটী বটলৰপৰা লভ্য প্লাষ্টিক এই কামত ব্যৱহাৰ কৰিব পৰা যায়।**

আমাৰ দেশত কামত নহা প্লাষ্টিক সম্পূৰ্ণৰূপে নষ্ট কৰাটো এটা ডাঙৰ প্ৰত্যাহ্বান। সম্প্ৰতি প্লাষ্টিকৰ নিস্তাৰণ বা ইয়াক ৰিচাইকল কৰি বা মাটিত গাঁত খান্দি বা জ্বলাই দিয়া হয়। মাটিত গাঁত খান্দি পুতিলে বা জ্বলাই দিলে পৰিৱেশৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পৰে। মধ্য প্ৰদেশৰ চহৰীয় ক্ষেত্ৰসমূহত দৈনিক প্ৰায় 8000 ৰপৰা 10000 টন অপশিষ্ট ওলায়। এইখিনি অপশিষ্টৰ প্ৰায় 5 ৰপৰা 7% হ'ল প্লাষ্টিক। সকলো প্ৰকাৰৰ প্লাষ্টিক পথ নিৰ্মাণৰ কামত ব্যৱহাৰ কৰিব নোৱাৰি। কেৱল পাতল ফিল্মোৰে তৈয়াৰী কেৰী বেগ, যুজ এণ্ড থ্ৰ' কাপ আৰু পীইটী বটলৰপৰা লভ্য প্লাষ্টিক এই কামত ব্যৱহাৰ কৰিব পৰা যায়। পথ নিৰ্মাণৰ কামত অহা প্লাষ্টিক হয় কেৱল 1% আৰু নগৰ নিগমে কেৱল 3 ৰপৰা 5% অপশিষ্টহে উঠাব পাৰে। পথ নিৰ্মাণত প্লাষ্টিকৰ ব্যৱহাৰৰ উপায় আৰু সিবিলাকৰ গুণাৱলীৰ অধ্যয়নকল্পে মধ্য প্ৰদেশ গ্ৰামীণ পথ উন্নয়ন প্ৰাধিকৰণৰ বিষয়াসকলে 2014 চনৰ মাৰ্চ মাহত তামিলনাডুৰ মাদুৰাই আৰু ডিণ্ডীগোলা ভ্ৰমণ কৰিছিল। বিষয়াসকলে গম পাইছিল যে আত্ম সহায়ক গোটসমূহে তাত কামত নহা প্লাষ্টিক পোনে পোনে ঘৰবোৰৰপৰা একগোট কৰে আৰু তেওঁলোকেই সেইবোৰ বেলেগ বেলেগ কৰে। প্লাষ্টিক চাফা কৰাৰ পাছত মেচিনৰদ্বাৰা 2.36 মি.মি. ৰ টুকুৰা তৈয়াৰ কৰা হয়। এই টুকুৰাবোৰ পথ নিৰ্মাণৰ কাম কৰা ঠিকাদাৰসকলক বিক্ৰী কৰা হয়। এইখিনি প্লাষ্টিক 140 ৰপৰা 185 ডিগ্ৰীত গৰম কৰি হেমি অটোমেটিক প্লাণ্টৰদ্বাৰা মিক্স কৰা হয়।





## 1 কিলোমিটাৰ প্লাষ্টিক পথ নিৰ্মাণৰ গণনা

1 কিলোমিটাৰ পথৰ বাবে বিটুমিন = 5475 কি.গ্ৰা.

10% হিচাপত প্লাষ্টিক অপশিষ্ট = 547.5 কি.গ্ৰা. = প্ৰায় 550 কি.গ্ৰা.

বিটুমিনৰ ঠাইত 8% প্লাষ্টিক অপশিষ্ট অৰ্থাৎ 438 কি.গ্ৰা.

প্লাষ্টিক অপশিষ্টৰ সৈতে বিটুমিনৰ আৱশ্যকতা = 5037 কি.গ্ৰা.

প্লাষ্টিক অপশিষ্টৰ মূল্য 30 টকা প্ৰতি কি.গ্ৰা. (প্ৰায়)

মধ্য প্ৰদেশত প্লাষ্টিক পথ নিৰ্মাণত নিম্নোক্ত বিধি পালন কৰা হয়ঃ-

- নগৰ নিগম ভূপাল আৰু ইন্দোৰ/এনজীঅ'ৰদ্বাৰা প্লাষ্টিক অপশিষ্ট একগোট কৰা হয়, চ'ফা কৰা হয় আৰু সেইবোৰৰপৰা সৰু টুকুৰা তৈয়াৰ কৰা হয়।
- এইবোৰ টুকুৰা পৰিবহণৰ জৰিয়তে গন্তব্য স্থানলৈ লৈ যোৱা হয়।
- পট মিক্সিং প্লাণ্টত প্লাষ্টিক মিহলোৱা হয়।
- মিশ্ৰিত প্লাষ্টিকৰ পৰীক্ষা সম্পন্ন কৰা হয়।
- তৈয়াৰ কৰি থোৱা পথৰ সমতলত প্লাষ্টিক আৰু বিটুমিনৰ মিশ্ৰণ মেলি দিয়া হয়।

### কাৰ্য্যৰূপায়ণত নিয়ন্ত্ৰণ

- প্লাষ্টিক অপশিষ্টৰ আকাৰ আৰু বেধ
- প্লাষ্টিক অপশিষ্ট পৰিস্কাৰ আৰু শুকান হৈ থকা উচিত
- এগ্ৰিগেটটো 165 ডিগ্ৰী চেণ্টিগ্ৰেড গৰম হোৱা উচিত।
- মিক্সিঙৰ সময়ত প্লাষ্টিকৰ মাত্ৰাৰ ওপৰত নিয়ন্ত্ৰণ হোৱা উচিত।
- পথত মেলি দিয়াৰ সময়ত উষ্ণত নিয়ন্ত্ৰণ হোৱা উচিত।
- জুইৰপৰা সুৰক্ষিত হোৱাৰ ব্যৱস্থা থকা উচিত।
- ডাঙৰ আকাৰৰ থাকি যোৱা প্লাষ্টিকৰ ওপৰত নিয়ন্ত্ৰণ হোৱা উচিত।

### প্ৰত্যাহ্বান

- প্লাষ্টিক অপশিষ্টৰ লভ্যতাৰ ধাৰাবাহিকতা।
- হট মিক্স প্লাণ্টত প্ৰয়োজনীয় পৰিৱৰ্তন।
- মিক্সিঙৰ পাছত পৰিণামসমূহৰ আকলনৰ বাবে কোনো পৰীক্ষণ ব্যৱস্থা নাই।
- IRC দ্বাৰা পৰীক্ষণ আৰু কাৰ্য্য-বিধিসমূহ নিশ্চিত কৰা উচিত।
- Aggregate ত থাকি যোৱা প্লাষ্টিক।

### লাভ

- পৰিৱেশ আৰু জলবায়ুৰ অনুকূল।
- বিটুমিনৰ ৰাহি।
- কাৰ্য্যক্ষমতাত হোৱা সংশোধনীয়
- 10% ৰপৰা 15% লৈকে পানীৰ ব্যৱহাৰত হোৱা ৰাহি। পৰিস্থিত সমগ্ৰ প্ৰভাৱ মূল্য
- ইমপ্ৰুভড এগ্ৰিগেট ইমপেক্ট ভেল্যু 10% ৰপৰা 12%।



আৰম্ভণিতে সমস্যাটো আছিল প্লাষ্টিকখিনিৰ ব্যৱস্থা কৰা। ইয়াৰ বাবে এমপীআৰআৰডীএ-ই কাবাড়িসকলৰ সৈতে যোগাযোগ কৰিছিল; ভূপালৰ নগৰ নিগম, অপশিষ্ট ব্যৱস্থাপনাৰ কাম কৰা ঠিকাদাৰসকল, ইন্দোৰ নগৰ নিগম, কাবাড়িসকলৰ মাজত কাম কৰা অনা-চৰকাৰী সেৱা সংস্থাসমূহ, ৰাষ্ট্ৰীয় গ্ৰামীণ আজীৱিকা মিছনৰ সৈতে সংলগ্ন ব্যক্তি আৰু আত্ম সহায়ক গোটসমূহৰ সৈতেও যোগাযোগ কৰা হৈছিল। এই ব্যৱস্থাৰ পাছত নিৰ্মাণৰ বাবে পথসমূহ বাছনি কৰা হৈছিল আৰু পথ নিৰ্মাণৰ কাম সম্পন্ন কৰা হৈছিল জ্যেষ্ঠ বিষয়াসকলৰ তত্ত্বাৱধানত। প্ৰাৰম্ভিক সফলতা লাভ কৰাৰ পাছত প্লাষ্টিকেৰে পথ নিৰ্মাণৰ কাম চলি আছে জব্বলপুৰ, ভূপাল আৰু ইন্দোৰত। এই পৰ্য্যন্ত এমপীআৰআৰডীএ-ই মধ্য প্ৰদেশৰ 32 খন জিলাত 450 কি.মি. প্লাষ্টিকমিশ্ৰিত পথ নিৰ্মাণত সফলতা লাভ কৰিছে। ♦






# প্ৰধানমন্ত্ৰী আবাস যোজনা (গ্ৰামীণ) ছট্টীচগড়

কুশল দিব্যাংগই (দৃষ্টিহীন) পালে ঘৰ।

হিতাধিকাৰী-শ্ৰী বৃজলাল নেতামৰ বিষয়ে সংক্ষিপ্ত বিৱৰণ

নাম-শ্ৰীবৃজলাল নেতাম

পিতা-স্বৰ্গীয় লখমুৰাম নেতাম

জাতি-অনুসূচিত জনজাতি

বয়স/লিংগ-44 বছৰ/পুৰুষ

জীৱিকাৰ উপায়-বাহী বজাই

শ্ৰোতাৰপৰা হোৱা আয়

1.5 একৰ জলসিঞ্চন নোহোৱা মাটিত খেতি, দিন মজুৰি আৰু টেন্দু পাত ছিঙা আদি।

## চৰকাৰী আঁচনিৰপৰা হোৱা লাভ

- সামাজিক সুৰক্ষা পেন্সনৰপৰা বৃজলাল নেতামে 350 টকা পায়।
- স্বচ্ছ ভাৰত মিছনৰ যোগেদি শৌচালয়ৰ নিৰ্মাণ।
- উজ্জ্বলা যোজনাৰ যোগেদি গেচৰ কানেকশ্যন পালে
- বৈদ্যুতিক সংযোগো পাইছে।
- জন-ধন যোজনাৰ অন্তৰ্গত সৰ্বসাধাৰণ বীমা আঁচনিৰ লাভ
- সুহাংতীন নেতাম আত্ম-সহায়ক গোটৰ (চেল্ফ হেল্প গ্ৰুপ) সদস্য

কোন্দাগাওঁ জিলাৰ অন্তৰ্গত বড়ে ৰাজাপুৰ খণ্ডৰপৰা প্ৰায় 5 কি.মি. দূৰত থকা গ্ৰাম পঞ্চায়ত বড়াগাৱঁৰ নিবাসী বৃজলাল নেতামৰ লগত ভাগ্যই বহুত ক্ৰুৰ খেল খেলিছিল। নিজৰ দৃষ্টিশক্তি হেৰুওৱাৰ লগতে বৃজলালে নিজৰ পিতৃ-মাতৃ আৰু ককায়েককো হেৰুৱালে, যি তেওঁৰ সকলোতকৈ ডাঙৰ শক্তি আছিল। এতিয়া তেওঁ নিজৰ বৌৱেক, ভতিজা আৰু ভতিজীহঁতৰ লগত থাকে। গাঁওঁ আৰু ওচৰৰ বজাৰত কেৱল বাঁহী বজাই পৰিয়ালৰ ভৰণ-পোষণ কৰা বৃজলালৰ বাবে প্ৰথমতে বহুত কষ্টকৰ আছিল। সম্পত্তিৰ নামত তেওঁৰ ওচৰত কেৱল এক একৰ মাটি আছিল। তেওঁৰ আয়ৰ আন উপায় বুলিবলৈ কেৱল 350 টকাৰ বৃদ্ধাৱস্থাৰ পেন্সন আছিল, যিটো ধনৰাশি আছিল তেনেই সামান্য পৰিমাণৰ। প্ৰতিকূল পৰিস্থিতিতো বৃজলালে বাঁহী বজোৱাৰ প্ৰতি নিজৰ দক্ষতা অটুট ৰাখিলে কিয়নো ধৰ চলাবলৈ সেয়াই আছিল তেওঁৰ প্ৰধান উৎস। কিন্তু, বাঁহী বজাই না ঘৰ



সজাব পাৰি না পৰিয়ালৰ সকলো সদস্যৰ পেট ভৰাব পাৰি। এটা পকী ঘৰৰ নিৰ্মাণ তেওঁৰ বাবে এটা অসম্ভৱ স্বপ্নৰ দৰে আছিল। প্ৰধান মন্ত্ৰী আবাস যোজনা-গ্ৰামীণৰ জোৰত তেওঁৰ এই সপোন বাস্তৱলৈ সলনি হ'ল। ৰাজমিস্ত্ৰী প্ৰশিক্ষণ কাৰ্য্যসূচীৰ সহায়ত বৃজলালৰ ঘৰৰ নিৰ্মাণ সম্ভৱ হ'ল। পকী ঘৰ হৈ উঠাৰ পিছত বৃজলাল আৰু তেওঁৰ পৰিয়াল বহুত সুখী হ'ল। বৃজলাল নেতামৰ আনন্দৰ পাৰ নোহোৱা হ'ল, যেতিয়া প্ৰধানমন্ত্ৰীয়ে 2017 চনৰ অক্টোবৰত দিল্লীত আয়োজিত এক অনুষ্ঠানত তেওঁৰ পকী ঘৰৰ বাবে তেওঁক অভিনন্দন জনায়।♦

### পৰিয়ালৰ আন সদস্যসকলৰ বিৱৰণ

| ক্ৰ. স. | নাম | বয়স/লিংগ | সম্পৰ্ক | শিক্ষা |
|---|---|---|---|---|
| 1. | সুহাংতীন নেতাম | 38/মহিলা | বৌৱেক | ........ |
| 2. | সুমিত্ৰা নেতাম | 22/মহিলা | ভতিজী | হাইস্কুল |
| 3. | মংকেশ কুমাৰ | 19/পুৰুষ | ভতিজা | হাইস্কুল |

(....পিতাকৰ মৃত্যুৰ পাছত নিজৰ পঢ়া অব্যাহত ৰাখিব নোৱাৰিলে)




# সত্যাগ্ৰহৰপৰা স্বচ্ছাগ্ৰহ

**নিজৰ চম্পাৰণ যাত্ৰাৰ সময়ত গান্ধীজীয়ে কৈছিল, ''মই ইয়ালৈ আহিছোঁ মানৱতা আৰু ৰাষ্ট্ৰৰ সেৱা কৰিবলৈ। মই চম্পাৰণক নিজৰ ঘৰ কৰি পীড়িতসকলৰ বাবে কাম কৰিম।'' স্বচ্ছ ভাৰত মিছনৰ উদ্দেশ্য হ'ল নতুন ভাৰতৰ নিৰ্মাণ কৰা আৰু সেই চম্পাৰণক মুকলিত শৌচ কৰাৰপৰা মুক্ত কৰা।**





মহাত্মা গান্ধীয়ে বিশ্বাস কৰিছিল যে ঈশ্বৰৰ উপাসনাৰ পিছত চাফাই সবাতোকৈ গুৰুত্বপূৰ্ণ। তেওঁ স্বচ্ছ ভাৰতৰ সপোন দেখিছিল আৰু সকলো ভাৰতীয়ক নিজৰ বহুমূলীয়া অংশগ্ৰহণেৰে এই মহান কামত সহযোগিতা আগবঢ়াবলৈ উৎসাহ যোগাইছিল। স্বচ্ছ ভাৰত মিছন ভাৰতৰ সেই গুৰুত্বপূৰ্ণ প্ৰয়াসসমূহৰ এটা যাক মহাত্মা গান্ধীৰ সপোন অনুসৰি আৰম্ভ কৰা হৈছিল, যাতে গ্ৰামীণ ভাৰতীয়ৰ স্বাস্থ্য, জীৱন স্তৰ আৰু সুৰক্ষাত শুধৰণি হ'ব পাৰে আৰু তেওঁলোকে গৰিমামণ্ডিত জীৱন কটাব পাৰে।

ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী, শ্ৰী নৰেন্দ্ৰ মোডীয়ে এই মিছনৰ শুভাৰম্ভ কৰিছিল 2014 চনৰ 2 অক্টোবৰ তাৰিখে, গান্ধী জয়ন্তীৰ দিনা। 'স্বচ্ছ ভাৰত মিছন' সমগ্ৰ বিশ্বতে স্বচ্ছতাৰ ক্ষেত্ৰখনতে হাতত লোৱা সবাতোকৈ ডাঙৰ আচৰণ পৰিৱৰ্তন কাৰ্য্যসূচী। ইয়াৰ উদ্দেশ্য হ'ল 2019 চনৰ 2 অক্টোবৰৰ ভিতৰত ভাৰতক অ'ডীএফ (মুকলিত শৌচ কৰাৰপৰা মুক্ত) দেশ হিচাপে গঢ়ি তোলা। আচলতে, এয়া মহাত্মা গান্ধীৰ 150 সংখ্যক জয়ন্তীত তেওঁৰ বাবে আগবঢ়োৱা সকলোতকৈ মহান শ্ৰদ্ধাঞ্জলি হ'ব।

এতিয়া ভাৰত স্বচ্ছতা বিপ্লৱৰ সাক্ষী হৈ পৰিছে। গ্ৰামীণ ভাৰতৰ য'ত 2014 চনৰ অক্টোবৰত 55 কোটি লোকে মুকলিত শৌচ কৰিছিল, তাত 2018 চনৰ মাৰ্চলৈ এই সংখ্যা কমি গৈ কেৱল

## এছবীএমৰদ্বাৰা আগতেই পৰা প্ৰভাৱ

স্বচ্ছতাৰ আৰ্থিক প্ৰভাৱ




ইউনিছেফৰ পৰিসংখ্যা অনুসাৰে, ভাৰতৰ প্ৰতিখন অ'ডীএফ গাঁৱৰ পৰিয়ালবোৰে প্ৰতিবছৰে 50,000 টকা ৰাহি কৰিব প'ৰে।

স্বাস্থ্যৰ ওপৰত স্বচ্ছতাৰ প্ৰভাৱ




| | ডায়েৰীয়া | ষ্টাণ্টিং | ৱেষ্টিং | মহিলাসকলৰ বডী মাছ ইনডেক্স হেৰা হ্ৰাস |
|---|---|---|---|---|
| অ'ডিএফ | 9.3 | 33.7 | 21.7 | 19.6 |
| নন-অ'ডিএফ | 13.9 | 39.6 | 34.3 | 29.0 |

বী.এম.জী.এফৰ পৰিসংখ্যা অনুসাৰে, ভাৰতৰ অ'ডিএফ গাওঁসমূহৰ প্ৰতিটো পৰিয়াল আনৰ তুলনাত বেছি সুস্থ হৈ থাকে।

25 কোটি হৈছেগৈ। বিভিন্ন স্বতন্ত্ৰ অধ্যয়নৰপৰা এই কথা প্ৰমাণ হৈছে যে স্বচ্ছতাৰদ্বাৰা গ্ৰামীণ ভাৰতৰ পৰিয়ালবোৰত ইতিবাচক আৰ্থিক আৰু স্বাস্থ্যবৰ্ধক প্ৰভাৱ দেখা পোৱা গৈছে। স্বচ্ছ ভ'ৰত মিছন (গ্ৰামীণ) ৰ যোগেদি, 2018 চনৰ 26 মাৰ্চ পৰ্য্যন্ত 6.5 কোটি শৌচালয়ৰ নিৰ্মাণ হৈছে, 3.38 লাখ খন গাওঁ, 338 খন জিলা, 12 খন ৰাজ্য আৰু কেন্দ্ৰশাসিত ৰাজ্যক্ষেত্ৰ অ'ডীএফ ঘোষিত হৈছে। অলপতে, এটা স্বতন্ত্ৰ সত্যাপন অভিকৰণে 6000 খন গাঁৱৰ 90,000 ঘৰত জৰীপ চলাইছিল ত'ত পোৱা হৈছিল যে দেশৰ গ্ৰামীণ অঞ্চলত 77 শতাংশ শৌচালয় আছে আৰু ইয়াৰ ব্যৱহাৰ হয় 93.4 শতাংশ। এই বিষয়ে প্ৰতিদিনেই উন্নতি হ'বলৈ ধৰিছে আৰু 2019 চনৰ 2 অক্টোবৰৰ ভিতৰত ভাৰতক অ'ডীএফ কৰাৰ অভিযান সঠিক দিশত আগবাঢ়িছে।

## সত্যাগ্ৰহৰপৰা স্বচ্ছাগ্ৰহ

চম্পাৰণ সত্যাগ্ৰহৰ এটা শতিকা সম্পূৰ্ণ হোৱাৰ উপলক্ষ্যে চম্পাৰণ আন এক অভিযান স্বচ্ছাগ্ৰহৰ বাবে সাজু হৈছে, অৰ্থাৎ মুকলিত শৌচ কৰাৰপৰা মুক্তি। স্বচ্ছাগ্ৰহ অভিযান 3 এপ্ৰিলৰপৰা 10 এপ্ৰিললৈকে চলিছিল। দেশৰ বিভিন্ন অঞ্চলৰ 10,000 তকৈয়ো অধিক স্বচ্ছাগ্ৰহী বিহাৰৰ স্বচ্ছাগ্ৰহীৰ লগত মিলি কাম কৰি আছে, যাতে ৰাজ্যখনৰ প্ৰতিখন গাঁৱতে স্বচ্ছাগ্ৰহৰ পদক্ষেপ দিব পৰা যায়।

স্বচ্ছাগ্ৰহী সাধাৰণতে এনে এগৰাকী কৰ্মকৰ্ত্তা হয়, যিসকলক কামত লগোৱা হয় পঞ্চায়তীৰাজ সংস্থাবোৰ, সমবায় সমিতিবোৰ, আশা, অংগনৱাড়ী কৰ্মকৰ্ত্তা, মহিলা গোট, সমুদায়ভিত্তিক সংগঠন, আত্ম সহায়ক গোট আদি বৰ্তমানৰ ব্যৱস্থাবোৰৰ মাধ্যমেদি। এওঁলোকৰ অধিকাংশ আগৰেপৰাই সামূহিক প্ৰকল্পসমূহত কাম কৰি থকা ব্যক্তি আৰু কিছুমান বিশেষকৈ স্বচ্ছতাৰ লগত জড়িত উদ্দেশ্যৰ বাবে ইতিমধ্যে নিজৰ সেৱা আগবঢ়োৱা ব্যক্তি। এতিয়ালৈকে 4.2 লাখ স্বচ্ছাগ্ৰহীৰ পঞ্জীকৰণ হৈছে। এই মিছনৰ উদ্দেশ্য হৈছে প্ৰতিখন গাঁৱতে অতি কমেও এজনকৈ স্বচ্ছাগ্ৰহী নিশ্চিত কৰা, অৰ্থাৎ 2019 চনৰ মাৰ্চলৈ 6.5 লাখ স্বচ্ছাগ্ৰহীৰ সেনা সাজু কৰাৰ লক্ষ্য ধাৰ্য্য কৰা হৈছে।



### স্বচ্ছাগ্ৰহী

**এই উদ্যমৰ সবাতোকৈ গুৰুত্বপূৰ্ণ ঘটকসমূহৰ ভিতৰত অন্যতম হ'ল- স্বচ্ছাগ্ৰহী। এওঁলোক হ'ল সামুদায়িক স্তৰত কাম কৰা ''পদাতিক সৈনিক'' আৰু অনুপ্ৰেৰণা প্ৰদানকাৰী ব্যক্তিৰ গোট, যিসকলে গ্ৰামীণ স্তৰত স্বচ্ছতাৰ বাবে এটা সামুদায়িক দৃষ্টিভংগী কাৰ্য্যৰূপায়িত কৰে। ভাৰতক অ'ডীএফ ৰাষ্ট্ৰ কৰি তোলাৰ দিশত তেওঁলোকৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে।**

## চম্পাৰণলৈ ব'লা

এটা শতাব্দীৰ আগতেই মহাত্মা গান্ধীয়ে, 1917 চনৰ 10 এপ্ৰিলত বিহাৰৰ লোকসকলৰ অৱস্থাৰ উন্নতি ঘটাবৰ বাবে চম্পাৰণ সত্যাগ্ৰহ আৰম্ভ কৰিছিল। ইয়াত বুনিয়াদী শিক্ষা, দক্ষতা বিকাশ, মহিলাৰ সবলীকৰণ আৰু স্বচ্ছতাৰ দৰে বিষয় অন্তৰ্ভুক্ত আছিল। 2018 চনৰ 10 এপ্ৰিল তাৰিখে চম্পাৰণ সত্যাগ্ৰহৰ শতাব্দী বৰ্ষৰ উদযাপন সমাপ্ত হৈছে আৰু এতিয়া ইয়াক ''সত্যগ্ৰহৰপৰা স্বচ্ছাগ্ৰহ'' অভিযানৰ ৰূপত পালন কৰি থকা হৈছে। এই কাৰ্য্যসূচীক সদা-স্মৰণযোগ্য কৰি তুলিবলৈ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ে বিহাৰ চৰকাৰৰ সহযোগিতাৰে দেশত স্বচ্ছতাৰ বাৰ্ত্তা বিয়পাবৰ বাবে কাম কৰি আছে। ইয়াৰবাবে 3 ৰপৰা 10 এপ্ৰিললৈ ''সত্যাগ্ৰহৰপৰা স্বচ্ছাগ্ৰহ'' অভিযান চলোৱা হয়। দেশৰ বিভিন্ন অংশৰপৰা 10,000 ৰো অধিক স্বচ্ছাগ্ৰহীক বিহাৰলৈ আমন্ত্ৰণ জনোৱা হৈছিল। তেওঁলোকে বিহাৰৰ 10,000 স্বচ্ছাগ্ৰহীৰ লগত মিলিজুলি কাম কৰিছিল। ইয়াৰ ফলত ৰাজ্যখনৰ 38 খন জিলাৰ ৰাইজৰ মাজত স্বচ্ছতা সম্বন্ধীয় আচৰণলৈ পৰিৱৰ্তন আনি এই গণ আন্দোলনক আগবঢ়াই নিয়াত সহায় পোৱা গ'ল। এই সপ্তাহৰ সমাপ্তি ঘটোৱা হৈছিল 2018 চনৰ 10 এপ্ৰিল তাৰিখে দুপৰীয়া আয়োজন কৰা এটা গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত, য'ত মাননীয় প্ৰধানমন্ত্ৰীয়ে চম্পাৰণ জিলাত 20,000 স্বচ্ছাগ্ৰহীক সম্বোধি ভাষণ দিয়ে এই অনুষ্ঠানৰ এটা অংগ হিচাপে ভাৰত চৰকাৰে সেইসকল স্বচ্ছাগ্ৰহীক সন্মানিত কৰে, যিসকলে এই বিষয়ত নিজৰ নিজৰ গাঁৱত চমৎকাৰ কাম কৰি দেখুৱাইছিল।♦





# গ্ৰামীণ ভাৰতত খোৱাপানীৰ সুৰক্ষা সুনিশ্চিত কৰা

## মানুহৰ বাবে পানীয়েই হ'ল সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজন

দেশৰ গ্ৰামীণ ক্ষেত্ৰসমূহত খোৱাপানীৰ সুৰক্ষা সুনিশ্চিত কৰাটো আজি আটাইতকৈ আৱশ্যকীয়। ইয়াৰ অবিহনে জীৱনৰ কল্পনাও কৰিব নোৱাৰি। ভাৰত প্ৰধানতঃ গ্ৰামীণ জনসংখ্যাৰ দেশ আৰু পানী কেৱল এটা প্ৰয়োজনেই নহয় বৰঞ্চ ই হ'ল জীৱন ৰেখা। পাৰিসাংখিক তথ্যৰ মতে ভাৰতৰ গ্ৰামীণ জনসংখ্যা মুঠ জনসংখ্যাৰ 68.84% আৰু এইসকল লোক বাস কৰে দেশৰ 640,867 খন গাঁৱত (2011 চনৰ লোকপিয়ল মতে)। ইমান বিশাল জনসংখ্যাৰ বাবে পানীযোগানৰ সুব্যৱস্থা কৰিবলৈ ৰাষ্ট্ৰীয় গ্ৰামীণ খোৱাপানী কাৰ্য্যসূচীৰ অধীনত অলপতে আটাইবোৰ জটিলতা দূৰ দূৰ কৰাৰ প্ৰয়াস আৰম্ভ কৰা হৈছে আৰু গ্ৰামীণ অঞ্চলত প্ৰত্যেক ঘৰতে পৰিষ্কাৰ পানী যোগানৰ বাবে দিশত পদক্ষেপ লোৱা হৈছে। এতিয়া এয়াও এটা প্ৰত্যাহ্বান যে এই বৰ্দ্ধিত জনসংখ্যাক কিদৰে অবিৰত পানী যোগান ব্যৱস্থাৰ লগতে উচ্চ স্তৰৰ সেৱা আৰু বিশুদ্ধ খোৱাপানী প্ৰদান কৰিব পৰা যায়। আৱশ্যকীয় পৰিৱৰ্তন আৰু উন্নততৰ ৰণনীতিৰ সৈতে এতিয়া এই কাৰ্য্যসূচী গ্ৰামীণ ভাৰতৰ তৃষ্ণা নিবাৰণৰ বাবে সাজু হৈছে। পৰিষ্কাৰ জলৰ প্ৰাপ্তিৰে মানুহৰ বেমাৰ আজাৰ কম কৰাটোৱেই হ'ল ইয়াৰ মূল লক্ষ্য। কেন্দ্ৰৰ বৰ্তমান চৰকাৰে এই কাৰ্য্যসূচীৰ গুৰুত্বৰ কথা হৃদয়ঙ্গম কৰি 2017-18 ৰপৰা 2019-20 লৈ চতুৰ্দশ বিত্ত আয়োগৰ অন্তৰ্গত কেতবোৰ শুধৰণিৰ সৈতে ৰাষ্ট্ৰীয় গ্ৰামীণ খোৱাপানী যোজনা বাহাল ৰাখিবলৈ সেউজ সংকেত দিছে। 2009 চনত ইয়াক এই লক্ষ্যৰে আৰম্ভ কৰা হৈছিল যে গ্ৰামীণ অঞ্চলবোৰত লোকসকলে যাতে খাবৰ বাবে, খাদ্য ৰান্ধিবৰ বাবে আৰু আন আন ঘৰুৱা কাম-কাজৰ বাবে চাফা পানী পাব পাৰে।

অৱশ্যে, ৰাষ্ট্ৰীয় গ্ৰামীণ খোৱাপানী কাৰ্য্যসূচীত কিছু সালসলনিৰ প্ৰয়োজন হৈছিল কিয়নো ইয়াক অধিক প্ৰতিযোগিতামূলক আৰু ফলাফলমুখী কৰাৰ প্ৰয়োজন আছিল। ইয়াৰ বাবে কাৰ্য্যকৰী নিৰীক্ষণ আৰু বিনিয়মনৰো প্ৰয়োজন আছে। চৰকাৰে এই কাৰ্য্যসূচীত পৰিৱৰ্তনৰ অনুমতি প্ৰদান কৰিছে, যাতে এই কাৰ্য্যসূচীৰ অন্তৰ্গত সকলো আঁচনি সুচাৰুৰূপে কাৰ্য্যৰূপায়িত কৰিব পৰা যায় আৰু গ্ৰামীণ অঞ্চলত মানুহে উচিত মাত্ৰাত সুৰক্ষিত আৰু উৎকৃষ্ট মানৰ খোৱাপানী পাব পাৰে।

প্ৰকৃততে দেখা যায় যে গ্ৰামীণ অঞ্চলত ভাল গুণসম্পন্ন জলৰ অভাৱ সদায়েই আছে। এই গুৰুতৰ সমস্যাৰ কথা মনত ৰাখিয়েই এই কাৰ্য্যসূচীত গুণৰ ন্যূনতম মান নিৰ্ধাৰিত কৰি পানীৰ প্ৰাপ্তি আৰু নিৰন্তৰ লভ্যতাৰ ওপৰত জোৰ দিয়া হৈছে। কেন্দ্ৰ চৰকাৰৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত এই কাৰ্য্যসূচীত হ'ব লগা খৰচ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ভগোৱা হয়। এই অনুষ্ঠানৰ বাবে বাজেটত 23,050 কোটি টকাৰ আবণ্টন দিয়া হৈছে। দেশৰ সকলো গ্ৰামীণ অঞ্চলক সামৰি লোৱা লক্ষ্যৰ ওপৰত আধাৰিত





এই কাৰ্য্যসূচীৰ নতুন স্বৰূপ সময়পযোগী কৰি তুলিব পৰা গ'লে ইয়াৰ ফলাফলো উন্নততৰ হ'ব। সৰ্বাধিক সংখ্যক লোকে যাতে পাইপযোগে পানী পায়, সেই কথাৰ ওপৰত আজি এই কাৰ্য্যসূচীত অধিক জোৰ দিয়া হৈছে।

পানী যোগানৰ যোজনা তৈয়াৰ কৰা, নিৰীক্ষণ কৰা, কাৰ্য্যৰূপায়িত কৰা, পৰিচালনা আৰু চোৱা-চিতাৰ বাবে প্ৰতি খন গ্ৰাম পঞ্চায়তৰ বাবে স্থায়ী সমিতি বা উপ সমিতি গঠন কৰি এখন গ্ৰাম পঞ্চায়ত/গ্ৰাম পানী আৰু স্বচ্ছতা সমিতি গঠন কৰি থকা হৈছে। গ্ৰামীণ ৰাইজৰ সক্ৰিয় সহযোগ সুনিশ্চিত কৰাৰ বাবেই এনে কৰা হৈছে। এই উদ্দেশ্যে এই কাৰ্য্যসূচীত নল-জলৰদ্বাৰা পানীৰ যোগান সেই ঠাইবোৰলৈ লৈ যোৱাৰ চেষ্টা কৰা হ'ব, যত পানীৰ গুণগত মান প্ৰভাৱান্বিত হৈছে বা যিবোৰ ঠাই হ'ল সংহত কাৰ্য্য আঁচনিৰ (আইএপী) অধীনস্থ জিলা বা মুকলিত শৌচ কৰা অভ্যাসমুক্ত (অ'ডীএফ) বুলি ঘোষিত গাওঁ। এই কাৰ্য্যসূচীত এই কথাও মনত ৰখা হ'ব যে এইবোৰ অঞ্চলত পাইপ আৰু পানীৰ যোগান সম্পৰ্কীয় আন বুনিয়াদী সংৰচনাসমূহ যাতে সুব্যৱস্থিত আৰু সক্ৰিয় হৈ থাকে।

সংশোধিত কাৰ্য্যসূচী অধিক ব্যাপক আৰু সমাধানপূৰ্ণ। ইয়াত গ্ৰামীণ অঞ্চলৰ প্ৰকৃত সমস্যাবোৰত চকু দিয়া হৈছে। কেতবোৰ গ্ৰামীণ এলেকাত আৰ্চেনিক আৰু ফ্লু'ৰাইড প্ৰদূষণৰ সমস্যাও আছে। এনেকুৱা ক্ষেত্ৰৰ সংখ্যাটো হ'ল প্ৰায় 28000। এই এলেকাসমূহৰ প্ৰয়োজনসমূহ ৰাষ্ট্ৰীয় গ্ৰামীণ খোৱাপানী কাৰ্য্যসূচীৰ নামত আবণ্টিত ধনৰাশিৰে পূৰণ কৰা য'ব। ইয়াৰ বাহিৰেও, নতুন বা পুনৰ গঠিত কাৰ্য্যসূচীৰ 2 শতাংশ ধনৰাশি সেইবোৰ অঞ্চলৰ বাবে আবণ্টিত কৰা হয়, যিবোৰ জাপানী এনচেফেলাইটিচ আৰু একুট এনচেফেলাইটিচ চিন্দ্ৰমৰ (জাপানী মস্তিষ্ক জ্বৰ) কুপ্ৰভাৱত আক্ৰান্ত।

নতুন কাৰ্য্যসূচীয়ে সেইবোৰ ত্ৰুটী বা সমস্যাৰ ওপৰত চকু ৰাখিব, যিবোৰৰ মুখামুখি হোৱা গৈছিল এই কাৰ্য্যসূচীৰ প্ৰথম পদক্ষেপৰ সময়ত। গ্ৰামীণ আবাসীয় অঞ্চলত পানীৰ সমুচিত যোগানৰ বাবে ৰাজ্যই প্ৰথমতে বাৰ্ষিক লক্ষ্য তৈয়াৰ কৰিছিল, কিন্তু ক্ৰয় প্ৰক্ৰিয়া, প্ৰস্তুতিমূলক কাম-কাজ, ধনৰাশিৰ আৰ্থিক অনুমোদন আৰু আইনী প্ৰট'কলসমূহ সম্পূৰ্ণ হোৱাত ঘটা বিলম্বৰ বাবে ৰাজ্যসমূহ এই লক্ষ্য পূৰণ কৰাত অসমৰ্থ হৈছিল। ইয়াৰ পৰিণাম স্বৰূপে কাৰ্য্যসূচীৰ বাবে আবণ্টিত কেন্দ্ৰীয় পুঁজিৰ এটা মোটা অংক কামত লগাব পৰা নগৈছিল। এই ত্ৰুটীবোৰ দূৰ কৰিবৰ বাবে কাৰ্য্যসূচীৰ পুনৰ গঠন কৰা হ'ল, যাতে ইয়াক প্ৰতিযোগিতামূলক কৰি তুলিব পৰা যায়। এই নতুন ৰূপৰ কাৰ্য্যসূচীৰ ব্যৱস্থা অনুসাৰে ৰাজ্যসমূহে সহমতপ্ৰাপ্ত যোজনাসমূহৰ বাবে প্ৰথমে বিত্তযোগান ধৰিব লাগিব। 30 নৱেম্বৰৰ ভিতৰত কৰা দাবীৰ জৰিয়তে ৰাজ্যই দিয়া এই ধনৰাশিৰ প্ৰতিপূৰণ কেন্দ্ৰীয় পুঁজিৰপৰা কৰোৱাব পাৰি। যদি এই পুঁজি সময়মতে ব্যৱহাৰ কৰা নহয় তেন্তে পুঁজিৰ ধনৰাশি সাধাৰণ পুললৈ হস্তান্তৰিত কৰা যাব। ইয়াৰ পিছত এই পুঁজি "প্ৰথমে আহক, প্ৰথমে পাওক" ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি উন্নততৰ প্ৰদৰ্শন কৰা ৰাজ্যবোৰক প্ৰদান কৰা হ'ব। উৎকৃষ্ট প্ৰদৰ্শন কৰা ৰাজ্যবোৰ বাছনি কৰা হ'ব সেইবোৰ ৰাজ্যৰ মাজৰপৰা যিবোৰে স্বীকৃত যোজনাবোৰত কেন্দ্ৰীয় চৰকাৰৰ অংশৰ ধন আগতেই ফাইনেন্স কৰি থৈছে। পাইপেৰে পানী যোগানৰ ব্যৱস্থা থকা যোজনাসমূহৰ মূল্যাংকন কোনো তৃতীয় পক্ষৰদ্বাৰা কৰাৰ পিছত দ্বিতীয় কিস্তিৰ বাকী থকা ভাগ ৰাজ্যবোৰক হস্তান্তৰিত কৰি দিয়া হব। এই পৰ্য্যায়ে সুনিশ্চিত কৰিব যে ৰাজ্যবোৰত পানীযোগান আঁচনিৰ উচিত কাৰ্য্যৰূপায়ণ হৈছেনে নাই, যাতে এই কাৰ্য্যসূচী সফল হয়।

এই পদক্ষেপবোৰৰ মাধ্যমেৰে আৰ্চেনিক/ফ্লুৰাইড প্ৰভাৱিত প্ৰায় সকলো অঞ্চলতে 2021 চনৰ মাৰ্চলৈকে স্থায়ী ভিত্তিত খোৱাৰ উপযোগী পৰিষ্কাৰ পানী লভ্য কৰিব পৰা যাব। খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ৰ সংহত ব্যৱস্থাপনা তথ্য প্ৰণালী (আইএমআইএছ) ৰ প্ৰতিবেদন অনুসৰি, এতিয়া গ্ৰামীণ ভাৰতৰ 77 শতাংশ আবাসীয় ক্ষেত্ৰত প্ৰতি ব্যক্তিয়ে, প্ৰতি দিন 40 লিটাৰ চাফা পানী লাভ কৰি আছে। এই প্ৰতিবেদন অনুসাৰে, গ্ৰামীণ ভাৰতৰ 56 শতাংশ লোকে ৰাজহুৱা বিতৰণ ষ্টেণ্ড পোষ্টৰপৰা নলীৰ পানী ল'ব পাৰে আৰু ইয়াৰে 16.7 শতাংশ ঘৰত পানীৰ কানেকছন আছে। এতিয়া এই কথা ৰাজ্যসমূহৰ ওপৰত নিৰ্ভৰ কৰিছে যে তেওঁলোকে ইয়াক কেনেকৈ সুনিশ্চিত কৰিব যে বাকী থকা গ্ৰামীণ অঞ্চলতো ৰাষ্ট্ৰীয় গ্ৰামীণ খোৱাপানী কাৰ্য্যসূচীৰ জৰিয়তে পৰিষ্কাৰ খোৱা পানী যোগান ধৰিব পৰা যায়। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যবোৰক এই ধনৰাশিৰ ব্যৱহাৰৰ সম্পূৰ্ণ স্বাধীনতা দি থৈছে। এতিয়া চাব লাগিব যে ৰাজ্যসমূহে কিমান ভালকৈ এই কাৰ্য্যসূচীৰ কাৰ্য্যৰূপায়ণ কৰিব পাৰে। আশা কৰা হয় যে এই কাৰ্য্যসূচীৰ বিভিন্ন দিশে কুশলতাৰে কাম কৰিব আৰু গ্ৰামীণ লোকসকলে তেওঁলোকৰ প্ৰাপ্য স্বচ্ছ খোৱাপানী পাব পাৰে। পৰিষ্কাৰ খোৱাপানী পালে সকলো স্বাস্থ্যৱান হৈ থাকিব আৰু তেওঁলোকৰ কাৰ্য্যক্ষমতাও বাঢ়িব।♦

সফলতাৰ কাহিনী

# বিদ্যাৰ্থী স্বচ্ছতা ন্যায়ালয়

## 1.বিদ্যাৰ্থী ন্যায়ালয়ৰদ্বাৰা মানুহৰ মানসিকতা সলনি হয়।

মহাৰাষ্ট্ৰৰ উস্মনাবাদ জিলাই তাত "বিদ্যাৰ্থী স্বচ্ছতা ন্যায়ালয়" নামেৰে এটা অভিনৱ ধাৰণা সৃষ্টি কৰিছে। ইয়াৰ অধীনত "গুড মৰ্নিং স্কোৱাডে" যাকে মুকলিত শৌচ কৰা দেখিব, তাকে বিদ্যাৰ্থী ন্যায়ালয়লৈ লৈ যাব, য'ত তেওঁলোকৰ বাবে দণ্ড ঠিৰ কৰা হ'ব।

"বিদ্যাৰ্থী স্বচ্ছতা ন্যায়ালয়" বা "ষ্টুডেন্টচ কৰ্টচ"ত বিদ্যাৰ্থীয়ে বিচাৰকৰ ভূমিকা পালন কৰি নিজৰ ৰায়দান কৰে। দণ্ড হিচাপে ধৃতলোকৰদ্বাৰা স্কুল চৌহদ, শ্ৰেণীকোঠা, স্কুলৰ শৌচালয় বা আনকি গাওঁ ইত্যাদিও পৰিষ্কাৰ কৰোৱাব পাৰি।

"গুড মৰ্নিং স্কোৱাডত" গাওঁৰ ল'ৰা-ছোৱালীয়েই থাকে, সেয়ে বিদ্যাৰ্থীসকলে লোৱা কাৰ্য্যব্যৱস্থাৰ কোনেও বিৰোধিতা নকৰে। প্ৰতি ৰাতিপুৱা বিদ্যাৰ্থী সকলৰ এই বিচাৰ প্ৰক্ৰিয়াৰ বাবে কোনেও বেয়া নাপায়। প্ৰকৃত কথাটো এয়ে যে এতিয়া মানুহে মুকলিত শৌচ কৰাৰ সলনি শৌচালয়ৰ ব্যৱহাৰ কৰাটো বেছি ভাল বুলি বুজি উঠিছে। এই প্ৰক্ৰিয়াত স্বচ্ছতাৰ মহত্ব ঘৰে ঘৰে বুজি উঠিছে।

যদি কোনো ব্যক্তিয়ে এই দণ্ড ল'বলৈ অস্বীকাৰ কৰে তেনে তেওঁৰ ওপৰত সামান্য জৰিমণা আৰোপ কৰা হয়। এই উদ্যমৰ ফলত গঞাসকলৰ আচৰণত ভালেখিনি শুধৰণি



স্কুল বিদ্যাৰ্থীসকলে স্বচ্ছতা ন্যায়ালয়ৰ প্ৰতিনিধিত্ব কৰি আছে।

পৰিলক্ষিত হৈছে। জিলা প্ৰশাসনৰ বিষয়াসকলৰ বক্তব্য হ'ল যে এই ব্যৱস্থা সসমগ্ৰ দেশতে প্ৰযোজ্য কৰিব লাগে।

গ্ৰামপঞ্চায়তৰ স্কুলসমূহৰ প্ৰধান শিক্ষক আৰু শিক্ষকসকলে বিদ্যাৰ্থীৰ এই ন্যায়ালয় স্থাপন কৰিছিল। ইয়াৰ বাবে গ্ৰাম পঞ্চায়তৰ আটাইবোৰ স্কুলৰপৰা লৰা-ছোৱালী বাচি উলিওৱা হয়।

পেনেলৰ বাছনিৰ বাবে স্পষ্ট মানদণ্ড নিৰ্ধাৰণ কৰা হৈছে। তাত জড়িত ল'ৰা ছোৱালীৰ নিজ নিজ ঘৰত শৌচালয় থকাটো প্ৰয়োজনীয়। ইয়াৰ বাবে পঞ্চম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈকে বিদ্যাৰ্থীৰ বাছনি কৰা হয়। তেওঁলোকে স্বচ্ছতাৰ আচৰণ-বিধি ভালদৰে জনাটো প্ৰয়োজনীয় আৰু গুড মৰ্নিং স্কোৱাডত ভাগ ল'বৰ বাবে তেওঁলোক উৎসাহী হোৱাও প্ৰয়োজন। তেওঁলোকক বিদ্যাৰ্থী ন্যায়ালয়ৰ কাম-কাজত উপস্থিত থকাটো প্ৰয়োজন আৰু তাত সিদ্ধান্ত লোৱাৰ ক্ষমতা আৰু যোগ্যতা থাকিব লাগিব। স্কোৱাডে যি ব্যক্তিকে মুকলিত শৌচ কৰা দেখিব, তেওঁৰ ঘৰলৈ এখন লিখিত জাননী পঠিওৱা হব। এই জাননীৰ যোগেদি তেওঁক শুনানীৰ সময়ত উপস্থিত থাকিবলৈ আদেশ দিয়া হ'ব। এই শুনানী সাধাৰণতে শনিবাৰ লোৱা হয়। ইয়াৰ লগতে এটা বিশিষ্ট গীতো ৰচনা কৰা হৈছে, যিটো গীত এই বিদ্যাৰ্থীসকলে সেই ব্যক্তিজনক চাৰিওফালে ঘেৰি লৈ গায়। এই গীতৰ কিছু অংশ হ'ল "বাপু/অম্মু তইতো গাওঁৰ স্বাস্থ্যৰ কাৰণে হানিকাৰক......" এই গীত আনন্দৰ ভাবেৰে গোৱা হয়, কাৰোবাক তিৰস্কাৰ বা অপমান কৰিবলৈ নহয়। যিসকল লোক শুনানীৰ বাবে বিদ্যাৰ্থী ন্যায়ালয়লৈ আহে তেওঁলোকৰপৰা এই শপত লোৱা হয় যে এতিয়া তেওঁলোকে শৌচালয় নিৰ্মাণ কৰি তাৰ প্ৰয়োগ কৰিব। জিলাৰ বিষয়াসকলে দেখিছে যে নিজৰ শিশুহঁতৰদ্বাৰা ধৰা পৰাৰ পিছত মানুহবোৰ যথেষ্ট লজ্জিত হৈ পৰে। এনে হোৱাৰ ফলত শিশুহঁতে নিজৰ অভিভাৱকৰ ওপৰত ঘৰত শৌচালয় নিৰ্মাণৰ বাবে হেঁচা দিয়ে। জিলাখনে মুকলিত মলত্যাগ মুক্তকৰণৰ লগতে এই অবধাৰণা এক ৰণনীতিলৈ পৰিণত কৰাৰ আঁচনি কৰি আছে, যাতে জিলাৰ অ'ডিএফ স্থিতি নিৰন্তৰ বাহাল থাকে।

## 2. বিকলাংগ গ্ৰাম সেৱকে হাজাৰজনক প্ৰেৰণা দিয়ে

### বিদ্যাৰ্থী ন্যায়ালয়

এখন "বিদ্যাৰ্থী স্বচ্ছতা ন্যায়ালয়ত" ৪ ৭ গৰাকী বিদ্যাৰ্থী থাকে। ইয়াৰে তিনিগৰাকী বিদ্যাৰ্থীয়ে জাজ পেনেলৰ প্ৰতিনিধিত্ব কৰে। 2-3 গৰাকী বিদ্যাৰ্থীয়ে কাৰ্য্যসূচী সমৰ্থন কৰাত হাত উজান দিয়ে আৰু 1 গৰাকী বিদ্যাৰ্থীয়ে মুকলিত শৌচ কৰা লোকৰ কাম-কাজৰ ওপৰত চকৰ ৰাখে আৰু অন্য এগৰাকী বিদ্যাৰ্থীক অভিযোজক (প্ৰচিকিউটৰ) হিচাপে নিয়োগ কৰা হয়।

সুনীল কিষাণ ৰাও কোকনাৰেৰ ওচৰত এটা বিকল্প আছিল যে তেওঁ নিজৰ বিকলাংগতাৰেই নিজৰ বাকী থকা জীৱনকালক এটা অৰ্থ প্ৰদান কৰিব বা ৰাষ্ট্ৰব্যাপী স্বচ্ছ ভাৰত মিছন গ্ৰামীণৰ (এছবীএম-জী)ৰ অংশ হৈ মানুহক স্বচ্ছতাৰ সুৰক্ষিত অভ্যাসৰ বিষয়ে নিজৰ ধৰণে বুজাব।

1997 চনত এটা দুৰ্ঘটনাত গ্ৰাম সেৱক সুনীল দিব্যাংগ হৈ পৰিল আৰু ইয়াৰ পিছত কেবাবছৰলৈকে তেওঁ সেই অৱস্থাতে জীয়াই থাকিল। যেতিয়া তেওঁ লাহে লাহে সুস্থ হ'বলৈ ধৰিলে, তেতিয়া মানুহৰ কাৰণে কাম কৰিবলৈ থকা তেওঁৰ সংকল্প ক্ৰমাৎ সুদৃঢ় হ'বলৈ ধৰিলে। মহাৰাষ্ট্ৰৰ নান্দেড় জিলাৰ দেগলুৰ ব্লকত যেতিয়া স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ) আৰম্ভ কৰা হ'ল তেতিয়া কোকনাৰক শৌচালয়ৰ ব্যৱহাৰৰদ্বাৰা হ'ব পৰা স্বাস্থ্য সম্পৰ্কীয় লাভৰ বিষয়ে পুনৰ বুজাব লগা নহ'ল। তেওঁ জিলাৰ বিষয়াসকলে চলোৱা সজাগতা বৃদ্ধিৰ কাম-কাজত উৎসাহেৰে ভাগ লৈ গ'ল।

স্বচ্ছতাৰ বিষয়টো তেওঁৰ মনৰ ভিতৰত সদায় আছিল। সেয়ে তেওঁ এই অভিযানত গভীৰভাৱে সোমাই পৰিছিল। তেওঁ নিজৰ ফালৰপৰা মানুহক উৎসাহ দিবলৈ সম্ভৱপৰ সকলো প্ৰয়াস কৰিব খুজিছিল। তেওঁ গাৱঁৰ বিকাশত মুখ্য ভুমিকা পালন কৰিছিল।

আৰম্ভনিতে স্বচ্ছতাৰ বাণী সাৰোগত কৰা লোকৰ সংখ্যা কম আছিল আৰু

## কৃষ্ণ কোকনাৰেৰ মিছন

**কোকনাৰে বিজলৱাড়ী, গৱণ্ডগাওঁ, নগৰাল, মাৰ্কেল আৰু তদখেল নামৰ পাঁচখন গ্ৰাম পঞ্চায়ত অ'ডীএফ কৰাৰ সহায় কৰে। মেন্দনকল্লুৰও অ'ডীএফ ঘোষিত হোৱাৰ সময় সমাগত। তেওঁৰ সফল প্ৰয়াসসমূহৰ ভিতৰত আছে 2500 ৰো অধিক শৌচালয়ৰ নিৰ্মাণ কৰোৱা আৰু বহু লোকৰ জীৱনলৈ আচৰণগত পৰিৱৰ্ত্তন অনা। তেওঁ এনে বহুতো লোকৰ বাবে প্ৰেৰণাৰ উৎস, যিসকল এই মিছন আগবঢ়াই নিয়াত তেওঁৰ সৈতে আছে।**

মানুহক মুকলিত শৌচ কৰাৰ বাবে হ'ব পৰা স্বাস্থ্যৰ ক্ষতিৰ বিষয়ে কোৱা হৈছিল। ইয়াৰ পিছতো তেওঁলোকে শৌচালয় নিৰ্মাণ কৰোৱা নাছিল। কোকনাৰৰ অনুভৱ হ'ল যে মানুহৰ আচৰণ সলনি কৰাটো গুৰুত্বপূৰ্ণ। তেওঁৰ বাবে মানুহৰ বক্তব্য আৰু পৰিৱেশ জনাটো প্ৰয়োজনীয় আছিল। আৰু সেয়া বুজি পাবৰ বাবে বাৰ্তালাপ কৰাটো অত্যন্ত জৰুৰী আছিল। নিজৰ শাৰীৰিক অৱস্থাৰ বাবে কোকনাৰেৰ বাবে বাহিৰলৈ গৈ মানুহৰ লগত কথা-বতৰা হোৱাটো কঠিন আছিল। তেওঁ ভালকৈ খোজকাঢ়িবই নোৱাৰিছিল। যেতিয়া নান্দেড় মিছনৰ মুডৰ চিৰিজ কোকনাৰেৰ গাৱঁত আৰম্ভ হৈছিল তেতিয়া তেওঁও এখন বৈঠকত ভাগ লৈছিল। সেই বৈঠকত প্ৰতিজন ব্যক্তিকে শৌচালয় ব্যৱহাৰৰ বাবে কেনেকৈ অনুপ্ৰাণিত কৰিব পৰা যায় তাৰ বাবে ৰণনীতি ঠাৱৰ কৰাৰ কামত গ্ৰামসেৱকসকলক সহায় কৰা হৈছিল।

– ইয়াৰে কোনো এখন বৈঠকত গ্ৰাম সেৱকসকলৰ সাক্ষাত জিলা পঞ্চায়তৰ মুখ্য কাৰ্য্যকৰী বিষয়া অশোক শিংগাৰেৰ সৈতে হৈছিল, যি আহিছিল গ্ৰাম সেৱকসকলৰ কাম-কাজৰ খতিয়ান ল'বলৈ। প্ৰতিজন গ্ৰামসেৱকে তেওঁৰ সমুখত ভৱিষ্যত পৰিকল্পনা আৰু নিজৰ কামৰ অগ্ৰগতিৰ বিষয়ে ক'ব লগা হৈছিল, যিবোৰৰ সহায়ত তেওঁলোকে নিজ নিজ গাঁৱক অ'ডীএফ কৰাৰ অ'শা পুহি ৰাখিছিল। কোকনাৰেৰ পাল যেতিয়া পৰিল তেওঁৰ থিয় হ'বলৈ কষ্ট হ'ল। তেতিয়া চীইঅ'ই তেওঁক সহায় কৰিবলৈ আগবাঢ়ি আহিল আৰু কোকনাৰেক ক'লে যে যদি তেওঁ নিজে থিয় হ'ব পাৰে তেন্তে সেয়া আনৰ বাবে প্ৰেৰণাদায়ক হ'ব। এই কথাত গ্ৰাম সেৱকজনৰ মনোবল আৰু দৃঢ় হ'ল। সকলোকে স্তম্ভিত কৰি তেওঁ কেৱল থিয় হোৱাই নহয়, কেবামিনিটলৈকে থিয় দি থাকিল। তেওঁৰ এই উৎসাহ দেখি তাত উপস্থিত থকা সকলোৱে থিয় দি তেওঁক অভিবাদন জনাবলৈ ধৰিলে। এতিয়া তেওঁ সেই সকল লোকৰ ঘৰে ঘৰে গৈ শৌচালয় নিৰ্মাণৰ বাবে উৎসাহিত কৰিছিল। তেওঁ ৰাস্তাৰ দাঁতিত সভা পাতিও মানুহক স্বচ্ছতাৰ গুৰুত্বৰ বিষয়ে ক'বলৈ ধৰিলে। তেওঁৰ এই প্ৰয়াসৰ ফল সোনকালেই দেখা পোৱা গ'ল, কিয়নো মানুহে নিজৰ ঘৰত শৌচালয়ৰ নিৰ্মাণ কৰাই তাৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। কেইমাহ মানৰ ভিতৰতে স্বচ্ছতাৰ প্ৰচাৰ-প্ৰসাৰত আশ্চৰ্য্যজনক প্ৰগতি দেখা পোৱা গ'ল। মিছন মুডত নান্দেৰৰ অভিযান যথেষ্ট ডাঙৰ হিচাপে পৰিলক্ষিত হ'ল। ইয়াৰ ইতিবাচক ফল দেখা পোৱা গ'ল আৰু 2-3 মাহৰ ভিতৰতে সমগ্ৰ জিলাতে 1,30,000 শৌচালয় নিৰ্মাণ কৰা হ'ল।

## 3. বাৰাণসীত শিশু স্বচ্ছতা ৰথৰ শুভাৰম্ভ

স্কুল আৰু আংগনবাড়ী সমূহত স্বচ্ছতা সুনিশ্চিত কৰিবলৈ 2018 চনৰ 5 জানুৱাৰীৰ পুৱা 9 বজাত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰী যোগী আদিত্যনাথে আৰ্ত্ত



গাওঁখন মুকলিত শৌচ কৰাৰপৰা মুক্ত কৰিবলৈ এখন সভাত মিলিত হোৱা গাওঁবাসী।

ভৱনৰপৰা এখন শিশু স্বচ্ছতা ৰথক সেউজ সংকেত দিয়ে। ইয়াত তিনিখন ভেন জড়িত আছিল। মুখ্য উন্নয়ন বিষয়া (চীডীঅ') শ্ৰী সুনীল বাৰ্মাই কয়, "প্ৰতিখন ভেনতে 5 জনকৈ চাফাই কৰ্মী আছে, যি বাৰাণসীৰ তিনিখন তহছিল সাঙুৰি ল'ব। তেওঁলোকৰ কাম হ'ব যে স্কুল আৰু আংগনবাড়ীৰ শৌচালয়ৰ নিৰীক্ষণ কৰা, সেইবোৰ চাফা ৰখা আৰু আমাক প্ৰতিক্ৰিয়া প্ৰদান কৰা।" ইয়াৰবাবে তেওঁলোকক চাফাইৰ সা-সৰঞ্জাম, কাম, ফীডবেক ফৰ্ম আৰু সজাগতা বৃদ্ধিৰ বাবে প্ৰচাৰপত্ৰ দিয়া যাব। শৌচালয় লেতেৰা পালে তেওঁলোকে তক্ষণা চাফা কৰিব লাগিব। শৌচালয়ৰ নিৰীক্ষণৰ সময়ত যদি কিবা ত্ৰুটী পোৱা যায় তেন্তে তাৰ বিৱৰণ ফীডবেক ফৰ্মত ভৰোৱা হ'ব আৰু অ'ডীএফ ৱাৰ-ৰুমলৈ পঠোৱা হ'ব। তাত তেনে ধৰণৰ শৌচালয় ঠিক কৰাৰ উপায় সম্পৰ্কীয় কাম কৰা হ'ব যিটো কামৰ বাবে 7 দিন সময় নিৰ্ধাৰিত কৰা আছে। যি ঠাইৰে শৌচালয় লেতেৰা পোৱা যাব, তাৰ প্ৰধান, সচিব আৰু প্ৰধান শিক্ষকৰ নামত এখন 'লজ্জা পত্ৰ' পঠোৱাৰ লগতে তেওঁলোকক স্বচ্ছতাৰ প্ৰশ্নত সংশোধনী আনিবলৈ নিৰ্দেশো দিয়া যাব। চীডীঅ'ই জনোৱা মতে যদি ইয়াৰ পিছতো সোনকালে সংশোধনৰ বাবে কোনো কাম কৰা নহয় তেনে তেওঁলোকক শাস্তিও বিহা হ'ব পাৰে।

স্বচ্ছতা ৰথৰ যাত্ৰা শুভাৰম্ভ কৰোৱাৰ সময়ত মুখ্যমন্ত্ৰীয়ে মহিলা নিৰীক্ষণ সমিতি আৰু শিশু নিৰীক্ষণ সমিতিকো কিট প্ৰদান কৰে। বাৰাণসীত মুঠ 760 খন গ্ৰাম পঞ্চায়ত আছে, যাৰ ভিতৰত প্ৰতিখনতে 10 গৰাকী মহিলাৰ মহিলা নিৰীক্ষণ সমিতি, 10 টি শিশুৰ শিশু নিৰীক্ষণ সমিতি আৰু 10 জন পুৰুষ নিৰীক্ষণ সমিতি আছে। এই সমিতিবোৰক এইটো সুনিশ্চিত কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে যে যি ঘৰত শৌচালয় নিৰ্মাণ হৈছে, সেই ঘৰৰ লোকে মুকলিত শৌচ যাতে নকৰে।

## 4. ধমতাৰীত প্ৰতিমাহৰ 6 তাৰিখে স্বচ্ছতা ভোটদান

ছত্ৰীচগড়ৰ ধমত'ৰী জিলাক 2015 চনৰ 13 ছেপ্টেম্বৰত মুকলিত মলত্যাগ মুক্ত জিলা হিচাপে ঘোষিত কৰা হয়।



স্কুল আৰু অংগনৱাড়ীসমূহত স্বচ্ছতা সুনিশ্চিত কৰাৰ বাবে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰদ্বাৰা তিনিখন ভেনেৰে নিৰ্মিত হ'ল স্বচ্ছতা ৰথ বাওনা কৰোৱা হয়।

তেতিয়াৰপৰা এই জিলাই নিজৰ অডীএফ স্তৰ বজাই ৰখাত জোৰ দি আহিছে। ইয়াৰ বাবে নিয়মিত ব্যৱধানত গ্ৰাম সভা আয়োজিত কৰাৰ লগতে নিৰীক্ষণ সমিতিবোৰে বিভিন্ন কাম-কাজৰদ্বাৰা পুৱা-গধূলি খবৰ লৈ থাকে। কুৰুদ ব্লকৰ ভুচৰেংগা গাওঁ পঞ্চায়তৰ চৰপঞ্চ শ্ৰী কৌশল চন্দ্ৰাকৰৰ মতে, তেওঁ প্ৰতি মাহে 6 তাৰিখে পুৱা 8 বজাৰপৰা সন্ধিয়া 4 বজালৈ স্বচ্ছতা ভোটদানৰ আয়োজন কৰোৱায়। ইয়াৰদ্বাৰা সমুদায়ৰ লোকক গোপনে মুকলিত শৌচ কৰা বিষয়টোৰ ওপৰত তথ্য প্ৰদান কৰিবলৈ সুযোগ দিয়া হয়। চৰপঞ্চগৰাকীয়ে জনায় যে এনে ভোটদান প্ৰতিখন স্কুল আৰু সংস্থানত কৰোৱা হয়। ভোটদানৰ এই ব্যৱস্থাৰদ্বাৰা এইটো সুনিশ্চিত হয় যে মানুহে শৌচালয়ৰ ব্যৱহাৰ কৰি আছে, যাতে তেওঁলোকৰ জিলাৰ অ'ডীএফ স্থিতি অব্যাহত থাকে। এই ভোটদানৰ প্ৰথম মাহত মুকলিত শৌচ কৰাৰ 7 টা ঘটনা পোহৰলৈ আহিছিল। দ্বিতীয় মাহত 4 টা ঘটনাৰ কথা গম পোৱা যায়। অৱশ্যে, যোৱা কেইদিনমানত এনে ঘটনাৰ খবৰ প্ৰায় নাই অহা বুলিয়েই কব পাৰি।

## 5.এতিয়া, মাহেকীয়াৰ বিষয়ে কথা পতা যাওক

ঝাৰখণ্ডৰ চৰায়কেলা- খৰছাৱাৰ জিলা প্ৰশাসনে এটা উদ্যম হাতত লৈছে, যাৰ নাম হ'ল - "এতিয়া মাহেকীয়াৰ বিষয়ে কথা পতা যাওক।" ইয়াৰদ্বাৰা তেওঁলোকে মাহেকীয়া ঋতুস্ৰাৱৰ সময়ত স্বচ্ছতা মানি চলা বিষয়টোত লোকসকলক শিক্ষিত কৰিব খোজে। বিশেষকৈ, এই সময়ত জমা হোৱা মাহেকীয়াৰ পেলনীয়া বস্তু সুৰক্ষিত কৰি পেলোৱাৰ বিষয়ে। মাহেকীয়া ঋতুস্ৰাৱক সদায়ে নিষিদ্ধ আৰু গোপনীয় বিষয় বুলি মানি অহা হৈছে। ই স্কুলত চলাই অহা খোৱাপানী আৰু স্বচ্ছতা কাৰ্য্যসূচীৰো এটা গুৰুত্বপূৰ্ণ অংশ। ই সকলোৰে বাবে স্বচ্ছতা সুনিশ্চিত কৰিব খোজা স্বচ্ছ ভাৰত মিছন গ্ৰামীণৰো গুৰুত্বপূৰ্ণ অংশ। এই সময়ছোৱাত কিশোৰীসকলে তৎপৰতাৰে বাজদূত হৈ এই কথা সুনিশ্চিত কৰে যে প্ৰতিজন ব্যক্তিয়ে স্বচ্ছতাৰ সুৰক্ষিত অভ্যাসবোৰ শিকে। প্ৰথম পৰ্য্যায়ত কস্তুৰবা গান্ধী বিদ্যালয়ৰ সকলো বিদ্যাৰ্থীকে সাঙুৰি

**আহঁা আলোচনা আৰম্ভ কৰা যাওক**

মাহেকীয়া ঋতুস্ৰাৱক সদায়ে এটা নিষিদ্ধ বিষয় জ্ঞান কৰি অহা হৈছে। এই কথা মনত ৰাখিয়েই ঝাৰখণ্ডৰ ছৰায় কেলা-খৰছাৱাঁ জিলাত এটা অভিযান আৰম্ভ কৰা হৈছে — "এতিয়া মাহেকীয়াৰ বিষয়ে কথা পতা যাওক"। ইয়াৰ জৰিয়তে তেওঁলোকে মাহেকীয়া হোৱাৰ সময়ছোৱাত স্বচ্ছতাৰ ব্যৱস্থাপনা সম্পৰ্কে ৰাইজক শিক্ষা দিয়ে, বিশেষকৈ এই সময়ত ওলোৱা অপশিষ্টসমূহ সুৰক্ষিত উপায়েৰে পেলাই দিয়াৰ বিষয়ে। এই অভিযান স্কুলবোৰত চলি থকা জল, স্বচ্ছতা আৰু স্বাস্থ্যবিধিৰো (WASH) এটা গুৰুত্বপূৰ্ণ অংশ। ই সকলোৰে বাবে স্বচ্ছতা সুনিশ্চিত কৰিব খোজা স্বচ্ছ ভাৰত মিছন গ্ৰামীণৰ কাৰ্য্যসূচীৰো এটা গুৰুত্বপূৰ্ণ অংশ।

লোৱা এই জন সজাগতা অভিযান উপ বিকাশ আয়ুক্তৰ নেতৃত্বত আৰম্ভ কৰা হয়। এই অভিযানে কেৱল বাৰ্তা আৰম্ভ কৰাই নহয়, বৰঞ্চ কৈশোৰত ভৰি দিয়া ছোৱালীবোৰক মাহেকীয়া ঋতুৰ লগত জড়িত সকলো তথ্যৰ যোগান ধৰিব। যেনে মাহেকীয়াৰ সময়ছোৱাত কেনেকৈ নিজৰ যত্ন ল'ব লাগে বা চেনিটেৰী নেপকিন কেনেকৈ পেলাব লাগে। এই সম্পৰ্কীয় সকলো অন্ধবিশ্বাস দূৰ কৰি এই সামাজিক কুপ্ৰথাৰ অন্ত পেলাব লাগিব।

অভিযানৰ দ্বিতীয় পৰ্য্যায়ত এনে সকলো আবাসিক স্কুলত চেনিটেৰী নেপকিন ইনচিনৰেটৰ (ক্ৰীমেটোৰিয়ম) সংস্থাপন কৰা হব, যত বহুত বেছি মাহেকীয়া ঋতুজনিত অপশিষ্ট ওলায় আৰু সেইবোৰ সুৰক্ষিত ধৰণেৰে নিস্তাৰিত কৰাৰ প্ৰয়োজন হয়। বৰ্তমান এই অভিযান 9 টা অঞ্চলৰ 9 খন কস্তুৰবা গান্ধী বিদ্যালয়ত চলাই থকা হৈছে, য'ৰ আবাসিক স্কুলত শিক্ষা প্ৰাপ্তিৰ বাবে প্ৰায় 23456 গৰাকী ছাত্ৰী থাকে।

অভিযানৰ কাম-কাজৰ ভিতৰত স্কুলৰ ছোৱালীহঁতৰ বাবে অৰিয়েন্টেছন ৱৰ্কশ্বপ আয়োজন কৰা হয় যাতে তেওঁলোকক মাহেকীয়া ঋতু সম্পৰ্কীয় সকলো কথাৰ বিষয়ে সজাগ কৰিব পাৰি। কোৱা হয় যে ভাৰতৰ 70 শতাংশ ছোৱালীয়ে চেনিটেৰী পেডৰ সুৰক্ষিত নিস্তাৰণৰ বিষয়ে নাজানে। এই অভিযানৰদ্বাৰা চেনিটেৰী ইনচিনৰেটৰৰ চাহিদা বাঢ়িব, যাৰদ্বাৰা মাহেকীয়াৰ অপশিষ্ট পেলোৱাৰ বাবে পাৰিপাৰ্শ্বিকতাত প্ৰভাৱ নপৰিব। মাহেকীয়া স্বাস্থ্য ব্যৱস্থাপনাৰ (এমএইচচএম) বিষয়ে বিশেষ কিতাপো উলিওৱা হৈছে, যিবোৰ ছোৱালীবোৰৰ মাজত বিতৰণ কৰা হ'ব, যাতে তেওঁলোকে মাহেকীয়া ধৰ্মৰ লগত জড়িত ৰহস্যবোৰ জানে, কোনো ধৰণৰ মিথ্যাত বিশ্বাস নকৰে, কোনো সামাজিক কুপ্ৰথাৰ জালত নপৰে আৰু নিজকে অপৱিত্ৰ জ্ঞান কৰি অইনৰপৰা নিজকে দূৰত ৰখা প্ৰবৃত্তিৰ চিকাৰ নহয়। এই কাৰ্য্যসূচীত এই প্ৰথাৰ লগত জড়িত ফিল্মো দেখুওৱা হয় যাতে তেওঁলোকে এই সমগ্ৰ প্ৰক্ৰিয়া ভালদৰে বুজি পায়, এই ফিল্মবোৰত মাহেকীয়া ঋতুৰ সময়ত আৰু পিছত শৰীৰত




**মাহেকীয়াৰ সৈতে সম্পৰ্কিত প্ৰক্ৰিয়াৰ সৈতে সচেতনতা গঢ়ি তোলাৰ বাবে স্কুলীয়া ছাত্ৰীসকলৰ বাবে আয়োজিত কৰ্মশালা**

আহিব ধৰা পৰিৱৰ্ত্তনৰ বিষয়েও আছে।

## 6. এতা জিলাৰ পৰিয়ালবোৰে 25.8 লাখ টকাৰ উদ্দীপক ৰাশি ঘূৰাই দিয়ে

এটা আশ্চৰ্যজনক ঘটনাত, উত্তৰ প্ৰদেশৰ এতা জিলাৰ বিভিন্ন গ্ৰাম পঞ্চায়তৰ পৰিয়ালবোৰে জিলাৰ বিষয়া সকলক 25,80,000 টকাৰ উদ্দীপক ধনৰাশি ঘূৰাই দিয়ে। চৰকাৰে এই ধনৰাশি তেওঁলোকক শৌচালয় নিৰ্মাণৰ বাবে দিছিল।

জিলাধিকাৰীৰ মতে, এই উদ্দীপক ধনৰাশি 7খন গাৱঁৰ 215 টা পৰিয়ালে ঘূৰাই দিয়ে। ইয়াৰে জিনাইৰাৰ 90 টা পৰিয়াল, অখৰোলী ৰতনপুৰৰ 15 টা, চৰায় আহমদ খান গাৱঁৰ 10 টা, নাগলা শ্যামৰ 15 টা, মিৰাহচীৰ 30 টা, ছিৰশটিপ্পুৰ 20 টা আৰু ৰেবিনা মিৰ্জাপুৰৰ 35 টা পৰিয়াল আছে। এই মহান কামৰ বিষয়ে এতা জিলাৰ জিলাধিকাৰী শ্ৰী অমিত কিশোৰে কয় যে ই এক অত্যন্ত বিশাল আৰু দুৰ্লভ অভিজ্ঞতা, কিয়নো সাধাৰণতে মানুহে প্ৰাপ্ত ধনৰাশি ঘূৰাই নিদিয়ে। এই সমগ্ৰ অভিযানৰ সময়ছোৱাত জিলাধিকাৰীয়ে স্থিৰতা আৰু মালিকীচৰ্ত্তৰ ওপৰত গুৰুত্ব প্ৰদান কৰে – এই দুয়োটাৰে নিশ্চিতি তেতিয়াহে প্ৰদান কৰা হয় যেতিয়া মানুহে নিজৰ শৌচালয়ৰ কাৰণে নিজেই ধনাদায় কৰিব। ইফালে ৰণনীতিৰ কথা ক'ব লাগিলে, জিলাধিকাৰীয়ে লোকসকলক উৎসাহিত কৰিবৰ বাবে স্থানীয় নেতাসকল, কেতবোৰ মহিলা আৰু সক্ৰিয় আত্ম সহায়ক গোটবোৰক নিজৰ সহযোগী



**জিলাধিপতি অমিত কিশোৰে কয় যে, "গাঁৱৰ ৰাইজে শৌচালয়ৰ তুলনা সন্মানৰ (ইজ্জত ঘৰ) সৈতে কৰে আৰু এ এটা ভাল সংকেত"**

কৰি লৈছে। 2014 চনৰ অক্টোবৰত এতাত স্বচ্ছতাৰ কভাৰেজ মাত্ৰ 17 শতাংশ আছিল। লগতে, শৌচালয়ত গাঁত নাছিল আৰু সেইবোৰ যথেষ্ট লেতেৰাও আছিল। শৌচালয়ৰ নিৰ্মাণৰ সময়ছোৱাত এতিয়া গুণগত মানৰ ওপৰত গুৰুত্ব দিয়া হৈছে আৰু ইয়াৰদ্বাৰা স্বচ্ছতাৰ কভাৰেজ 37% লৈ বৃদ্ধি পাইছে। এতিয়া 576 খন গাঁৱৰ ভিতৰত কমেও 150 খন গাৱঁক অ'ডীএফ ঘোষণা কৰা হৈছে।

## 7. লোহাৰদগাত আগতীয়াকৈ পালন কৰা খ্ৰীষ্টমাচ

সমগ্ৰ দেশতে বিভিন্ন জিলাই স্বচ্ছতাৰ বিষয়ে মানুহৰ আচৰণত পৰিৱৰ্তন আনিবৰ বাবে নতুন নতুন কাম-কাজৰ সহায় লৈছে যাতে লোকসকলৰ শৌচালয় নিৰ্মাণ কৰাৰ আৰু তাক ব্যৱহাৰ কৰাৰ বাবে উৎসাহ দিব পৰা যায়। ঝাৰখণ্ডৰ লোহাৰদগা জিলাত খ্ৰীষ্টমাচৰ এমাহ আগৰেপৰাই ঘৰবোৰত শৌচালয় হোৱাৰ বা ব্যৱহাৰ কৰাৰ উদযাপন কৰা হৈছিল। এই সময়ছোৱাত মানুহক উপহাৰ দিয়া হৈছিল। জৰী গাঁৱৰ লোকে যেতিয়া নিজৰ ঘৰত দুৱাৰ খোলে, তেতিয়া তেওঁলোকে এজন শুধবগা আৰু দীঘল দাড়ি থকা, ৰঙা সাজ পৰিধান কৰা, টুপী পিন্ধা চান্টা ক্লজৰ অপ্ৰত্যাশিত উপহাৰ লাভ কৰিলে। চান্টা ক্লজে নিজৰ লগত উপহাৰ স্বৰূপে শাৰী, কম্বল বা অন্য বস্তু আনিছিল। লোহাৰদগাৰ উপায়ুক্ত শ্ৰী বিনোদ কুমাৰে এই প্ৰকল্পৰ বিষয়ে জনায়, "খ্ৰীষ্টমাচৰ সময় আৰু বিশ্ব শৌচালয় দিৱস উপলক্ষ্যে আমি মানুহক শৌচালয়ৰ ব্যৱহাৰৰ বাবে উৎসাহিত কৰাৰ সুযোগ পালোঁ।" 2017 চনৰ 15 আগষ্টত লোহাৰদগা জিলাক অ'ডীএফ ঘোষিত কৰাৰ পিছৰেপৰাই জিলা প্ৰশাসনে মানুহৰ আচৰণ সলনি কৰিবলৈ বহুতো কাম-কাজ হাতত লৈছে। তেওঁলোকে এই কথা বুজি পাইছে যে ভাৰতীয় সমাজৰ জীৱন আৰু আচৰণক প্ৰভাৱিত কৰাত ধৰ্মই গুৰুত্বপূৰ্ণ ভূমিকা লয়। সেয়েহে, দীপান্বিতা, ছঠ-পূজা, দশহৰা, মহৰম, সৰ্দুল বা কৰ্মাৰ দৰে উৎসৱত লোকসকলক উদ্বুদ্ধ কৰিবৰ বাবে এনে কাম-কাজ আৰম্ভ কৰা হয়। 66 খন পঞ্চায়তত স্বচ্ছ ভাৰত মিছন গ্ৰামীণৰ যোগেদি 59573 টা শৌচালয় নিৰ্মাণ কৰা হৈছিল। উপায়ুক্তই কয়, "আমি বুজি পাইছিলোঁ যে মানুহৰ বাবে নিজৰ পুৰণি অভ্যাসৰপৰা মুক্তি পোৱা সহজ নহয়। তেওঁলোকৰ আচৰণত পৰিৱৰ্তন অনাৰ প্ৰয়োজন অনুভৱ কৰাৰ পিছত মই জিলাখনৰ 66 টা পঞ্চায়তত 66 জন চান্টা ক্লজ পঠিওৱাৰ আঁচনি কৰিলোঁ, যাতে মানুহক শৌচালয় নিৰ্মাণ কৰাৰ বাবে উৎসাহিত কৰিব পৰা যায়।" এমাহ জোৰা আঁচনি আৰু প্ৰস্তুতিৰ পিছত 2017 চনৰ 19 নৱেম্বৰৰ পুৰা 66 জন চান্টা ক্লজক চাফাই কৰ্মীৰ লগত চাফাই আৰু স্বচ্ছতাৰ বাৰ্তা প্ৰেৰণ কৰাৰ বাবে পঠোৱা হয়। তেওঁ এনে লোকক পুৰস্কৃতও কৰে, যি এতিয়া



ঝাৰখণ্ডৰ লোহৰদগা জিলাৰ জোৰী গাঁৱৰ লোকসকলে খ্ৰীষ্টমাচৰ কালছোৱাত একেৰাহে এমাহ ধৰি উপহাৰ প্ৰাপ্ত কৰিছিল

মুকলিত শৌচ কৰিবলৈ বন্ধ কৰিছে। চাফাই কৰ্মী স্বচ্ছ ভাৰত মিছনৰ মুখ্য ধাৰাত জড়িত আৰু তেওঁলোকে দিয়া প্ৰতিক্ৰিয়া অনুসৰিহে পুৰস্কাৰৰ বাবে পৰিয়ালৰ নিৰ্বাচন কৰা হয়।

উপায়ুক্তই কয়, "মুকলিত শৌচ কৰাটো বন্ধ কৰিবৰ বাবে 'খ্ৰীষ্টমাচ আপোনাৰ দুৱাৰডলিত' অনুষ্ঠানক এক উপযোগী উপলক্ষ্যলৈ সলনি কৰিব খুজিছিলো।" লোহাৰদগা জিলাত অধিকাংশ লোক আদিবাসী সম্প্ৰদায়ৰ। এইসকলৰ বেছিভাগেই খ্ৰীষ্টান। যিহেতু চাণ্টাক্লজক সৌভাগ্য আৰু আশীৰ্বাদৰ বাৰ্তাবাহক জ্ঞান কৰা হয়, সেয়ে, তেওঁলোকে চান্টা ক্লজৰ আশীৰ্বাদ পাই সুখী হৈছিল।♦

# গংগা গ্ৰাম প্ৰায়েগিক পৰিযোজনা আৰু স্বজল পায়লট কাৰ্য্যক্ৰম

খোৱাপানী ক্ষেত্ৰত খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ৰ নতুন প্ৰকল্প "স্বজল" এক সামুদায়িক খোৱাপানী বিষয়ক কাৰ্য্যসূচী। খোৱাপানীৰ যোগান সম্পৰ্কীয় এই কাৰ্য্যসূচী 6 খন ৰাজ্যত আৰম্ভ কৰা হৈছে। কেন্দ্ৰীয় খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰী শ্ৰীমতী উমা ভাৰতীয়ে প্ৰথম প্ৰায়োগিক প্ৰকল্প 2018 চনৰ 20 ফেব্ৰুৱাৰীত উত্তৰাখণ্ডৰ উত্তৰকাশী জিলাৰ ৰীৰপুৰ গাৱঁত আৰম্ভ কৰিছিল। এই গাওঁ দুটা খণ্ডত আছে। এই অনুষ্ঠানত খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ৰ সচিৱ, প্ৰকল্প মহানিৰ্দেশক আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ খোৱাপানী কাৰ্য্যসূচীৰ যুটীয়া সচিব উপস্থিত আছিল।♦





# শেহতীয়া ঘটনাৱলীৰ এটা ৰেঙণি

## খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ত স্বচ্ছতা উদ্যানৰ উদ্বোধন

খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰী শ্ৰীমতী উমা ভাৰতীয়ে 2018 চনৰ 9 ফেব্ৰুৱাৰীত নতুন দিল্লীত স্বচ্ছ ভাৰত চেনিটেছন পাৰ্কৰ শুভ উদ্বোধন কৰে। এই পাৰ্কত শুকান আৰু জুলীয়া অপশিষ্ট ব্যৱস্থাপনা কৌশল আৰু শৌচালয়-নিৰ্মাণৰ বিভিন্ন কাৰিকৰী কৌশল প্ৰদৰ্শন কৰা হৈছিল, যিবোৰ স্বচ্ছতাৰ সহজ নিয়মবোৰ কাৰ্য্যৰূপায়িত কৰিবৰ বাবে অত্যন্ত প্ৰয়োজনীয় বুলি বিবেচিত।

## স্বচ্ছতা ৰথ

স্বচ্ছ ভাৰত মিছনৰ বিভিন্ন অভিযানৰ সময়ত সমগ্ৰ দেশতে 1200 ৰো অধিক স্বচ্ছতা ৰথ উলিওৱা হয়। এই ৰথবোৰ মোবাইল আইইচী ভেন, যিবোৰ সাধাৰণতে সৰু ট্ৰাকত উঠাই দিয়া হয়। এইবোৰত এলইডী পেনেল, অডিঅ' চিষ্টেম, চপা কৰা পেনেল/ত্ৰিয়টিভ আদি ৰখা হয়।

সাধাৰণতে ৰথৰ লগত বাটৰ নাটৰ এটা দল, লোকশিল্পী, এজন আঁত ধৰোতা আৰু এটা কাৰিকৰী সহায়কৰ দল থাকে। সমুদায়ৰ সদস্যসকলক অভিযানৰ অংশ কৰাৰ উদ্দেশ্যৰে ওপৰত আধাৰিত এই ৰণনীতি খুবেই ফলপ্ৰসূ প্ৰমাণিত হৈছে। ইয়াত আইপীচী আৰু আইইচী সামগ্ৰীৰ ব্যৱহাৰ কৰা হয় – বিশেষকৈ অডিঅ'-ভিজুৱেল আৰু এচবীএমৰ বিভিন্ন থীম বিষয়ক প্ৰধান বাৰ্তাৰ সৈতে ছপা হোৱা পেনেল।

## গংগা গ্ৰাম স্বচ্ছতা সন্মিলন

2017 চনৰ 23 ডিচেম্বৰত দিল্লীৰ বিজ্ঞান ভৱনত খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ৰদ্বাৰা আয়োজিত গংগা গ্ৰাম স্বচ্ছতা সন্মিলনত পাঁচখন নমামি গংগা ৰাজ্যৰ 52 খন নমামি গংগা জিলাৰ প্ৰায় 600 চৰপঞ্চ, মুখিয়া আৰু গ্ৰাম প্ৰধান সন্মিলিত হৈছিল। এই সন্মিলনৰ অধ্যক্ষতা কৰিছিল কেন্দ্ৰীয় খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰী শ্ৰীমতী উমা ভাৰতীয়ে। জল ব্যৱস্থাপনা, গংগা সংৰক্ষণ আৰু নদী বিকাশ মন্ত্ৰী শ্ৰী নিতিন গডকাৰী মুখ্য অতিথি আছিল। এই অনুষ্ঠানত গংগা গ্ৰাম জিলা আৰু ৰাজ্য চৰকাৰৰ বিভাগসমূহৰ 700 স্বেচ্ছাসেৱকো উপস্থিত আছিল।

## অন্তৰ মন্ত্ৰালয় সহযোগ

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ সহযোগত খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ে "স্বচ্ছ-স্বাস্থ্য-সৰ্বত্ৰ" আৰম্ভ কৰে। ইয়াৰ অধীনত কেতবোৰ প্ৰান্তৰপৰা বাচি উলিওৱা সামুদায়িক স্বাস্থ্যকেন্দ্ৰক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ দ্বাৰা বিত্তীয় সাহায্য দিয়া হ'ব, যাতে সেইবোৰে স্বচ্ছতাৰ উচ্চ মান আদ'য় কৰিব পাৰে। খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ে য়ুনিচেফৰ সহযোগত 1400 স্বাস্থ্য বিষয়াক প্ৰশিক্ষিত কৰিব যাতে তেওঁলোকে বাছি উলিওৱা 670 টা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ লগত কাম কৰি মুকলিত শৌচ কৰাৰপৰা মুক্তিৰ লক্ষ্য প্ৰাপ্ত কৰিব পাৰে। স্বচ্ছতাৰ ওপৰত এটা পাঠো প্ৰস্তুত কৰা হৈছে যিটো স্কুলৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদক পঠিওৱা হব। পেট্ৰল পাম্প আৰু চাৰ্ভিচ ষ্টেছনবোৰত স্বচ্ছতাৰ পৰ্যায়ৰ ওপৰত চকু দিবলৈ আৰু ইয়াৰ শুধৰণি ঘটাবলৈ পেট্ৰলিয়াম মন্ত্ৰালয়ে "স্বচ্ছতা @ পেট্ৰলপাম্প" নামৰ এপ বিকশাই তুলিছে। এই এপে গ্ৰাহক সকলক পেট্ৰল পাম্পত শৌচালয়ৰ সুবিধাসমূহৰ লাভৰ বিষয়ে কথাবোৰ জানি লোৱাৰ সুবিধা কৰি দিয়ে।

## স্বচ্ছতা পখেক

2016ৰ পৰা প্ৰতি বছৰে স্বচ্ছতা পখেক আয়োজিত কৰ'ৰ উদ্দেশ্য হৈছে যে তাত সকলো লোকৰ লগতে অন্য মন্ত্ৰালয়তো স্বচ্ছতাক অগ্ৰাধিকাৰ দিব পৰা যায়। সাধাৰণতে প্ৰতি মাহে 5-6 টা মন্ত্ৰালয়ক পখেকীয়া কেলেণ্ডাৰৰ হিচাপমতে দেশ জুৰি নিজৰ অনুষ্ঠান আৰু সলংগ্ন বা অধীনস্থ সংগঠনত স্বচ্ছতাৰ পৰ্যায় বঢ়াবৰ বাবে 14 দিন দিয়া যায়। খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ে মন্ত্ৰালয় আৰু বিভাগ সমূহৰ বাবে সংহত স্বচ্ছতা পখেকৰ নিৰ্দেশনাসহিতে 2018 চনৰ কেলেণ্ডাৰ প্ৰস্তুত কৰি উলিয়াইছে।

## স্বচ্ছতা কাৰ্য্য আঁচনি (এছএপী)

প্ৰতি কেন্দ্ৰীয় মন্ত্ৰালয় বা বিভাগে প্ৰধানমন্ত্ৰীয়ে দিয়া নিৰ্দেশ অনুসৰি নিজৰ নিজৰ নিৰ্ধাৰিত বাজেট অনুসৰি স্বচ্ছতাৰ বাবে কাম কৰিব লাগিব। এই নিৰ্দেশৰ অনুপালন কৰি 74টা মন্ত্ৰালয় আৰু বিভাগে সাম্প্ৰতিক বিত্তীয় বৰ্ষ 2017-18ৰ বাবে স্বচ্ছতা যোজনাসমূহ সম্পূৰ্ণ কৰাৰ বাবে 17000 কোটি টকাৰো অধিক বাজেট নিৰ্ধাৰিত কৰিছে। এই বিভাগবোৰে নিজৰ সাম্প্ৰতিক আৰু নতুন কাৰ্যসূচী/যোজনাসমূহত স্বচ্ছতাক এটা অভিন্ন অংগৰ ৰূপত সন্নিৱিষ্ট কৰিছে। ♦




কেন্দ্ৰীয় খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰী শ্ৰী মতী উমা ভাৰতী এটা স্বচ্ছতা অনুষ্ঠানত।

## ‘‘পঞ্চায়তীৰাজ সংস্থাসমূহৰ সবলীকৰণ কৰিবলৈ হ’লে ফাংশ্বন, ফাণ্ডচ আৰু ফাংছনেৰীৰ হস্তা সম্পৰ্কীয় চিন্তাবোৰ আগবঢ়াই নিব লাগিব’’

**শ্ৰী নৰেন্দ্ৰ সিং তোমৰ**

















Assamese

**পঞ্চায়তীৰাজ মন্ত্ৰালয়**

**পঞ্চায়তীৰাজ মন্ত্ৰালয়**
www.facebook.com/MinistryofPanchayatiRaj
@mopr_goi

**গ্ৰামীণ বিকাশ মন্ত্ৰালয়**
www.facebook.com/IndiaRuralDev

**খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়**
www.facebook.com/MODWS
@swachhbharat

Panchayati Raj You Tube Channel

स्वच्छ भारत
एक कदम स्वच्छता की ओर

ভাৰত চৰকাৰৰ পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰদ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

**এডিটৰ-ইন-চীফঃ** অমৰজীত সিনহা, সচিব, পঞ্চায়তীৰাজ মন্ত্ৰালয় আৰু গ্ৰামীণ বিকাশ মন্ত্ৰালয়

মেছাৰ্চ ধমচক প্ৰেছ, বী-135. ডী ব্লক, অখ্‌লা-1, ওখলা ইণ্ডাষ্ট্ৰিয়েল এৰিয়া, নতুন দিল্লী, দিল্লী-110020 ত মুদ্ৰিত

পঞ্চায়তীৰাজ মন্ত্ৰালয়, ভাৰত চৰকাৰ, সৰ্দাৰ পেটেল ভৱন, নতুন দিল্লী-110001ৰদ্বাৰা প্ৰকাশিত।

"The translation of ' Gramoday Sankalp ' has been carried out by M/s Jagran Prakashan Ltd. Any inadvertent error or omissions, if any, found in the translation is the responsibility of the agency."